জুলাই - ২০০০ - ১০.০০ টাকা

চান্দমামা

Parrys
Khao Parrys Jeeto Prizes!
Parrys
Send 20 wrappers, win a Parrys Stuntman!
Send in a total of 20 wrappers of Madras Café, Coconut Punch, Coffy Bite and Lacto King, along with your name, date of birth and address, and a cool name for your Parrys Stuntman, to:
Khao Parrys Jeeto Prizes,
P.O. Box No.: 7002, Chennai - 92.
And await your Parrys Stuntman by mail! The best names for the Parrys Stuntman get to win Apple iMac's!
MEGA-PRIZE
12 Apple iMac's to be won!
Coffy Bite
Coconut Punch
Madras Cafe
Last date for entries: 25th June 2000.
Winners of the computer will be intimated by mail.

চান্দমামা

বৰ্ষ ২৩ জুলাই ২০০০ সংখ্যা ৮

এই সংখ্যাত আছে

সাধু

অদ্ভুত পানীয় এটা পৃষ্ঠা ০৯
এটকাত পৃষ্ঠা ১৫
চতুৰক্ষ পৃষ্ঠা ১৬
ৰক্ষনাবেক্ষন কামটোও এটি শিল্প পৃষ্ঠা ৩১
ৰঙ্গিনীৰ বুদ্ধি পৃষ্ঠা ৩৯
দূৰৰ পাহাড় সদাই ধুনীয়া পৃষ্ঠা ৪৪
সচাঁকৈ জয় পৃষ্ঠা ৫২
ভেঁবা পৃষ্ঠা ৫৫
সহজ উত্তৰ পৃষ্ঠা ৫৮
স্বভাব পৃষ্ঠা ৬১

জ্ঞানপ্ৰদ ধাৰাবাহিক

স্বৰ্নসিংহাসন - ৬ পৃষ্ঠা ১৯

পুবনি ধাৰাবাহিক

মহাভাৰত - ৫২ পৃষ্ঠা ৪৫

ঐতিহাসিক ঘটনা বোৰ

ভাৰত - গাথা - ৫ পৃষ্ঠা ২৬
কাবেৰী নদীৰ তটভাগে - ৮ পৃষ্ঠা ৩৫
ভাৰত : তেতিয়া আৰু এতিয়া পৃষ্ঠা ৬২

বিশেষ আলোচনা

চাঁদমামাৰ সংবাদ পৃষ্ঠা ০৬
এটো মাহৰ জন্ম যাৰ পৃষ্ঠা ১৬
ভাৰত - আবিস্কাৰ প্ৰশ্নোত্তৰ পৃষ্ঠা ৬০
বিশ্বেৰ বাতায়নক পৃষ্ঠা ৬৪
ফটো নামাকৰন প্ৰতিযোগিতা পৃষ্ঠা ৬৬

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai–600 026. Editor: Viswam

এটো মাহৰ বিশেষ আকৰ্ষণ

অদ্ভুত পানীয় এটা (বেতাল কথা)

ভেঁবা

স্বৰ্নসিংহাসন

প্ৰকাশ কৰা !
পুৰস্কাৰ লোৱা !

চান্দমামা

Book Depot

সর্বোত্তম

উপহাৰ

আপনি আপনাৰ
প্ৰবাসী আত্মীয়
বন্ধ প্ৰিয়জন সকলৰ
বাবে ভাবিব পাৰে

চান্দামামা

পছন্দমত যিকোন
এটা ভাষাৰ বাতৰি টো
সিহঁতক দিয়ক আপোনি

অসমিয়া, বাংলা, ইংৰেজী, গুজৰাটি, হিন্দী, কানাড়ী, মালয়ালাম, মাৰাঠি, উড়িয়া, সংস্কৃত, তামিল এবং তেলেগু

ঘৰৰ পৰা বহু দূৰত যোনে
তেওঁলোকৰ আপোনাৰ স্নেহেৰ উষ্ণতাকে অনুভব কৰিব দিয়ক

মূল্য
বিমান ডাকে পৃথিবীৰ সৰ্বত্ৰ
বাৰটি সংখ্যা ৯০০ টকা
ভাৰতেৰ অভ্যন্তৰে সাধাৰণ ডাকে
বাৰটি সংখ্যা ১২০ টকা
আপনাৰ গ্ৰাহকমূল্য
ডিমান্ড ড্ৰাফ্ট বা মনি অৰ্ডাৰে পাঠিয়ে দিন
'চান্দমামা ইন্ডিয়া লিমিটেড'

প্ৰকাশন বিভাগ
চান্দমামা ইন্ডিয়া লিমিটেড
চান্দমামা বিল্ডিংস, বড়াপালানি, চেন্নাই - ৬০০ ০২৬

সম্পাদক
বিশ্বম
সম্পাদকীয় উপদেষ্টা
ৰাস্কিন বণ্ড
মনোজ দাস

প্ৰধান কাৰ্যালয়
চান্দমামা বিল্ডিংস
বড়াপালানি
চেন্নাই - ৬০০ ০২৬
ফোন: ৪৮৪১৭৭৮/
৪৮৪২০৮৭
ফাক্স: ৪৮৪১৭৭৮

মুম্বাই
২বি নাজ বিল্ডিংস
লামিংটোন ৰোড
মুম্বাই - ৪০০ ০০৪
ফোন: ৩৮৮৯৭৬৩-
৩৮৮৬৩২৪-৩৮৭৭১১০
ফাক্স: ৩৮৮৯৬৭০

আমেৰিকৰ জন্য: প্ৰতি সংখ্যা ২ ডলাৰ (ইউ.এস.)
বাৎসৰিক চাঁদা
২০ ডলাৰ (ইউ. এস.)

এই সংখ্যাৰ কোন গল্প বা লেখা চিত্ৰাঙ্কণ সম্পূৰ্ণভাবে প্ৰকাশৰ সত্বাধিকাৰী সেসবেৰ কোনৰকম ভাবে পুৰ্নমুদ্ৰণ বা প্ৰকাশ সম্পূৰ্ণ ভাবে আইনবিৰুদ্ধ। প্ৰকাশিত হলে তাৰ বিৰুদ্ধে আইনানুগ ব্যবস্থা গৃহীত হব।

সংস্থাপক : চক্ৰপানি, বি. নাগি ৰেড্ডি

ভাৰতৰ খোঁজ

পশ্চিমী দেশত বাস কৰা এজন ভাৰতীয় সংবাদ প্ৰকাশ হৈছে। তেওঁ তাঁৰ সৰু কালৰ পৰাই তাতে আছে, কাৰন তেওঁৰ মা আৰু দেউতা তাত গৈ থাকিবলৈ লয়। তেওঁ দুইবাৰ ভাৰতত আহিছিল। আৰু সেই সময়ত দেশৰ বাবে আকৰ্ষিত হৈ ওঠে। ভাৰতৰ উজ্জ্বল ঐতিহ্য বিষয়ে তেওঁ বহু পড়াশুনা কৰে, আৰু দেশক শ্ৰদ্ধা কৰিবৰ বাবে স্থিৰ কৰে। ভাৰতত আহি এই মহান দেশৰ সেৱাই নিজকে নিযুক্তকৰিব।

তেওঁৰ নিজৰ জীবনৰ বাবে বহু উপাৰ্জন কৰিছে, তেওঁৰ মা আৰু দেউতাৰ মৃত্যুকালত তেওঁৰ বাবে বহু সম্পতি ৰাখি থৈ যায় তাত। ভাৰতত তেওঁ সেৱা ও উন্নয়নমূলক কিবা কৰিবৰ বাবে আহে।

বিস্মৃত নহব কৰন তুমি ওই প্ৰদেশৰ অন্তৰ্ভুক্ত ওই প্ৰদেশই হব তোমাৰ কাৰ্যক্ষেত্ৰ। তেওঁ যেতিয়া ভাৰতৰ ৰাজধানীত আহে তেতিয়া তেওঁক কোৱা হয়। এই বোৰ কথা তেওঁ নিজৰ প্ৰদেশত যায় যোত তেওঁৰ ককাদেউতাহত আছিল তাত যোৱাৰ পিছত তেওঁক কোৱা হয়। সেই ঠাইৰ কথা যোত তাৰ পূৰ্বপুৰুষ হত আছিল। সেই ঠাইত যোৱাৰ পিছত তেওঁক কৈদিয়ে তেওঁ কোন ধৰ্মৰ মানুহ। আৰু কোন মন্ত্ৰদায়েৰ অন্তৰ্ভুক্ত। সুতৰাং তেওঁৰ অৰ্থ সম্পদক নিৰ্দিষ্ট সম্প্ৰদায়ৰ বাবেই খৰচ কৰিব।

তেওঁ ভাৰতক খুঁজি পোৱানাই, ভাবাকান্ত মনত এ দেশ এৰি গোছি যায়। তেওঁৰ গোটেই অৰ্থসম্পদ তেওঁ ইউনেস্কাৰ হাতত তুলি দি যায়।

কিন্তু আমালোক একশ কোটি ভাৰতিয় ভাৰত এৰি যাব নোৱাবো। তেনে হলে ইয়াৰ বিকল্প কি? আমালোকৰ বহু টকা পায়সা থাকিব আমালোকৰ সম্প্ৰদায়ৰ, আমাৰ ধৰ্ম বিশ্বাস আমাৰ অঞ্চল আৰু প্ৰদেশ - এৰ গণ্ডীবদ্ধ ভাবনাৰ পৰা এৰি আহাৰ, তেনেহলেই আমালোক হব পাৰিম সত্যিকাৰৰ ভাৰতীয়, এটোই কৰিব লাগিব। অন্যথায় আমালোকৰ ধ্বংশ বিনাশ।

বৰ্তমানত, কেবেটা নতুন প্ৰদেশৰ সৃষ্টি হইছে। কিছুমান মানুহ তাতেই সন্তুষ্ট নহয় কাৰন নতুন প্ৰদেশ হোৱাৰ কৰে তেওঁ লোক এটা ক দুটা শহৰ বা নগৰ হোবাৱাই কিন্তু কি কিবা লৈ লোৱা হল? কেন অঞ্চল ভাৰতৰ ভূখণ্ড পৰা ওলাই গৈ আছে নিকি? নতুন প্ৰদেশৰ সৃষ্টি অকল সৰ্বক্ষেত্ৰ অধিক সুবিধাৰ বাবে। যিমান ভাগ হব ভাৰতৰ ভূখণ্ড ভাৰততই থাকিব।

সময় আছিলে, আমালোক নিজকেই ভাৰতীয় বোলি ভাবিম। আৰু ভাৰতীয় ৰূপত কাম কৰিম।



চান্দমামাৰ সংবাদ

তোমাৰ নতুন বে-আইনী শত্রু

তোমাৰ বন্ধুৱে শ্ৰেনীলৈ চেলফোন নাইবা মবাইল ফোন আনি ব্যৱহাৰ কৰা দেখি তুমি তোমাৰ দেউতাক চেলফোন বা ম'বাইল ফোন কিনিবৰ বাবে শেষতীয়াকৈ অনুৰোধ কৰিছা নেকি। তোমাৰ এই প্ৰয়োজনক কেতিয়াও উদগনি নিদি তোমাৰ বন্ধুৰ শুভেচ্চা দিবা কিন্তু এই চেলফোন, ব্যবহাৰ কৰা অভ্যাসটো ত্যাগ কৰিবৰ বাবে পৰামৰ্শ দিবা। বৈজ্ঞানিক সকলে সন্দেহ কৰি যে শিশু সকলে এনেধৰনৰ ফোন ব্যৱহাৰ কৰাৰ ফালত স্বাস্থ্যৰ অৱনতি হোৱাৰ লগতে মগজুৰ টিউমাৰ হব পাৰে গৱেষনা চলি আছে, কিন্তু সমাধান হোবাটো দৰকাৰী। আচনতে এইবিলাক এটা অভ্যাস।



'মোনালিসা' - ৰ আড়ালে যোনে

পৃথিবীৰ শ্ৰেষ্ঠ অঙ্কিত চিত্ৰ 'মোনালিসা' চিত্ৰটো অঙ্কন কৰিছিল পঞ্চদশ শতকৰ ইটালীৰ শিল্পী লিওনাৰ্দৌ দ্য ভঞ্চি। পৃথিবীৰ সৰ্বকালেৰ সৰ্বশ্ৰেষ্ঠ শিল্পী লিওনাৰ্দৌ মানুহ ভবিষতেত কোন সময়ত আকশত উড়িব পাৰিব তেওঁ আগতিৱাকৈ দেখা পায়। তেওঁৰ তুলিৰ মাজেৰে ফুটি উঠিছিল উড়ন্ত-যন্ত্ৰ বা উড়া জাহাজৰ নক্সা।

তেওঁৰ সময়ত চিত্ৰশিল্পী হত বঙ্গৰ লগত নিজৰ দেহৰ ৰক্তআৰু মুখৰ লালা মিশ্ৰন কৰিছিল। এখন বিজ্ঞানী ও গবেষকগন ব্যস্তু হই পড়িছিল। লিওনাৰ্দৌৰ ডি এন এ ৰ শ্ৰেনী ওলিৱাৰ বাবে। তেওঁৰ ব্যক্তিত্ব সম্বন্ধে বহু কিৱা যানিব লোৱা যাব ডি.এন.এ. পৰা। আমি যেন এটোকে অপৰাধমূলক তদন্তৰ মত কৰি চলিছো। পুলিশী প্ৰক্ৰিয়া পদ্ধতি প্ৰয়োগ কৰি ফৰেনসিক বৈজ্ঞানিকৰ সাহায্য লৈ তুস্কানৰ লিওনাৰ্দৌ ইয়াৰ পৰিচালক মন্তব্য কৰিছিল।

মঙ্গল গ্ৰহলৈ ঘোৱা যাত্ৰী সকলৰ খাদ্দ্য

মহাকাশ গবেষক সকলে মঙ্গল মহাকাশত ঘিসকল যাত্ৰীয়ে মঙ্গল গ্ৰহলৈ ঘোৱাৰ পৰিকল্পনা কৰিছে তেওলোকৰ বাবে ঠাৱৰ কৰা হৈছে যে ইয়াক সফল কৰিবলৈ এহেজাৰ দিন লাগিব। গবেষনাৰ সিদ্ধান্ত মতে তেওলোকে নিৰামিষভোজী হব লাগিব। তেঁওলোকে বিলাহি, গাজৰ, গম, চয়া, আদিত্তৈকে ব্লেক বিন জস কীয়তেকৈ উৎকৃষ্ট জগতৰ খদ্দ্য নিবলাগিব। যিবিলাক ১৫টা গ্ৰহ মহাশূন্যস্থানও হ'ব পাৰে।

এই মাহত জন্ম যাৰ

ভাৰতৰ স্বাধীনতা যুদ্ধৰ প্ৰবাদ পুৰুষ বালগঙ্গাধৰ তিলক বা তিলক মহাৰাজজী ১৮৫৬ চনৰ ২৩ জুলাই তাৰিখে জন্ম গ্ৰহন কৰে। তেঁওৰ সহকামী অৰবিন্ধ ঘোষ এজন ভাৰতৰ জাতীয়তাবাদৰ পম প্ৰদৰ্শক আৰু এজন মহান ৰাজনীতিবিদ আছিল। তেও লোক উভয়ে লগ লাগি ভাৰতীয় জাতীয় কাংগ্ৰেচছত আমোল পৰিবৰ্ত্তন আনিছিল।

তিলক মহাৰাজজী মহাৰাষ্ট্ৰৰ ৰত্নগিৰিত জন্ম গ্ৰহন কৰিছিল। বালগঙ্গাধৰ তিলক এজন আইনজ্ঞ আছিল। কিন্তু তেও আইন ব্যৱসা নকৰি সমাজকৰ্মী আৰু সাংবাদিক হিচাবেহে নিজকে প্ৰতিষ্ঠা কৰিছিল। তেও, ইংৰাজী ভাষতে "মৰাঠী" আৰু মাৰাঠী ভাষাতে "কেশৰী" নামৰ দুখন শক্তিশালী আলোচনীৰ সমপাদনা কৰিছিল।

বাল গঙ্গাধৰ তিলক

মাৰাটা জাতিক দেশ প্ৰেম জাগৰিত কৰিবৰ কাৰনে তেও ১৮৯৭ চনত বীৰ শিবাজী স্মৃতি দিবস পালন কৰিছিল। সেই মসয়ত পোনেত, মহামাৰী প্লেগ বেমাৰে দেখা দিছিল। চৰকাৰী পক্ষই এই বেমাৰৰ নিবাৰনৰ কাৰনে কোনো ব্যবস্থা গ্ৰহন কৰাৰ পৰিবৰ্ত্তে জনসাধাৰনৰ ওপৰত অশেষ হাৰাসাস্থি আৰু অবমাননা কৰিছিল। এই ঘটনাই তিলক মহাৰাজ জীক ব্ৰিটিছৰ বিৰুদ্ধে তীক্ষ্ম সমালোচনা কৰিবলৈ বাধ্য কৰালে। যাৰ ফলত তেও কাৰাবৰন কতিবলগীয়া হৈছিল।

১৯০৭ চনত চুৰাটত ভাৰতীয় জাতীয় কাংগ্ৰেছৰ ঐতিহাসিক অধিবেশন বহিছিল। অৰবিন্দ ঘোষ আৰু তিলকৰ নেতৃত্বত বহুসংখ্যক প্ৰতিনিধিৰ এই অধিবেশনত ঘোগদান কৰিছিল আৰু ব্ৰিটৰ শাসন উফৰাই ভাৰতৰ পূৰ্ন স্বাধীনতাৰ দাবী উৎথাপন কৰিছিল। আন কিছুসংখ্যক নৰমপন্তী প্ৰতিনীধিয়ে এনে কঠিন দুঃসাহসিক পদক্ষেপৰ বাবে প্ৰস্তুত নাছিল। যাৰ ফালত কাংগ্ৰেছ বিভক্ত হৈ পৰিছিল। সক্ৰীয় কামী সকলৰ দ্বাৰা কাংগ্ৰেচৰ সেই অধিবেশন অব্যাহত আছিল আৰু সেই অধিবেশনৰ সভাপতি আছিল অৰবিন্ধ ঘোষ আৰু নিৰ্দিষ্ঠ ৰক্ষা আছিল বাল গংগাধৰ তিলক।

১৯১০ চলত শ্ৰী অৰবিন্দ পণ্ডিচেৰীলৈ যায় আৰু তিলক মহাৰাজজী ১৯২০ চনত মৃত্যুবৰন কৰে আৰু সেই বছৰতে ডিচেম্বৰ মাহত কাংগ্ৰেছ দলে ভাৰতীয় পূৰ্ন স্বাধীনতাৰ প্ৰস্থাব নাগপুৰ ত্যৰ্বিবেশনত গ্ৰহন কৰিছিল।

তিলক মহাৰাজজী এজন কেবল ৰাজনীতি বিদেই নাছিল। তেও এজন বিখ্যাত পণ্ডিতো আছিল। তেও তামৰ কাৰ্য্যব্লীৰ ভিতৰত গীতা ৰহস্য আৰু "দি অৰিয়ন" নামৰ দুখন গ্ৰন্থ ৰচনা কৰিছিল।

তিলকে কৈছিল "প্ৰতিটো কামৰ চৰম কলাকাল এক মহান অলৌকিক শক্তিয়ে নিয়ন্ত্ৰন কৰে। মাসো তাৰ বাবে সময়োচিত পদক্ষেত্ৰৰ প্ৰয়োজন যি উদেশ্যৰ বাবে মই নিজকে আত্মনিয়োগ কৰি চৰম নিৰ্য্যাতন ভোগ কৰিব লগীয়া হৈছে তাৰবাবে মই অত্ত্যন্ত গৌৰাবম্বত।

চান্দমামা

জুন ২০০০

উত্তৰ

১. তিৰুবল্লুবৰ আৰু বাসুকী

২. ক. ধৃতৰাষ্ট্ৰ গান্ধাৰৰ ৰাজকুমাৰী গান্ধাৰীক বিবাহ কৰিছিল।

খ. সাবিত্ৰী শাল্বৰ ৰাজকুমাৰ সত্যবানক বিবাহ কৰিছিল।

গ. সহদেবৰ মা মাদ্ৰী মদ্ৰদেশৰ ৰাজকুমাৰী আছিল।

ঘ. কৰ্ণক অঙ্গৰাজ্যৰ ৰজা ৰূপত প্ৰতিষ্ঠিত কৰা হয়।

ঙ. বভ্ৰুবাহন আছিল মনলুৰৰ ৰাজকুমাৰী চিত্ৰাঙ্গদাৰ গৰ্ভপাত অৰ্জুনৰ সন্তান কোৱা হয়। মনলুৰ ৰাজ্য মনিপুৰত আছিল।

৩. ১. কথাসৰিৎ সাগৰ

২. ধাৰানগৰী

৩. ভাস

৪. ভৰ্তৃহৰি - তিনি শৃঙ্গাৰ শতক নীতিশতক আৰু বৈৰাগ্য শতক - এৰ ৰচিয়িতা

৫. উত্তৰকাণ্ড

যানি লোৱা - ১. প্ৰশ্নোত্তৰ যি আহিছে এটাও সম্পূৰ্ন বা শুদ্ধ নহয়।

২. বেশিৰ ভাগ কাহিনীৰ উত্তৰত টিপ্পনী বা মন্তব্য লিখা হোৱা নাই।

৩. প্ৰশ্নোত্তৰ অংশগ্ৰহন কাৰী সকলৰ আগত অনুৰোধ প্ৰতিযোগিতাত ভাগ লোৱাৰ বিষয়ে নিয়মাবলী যেন অনুসৰন কৰা হয়। তেনেহলেই প্ৰতিযোগিতাৰ বাবে বিবেচ্য হব।

সৃজনশীলতাৰ প্ৰকাশ

চান্দমামা পাঠক-পাঠিকা সকলক আমন্ত্ৰন জনোৱা হ'ল তলত লিখা বিষয়ত কল্পনা আৰু বাস্তবক মিলাই নতুন কিবা কৰিবলৈ

আলোকচিত্ৰ

নামকৰন প্ৰতিযোগিতা

১. চিত্ৰ নামকৰন প্ৰতিযোগিতাৰ বাবে উঠি অহা চিত্ৰশিল্পি সকলে দুটা চিত্ৰ পঠাব পাৰে, এটা আনটোৰ লগত মি'ল থাকিব। চিত্ৰদুটাৰ বিষয়ে চিত্ৰশিল্পীৰ নিজা মন্তব্য অবশ্যে থাকিব চিত্ৰ দুটাৰ লগত।

দুটা চিত্ৰৰ বাবে

পুৰস্কাৰ ৫০০ টকা

যিকোনো সময়তে চিত্ৰদুটা পঠাব পাৰে।

২. পাঠক - পাঠিকা সকলে সিঁহতৰ নিজৰ জীবনৰ কোনো সচা কাহিনী অভিজ্ঞতা বা গল্প ১৫০-১৭৫ শব্দৰ মাজত লিখি পঠাব পাৰে। মনত ৰাখিব লাগিব, ৰচনা বা কাহিনী বেলেগ কোনো সাধু বা কাহিনীৰ লগত মিল নাথাকিব, কিন্তু ইয়াৰ মূল অৰ্থ হব তলৰ নীতি বাক্যৰ দৰে।

বৰ্তমান ৰচনা প্ৰতিযোগিতাৰ বাবে

নীতিবাক্য

''অশুভ হতে অশুভেৰই সৃষ্টি হয়''

পুৰস্কাৰ ৫০০ টকা

ৰচনা 'চান্দমামা' ৰ ওচৰত পাব লাগিব ৩০ জুলাই ২০০০ ৰ মাজত পুৰস্কৃত ৰচনা চান্দমামাৰ অহা আগস্ট ২০০০ সংখ্যাত প্ৰকাশিত হব।

বেতাল
কথা

অদ্ভুত পানীয় এটা

দৃঢ়ব্ৰতী ৰজা বিক্ৰমাদিত্য আকৌ উভতি আহি বৃক্ষশাখাৰ পৰা শব নমাই নিজৰ কান্ধত ৰাখি আগৰ দৰে মৌন হৈ শ্মশানাভি মুখত যাত্ৰা আৰম্ভ কৰে। তেতিয়া শবস্থিত বেতালে কৈ ওঠে, "এই ঘন এন্ধাৰত একোৱে দৃষ্টিত নাহে, তথাপি আপোনি আপোনাৰ লক্ষ্য পূৰনত দৃঢ় পদক্ষেপত আগবাঢ়ি গৈ আছে। যেন লাগিছে, আপোনাৰ কোনো নিৰ্ধাৰিত লক্ষ্য আছে আৰু পথৰ ভয়ংকৰ সহকঠৰ কোনো চিন্তা নকৰি সেয়া পূৰনৰ বাবে দৃঢ় নিশ্চিত হৈ আছে। আপোনাৰ লক্ষ্য পূৰনৰ বাবে হয়তো সহজ পথ আছে। কিন্তু সেয়া নিবিচাৰি আপোনি দুৰ্গম পথক আপোন কৰি লৈছে।

"ৰজাৰ প্ৰথম কৰ্তব্য হ'ল তেঁওৰ

শত্ৰু আৰু সিহতৰ ষড়যন্ত্ৰৰ বিষয়ে অনুসন্ধান কৰি জনা - তেঁও নিজ ৰাজ্যৰ অভ্যন্তৰত হব পাৰে। আকৌ ৰাজ্যৰ বাহিৰতও হব পাৰে। এজন ৰজা তেওঁৰ শত্ৰু আৰু সিহতৰ ষড়যন্ত্ৰৰ বিষয়ে জানিবলৈ এটা সহজ উপায় পোৱাৰ সুযোগ পায়। কিন্তু নিজৰ মূৰ্খতাৰ কাৰনে সেয়া হেৰুৱাই পেলায়। তেনেধৰনৰ একো হোৱা নাই তো যে আপোনিও আপোনাৰ বিবেকহীনতাৰ কাৰনে নিজৰ উদ্দেশ্যপূৰনৰ সহজ পথ এড়ি দিছা, আৰু তাৰ বাবে এতিয়া আপোনাক দুঃসাধ্য আৰু দুৰ্গম পথৰ অনুসৰন কৰিব লগা হৈছে। আপোনাৰ মনোৰঞ্জন আৰু শিক্ষাৰবাবে ৰজা মন্মথ ৰায়ৰ কাহিনী আপোনাক শুনাই আছো। তাতে পথ চলিবৰ যি কষ্ট আৰু পৰিশ্ৰম সেয়া কমিব। শুনা তেতিয়া হলে।"

বেতালে তেঁওৰ কাহিনী আৰম্ভ কৰে :

বহু বছৰ আগত কথা। কম্বোজৰ ৰজা মন্মথ ৰায়ৰ বিচিত্ৰ আৰু নতুন জিনিসৰ অপৰত বৰ আকৰ্ষন আছিল। যোনে এনে ধৰ নৰ বস্তু লৈ আনিছিল ৰজায় সিহতক স্বৰ্নমুদ্ৰা উপহাৰ দি ৰাজকীয় সন্মান জনাইছিল সেই কাৰনে দূৰ-দূৰ দেশৰ পৰা সদাই মানুহে নতুন আৰু বিচিত্ৰ বস্তু আনি ৰজাৰ ওচৰত আহিছিল আৰু সন্মান পাইছিল।

এদিনাখন ৰাজদৰবাৰত এজন বিচিত্ৰ আগন্তুক আহিল। তেওঁৰ গোটেই গাটো কোলা পোচাকেৰে আবৰি থকা। তেওঁৰ চকু যেন ভাবলেশহীন, মূৰত টাক, দাড়ি আছে। তেওঁৰ হাতত এখন সৰু কলহ।

ৰজা মন্মথ ৰায়ৰ আগত আহি তলমূৰ কৰি সেলাম জনাই নিজৰ পৰিচয় দি কলে, "মহাৰাজ, মই ভূত সকলৰ গুৰু কলহকেতুৰ প্ৰিয় শিষ্য গৰল ভোগী। বহুদিন ধৰি গুৰুক সেৱা কৰি এটা অদ্ভুত পানীয় প্ৰস্তুত কৰিছে। এয়া পান কৰাৰ পাছত মানুহৰ অভ্যন্তৰ লুকোৱা মানুহটো বাহিৰত প্ৰকাশ হৈ পৰে। অন্তৰত লুকাই থকা মানুহটোই আচল মানুহ।

আগন্তুকৰ পোচাক ৰজাৰ অদ্ভুত যেন লাগে। তেঁওৰ কথা শুনি ৰজায় আৰু চমকি ওঠে। আচৰিত হৈ সুধে, "মানুহৰ ভিতৰত আৰু এটা মানুহ, কি কৰবৈলে বিচাৰিছা তুমিয তেতিয়াহলে এজন মানুহৰ ভিতৰত দুজনকৈ মানুহ আছে? তোমাৰ কথা শুনি তেনেকুৱা লাগিছে।"

"হয় মহাৰাজ। প্ৰতিটো ব্যক্তি দুটা ৰূপ এট্ৰা বাহিৰৰ, আনটো ভিতৰৰ। এনেকুৱা বহুতো মানুহ আছে যোনবিলাকে দেখুৱাবলৈ কিৱা আচাৰ - আচৰন কৰে, কিন্তু অন্তৰ সিহতৰ বেলেগ কিবা কৰিব বিচাৰে। উদাহৰন স্বৰূপে আপোনাৰ দৰবাৰত এনেকুৱা কিছুমান মানুহ হয়তো আছে যোনে বাহিৰত আপোনাক বৰ ভক্তি প্ৰদৰ্শনৰ ভাব কৰে, কিন্তু ভিতৰত বৰ শত্ৰুভাব

পোষন আছে। এই পানীয়টোৰ প্ৰভাৱত ব্যক্তিৰ ভিতৰৰ ৰূপ, অৰ্থাৎ আচল ৰূপ ওলাই আহে।"

"আচৰিত।" ৰজায় বিস্ময় প্ৰকাশ কৰি কলে আকৌ, "ইয়াক প্ৰমান কৰিব পাৰিবা?"

"নিশ্চই মহাৰাজ। আপোনাৰ আগত দৰজাত যি প্ৰহৰী খাঁড়া হৈ আছে তাক দি পৰীক্ষা কৰক," আগন্তক কয়।

তেতিয়াই প্ৰহৰীক মাতে ৰজায়। আগন্তকে অনা পানীয় পান কৰা আদেশ দিয়ে। আগন্তকে তেঁওৰ কলহৰ পৰা অলপ পানীয় তাক পান কৰায়।

অলপ সময়ৰ মাজত প্ৰহৰীৰ ৰূপ-ৰঙৰ পৰিবৰ্তন হৈ আছে। ৰজাৰ আগত থিয় হৈ সি বেয়া আচৰন কৰিবলৈ আৰম্ভ কৰি দিয়ে, বেয়া ভাষা ব্যৱহাৰ কৰে। অলপদূৰত ৰজাৰ অংগৰক্ষক থিয় হৈ আছিল। তাক দেখি চকু ৰঙা কৰি চাই কলৈ, "এই প্ৰধান অংগৰক্ষক! ওচৰত অহা। সেইদিনাখন সকলোৰ আগত মোক অপমান কৰিছিলা। এতিয়া তাৰ উত্তৰ লোৱা।" বুলি কৈ তাৰ হাতৰ বশা প্ৰধান অংগৰক্ষকক লক্ষ্য কৰি মাৰে।

প্ৰধান অংগৰক্ষকে সহজেই নিক্ষিপ্ত সেই বৰ্শা ধৰি লয়। দৰবাৰৰ সকলোৱে সেই দৃশ্য দেখি স্তম্ভিত হয়। ৰজায় প্ৰধান অংগৰক্ষকক সুধে, "এইটো কি সঁচা নে, তুমি তাক অপমান কৰিছিলা?"

"অপমান নহয় মহাৰাজ। কেইদিনমান আগত এই প্ৰহৰীয়ে কৰ্তব্যপালনত মনদিয়া নাছিল। সেই ভূলৰ বাবে দণ্ডৰ বিধান অনুসৰি তাক দণ্ড দিছো।" প্ৰধান অংগৰক্ষক স্পষ্ট জনায়।

"তাৰ অৰ্থ এই প্ৰহৰীৰ মনত প্ৰধান অংগৰক্ষকৰ প্ৰতি এটা প্ৰতিশোধৰ জুই জলিছিল যি সেই পানীয়ৰ প্ৰভাৱত প্ৰকাশ হৈ পৰে।"

ৰজায় আগন্তুকক কলে।

"হয় মহাৰাজ। মোৰ এই পানীয় লুকাই থকা মানুহটোক বাহিৰত আনি দিয়ে। আপোনি ইয়াৰ সহায়তাত যি কোনো এজনৰ প্ৰকৃত ব্যক্তিত্ব বা ৰূপ কি জানিবলৈ সক্ষম হ'ব।" আগন্তকে কলে।

"সেই পানীয় সচাকে বৰ বিচিত্ৰ আৰু নতুনত্বত পূৰ্ন। এনেকুৱা অপৰিচিত বস্তু মই এতিয়ালৈকে দেখা নাই, কানতও শুনা নাই।" ৰজাই মনে মনে ভাবে।

প্ৰহৰীক বন্দী কৰিবলৈ আদেশ দিয়ে ৰজায় আৰু আগন্তকক আলহী ভৱনত সন্মানৰ সৈতে থাকিবলৈ ব্যৱস্থা কৰিবৰ আদেশ দিয়ে।

সেইদিনাখনই কোনো এটা সময়ত ৰজাক অকলে পাই প্ৰধান অংগৰক্ষকক কলে, "মহাৰাজ, মোৰ সন্দেহ যে প্ৰহৰীৰ লগত যুক্তি কৰি আগন্তুকে এনেধৰনৰ এটা তামাশা কৰিছে।

মই নিজে সেই পানীয়ৰ প্ৰভাৱৰ পৰীক্ষা কৰি দেখিবলৈ বিচাৰে। আপোনাৰ অনুমতি প্ৰাৰ্থনা কৰো, তাৰ লগত অলপ পানীয়ও মোৰ প্ৰয়োজন।"

"তোমাৰ বিচাৰ বেয়া নহয়। প্ৰথম ঘটনাৰ পিছত হয়তো কোনো যোগসংযোগ থাকিব পাৰে, আমাক একেবাৰে মূৰ্খ বনাই ধ্বংস কৰিব বিচাৰে। আন এজনৰ ওপৰত প্ৰয়োগ কৰি ইয়াৰ সঁচাটো জানিব পৰা যাব।" ৰজায় অলপ পানীয় আগন্তুকৰ পৰা আনি দিয়ে।

প্ৰধান ৰক্ষক পানীয় লৈ ৰাতি শিৱ মন্দিৰত আহে। তাত এজন সাধুই বহুদিন ধৰি আছে। তেতিয়া ধ্যানামনত বহি আছিল। ৰক্ষকে তেঁওক প্ৰনাম কৰি বিনয়ৰ লগত প্ৰাৰ্থনা জনায়, "মহাৰাজ, মই আজি কাশীৰ পৰা উভতি আহিছো তীৰ্থ সমাপ্ত কৰি। এই পাত্ৰত গংগাৰ পৱিত্ৰ পানী। আপোনি যদি গ্ৰহন কৰে তেতিয়াহলে মোৰ পুন্য অৰ্জন হব।"

সাধুই তেওঁক আশীৰ্বাদ কৰে, তেঁৱে দিয়া পানীয় পান কৰে। প্ৰধান ৰক্ষকে সাধুৰ ফালে চাই থাকে, সাধুৰ মাজত কি পৰিবৰ্তন আহে দেখিবলৈ বিচাৰে। হঠাৎ সাধুয়ে জপিয়াই ওঠে তেঁওৰ লাখুটি টো লৈ ৰক্ষকক মাৰিবলৈ আৰম্ভ কৰে। সেয়াই নহয়, ৰক্ষকৰ আঙুলিৰ পৰা সোনৰ আঙুটি আৰু ডিঙিৰ পৰা সোনৰ হাৰও কাঢ়ি লয়।

ৰাতিৰ পহৰাদাৰে শেষত আহি প্ৰধান ৰক্ষকক বচাঁয়, আৰু সাধুক বন্দী কৰে।

ৰজাক এই খবৰ পঠিয়ায়। ৰজায় বৰ হাঁহে প্ৰধান ৰক্ষকৰ দুৰ্গতিৰ কথা শুনি। হো হো কৰি হঁহাৰ পাছত তেঁওৰ মুখটো গম্ভীৰ হৈ ওঠে। "নাজানো, ৰাজ্যত এনেধৰ নৱ সাধুৰ বেশত কিমান অপৰাধী লুকাই আছে। এই পানীয়ৰ সহায়তাত সকলোৰ লুকোৱা চেহেৰাটো জনা যাব। এনেধবনৰ পানীয় উৎপাদনৰ বাবে লাখ লাখ মুদ্ৰা ব্যয়ৰ প্ৰয়োজন হলেও সেয়াও মই কৰিম।" মনে মনে চিন্তা কৰি থাকে।

সেই সময়ত ৰানীয়ে কক্ষত আহি সুমায়। ৰজায় সেই বিচিত্ৰ পানীয়ৰ কথা, সকলো কাহিনী ৰানীক কলে, "পানীয়ৰ সহায়তাত দুজন অপৰাধীক সকলো অপৰাধীক ধৰা সম্ভব হব পাৰে।"

এই পানীয়ৰ তেনেধৰনৰ বিশেষ প্ৰভাৱৰ কথা শুনি ৰানী আচৰিত হৈ যায় ঠিক, কিন্তু সম্পূৰ্নভাৱে বিশ্বাস কৰিব নোৱাৰে। "মই নিজে যেতিয়ালৈকে এইটো প্ৰমান কৰিব নোৱাৰো, তেতিয়ালৈকে মই মানি লব নোৱাৰো যে ইয়াৰ প্ৰভাৱত অপৰাধী হুতক ধৰা সম্ভৱ হব পাৰে। মই নিজেও প্ৰমান বিচাৰো।" ৰানীয়ে তাইৰ সন্দেহ প্ৰকাশ কৰে।

"যদি বিচৰা, তেতিয়াহ'লে নিজে ইয়াৰ

পৰীক্ষা কৰা। কিন্তু সাৱধান সতৰ্ক থাকিবা। প্ৰধান ৰক্ষকৰ দৰে তোমাৰও যেন তেনেধৰনৰ দুৰ্গতি যেন নহয়।" ৰজায় হাঁহি মুখেৰে ৰানীক কলে।

"হয় মহাৰাজ! সঁচাকে, মই সেফালে নিশ্চিন্ত হৈয়ে প্ৰয়োগ কৰিম। কিন্তু আপোনাৰ ওচৰত বিশেষ অনুৰোধ, মোৰ মতামত আপোনি যেতিয়ালৈকে জানিব নোৱাৰে, তেতিয়ালৈকে আপোনি এই বিষয়ত কোনো সিদ্ধান্ত গ্ৰহন নকৰিব।" ৰানীয়ে বিনীতভাৱে কিন্তু দৃঢ় স্বৰত জনায়।

"ঠিক আছে।" ৰজায় সম্পতি জনায় আৰু ৰানীৰ-বাবে অলপ পানীয় আগন্তুকৰ পৰা আনি দিয়ে।

ৰানীয়ে সেই পানীয় তাইৰ সবোতকৈ প্ৰিয় আৰু বিশ্বাসী পৰিচাৰিকা সুভাষিনীক পান কৰিবলৈ দিয়ে। পৰিচাৰিকাই সেই পানীয় পান কৰি অলপ সময়ৰ পাছতেই চিধা প্ৰাসাদৰ ৰান্ধাঘৰত যায়। তাত গৈ প্ৰধান পাচকক কলে, "যোৱাকালি পাৰিজাত ফুলৰ সুগন্ধী নিদি চামেলী ফুলৰ সুগন্ধী দি ৰানীক গা ধুৱাইছো। তাৰ বাবে ৰানীয়ে মোক বৰ বেয়া ভাবে অপমান কৰিছে। এই সময়ত পাৰিজাত ফুল পোৱা নগলে মোৰ গাত কি দোষ? কালিৰ অপমান মোৰ অসহ্য। ইয়াৰ প্ৰতিশোধ মই ল'ম। আজি তাইৰ আহাৰৰ লগত বিষ মিহলাই দিম। মই নিজে তাইৰ অহাৰ লৈ যাম, নিজৰ হাতেৰে তাইক খোৱাম।"

পাচকৰ লগত পৰিচাৰিকাৰ এইবোৰ কথা ৰানীয়ে লুকাই শুনে। চিন্তা কৰে, সেই পানীয় খোৱাৰ পাছতেই সুভাষিনীৰ ব্যৱহাৰত কিয় বিপৰীত পৰিবৰ্তন আহে। অথচ সুভাষিনীয়ে তাইক প্ৰানতকৈও অধিক মৰম কৰে।

ৰজায় এই খবৰ শুনিবলৈ পায় ৰানীৰ ওচৰত। তাৰপাছত ৰানীক কলে, "এতিয়া নিশ্চয়ই তোমাৰ সন্দেহ দূৰ হৈছে। এই পানীয়ৰ

প্ৰভাৱত তিনিজন বদমাশ ধৰা পৰিল। এতিয়া লাখ লাখ মুদ্ৰা ব্যয় হলেও এই পানীয় প্ৰচুৰ পৰিমানে প্ৰস্তুত কৰিব লাগিব আৰু মোৰ সকলো কৰ্মচাৰী, অধিকাৰী আৰু গন্যমান্য প্ৰজাসকলক এই পানীয় পান কৰাম। অনুসন্ধান চলাম কোন বেয়া আৰু কোন ভাল। বদমাশহতক কঠোৰ দণ্ড দিম। দুনিয়াত সকলোৱে জানিবলৈ পাব যে কম্বোজ ৰাজ্যৰ সকলো অধিবাসী ভালমানুহ। সকলো ঠাইত কম্বোজৰ কীৰ্তি যশ বিয়পি পৰিব।"

ৰজাৰ কথা ৰানীয়ে মনে মনে শুনে। তাৰপাছত কলে, "এতিয়াও সেই পানীয়ৰ ওপৰত মোৰ সন্দেহ আছে। সুভানিয়ে মোক তাইৰ প্ৰানতকৈও অধিক ভালপায়। তাইৰ মনত মোৰ প্ৰতি কোনো দুষ্টতা বা বেয়াচিন্তা থাকিব নোৱাৰে। সেইদিনাখনৰ ঘটনাত এইটো স্পষ্ট হৈ যায় যেতিয়া আপোনাৰ আগত তাই

ৰাজউদ্যানত মোক ৰক্ষা কৰে। আপোনি দেখিছে তো, নিজৰ জীৱনৰ আশা এড়ি গছৰ ওপৰ পৰা সাপটোক ধৰি কেনেকৈ দূৰত দলিয়াই মাৰিছে। সেয়া নকৰিলে মোৰ জীৱন সেইদিনাই গলে হয়।"

ৰানীৰ কথা শুনি ৰজাৰ মুখ গম্ভীৰ হৈ ওঠে। সোনকালে উঠি গৈ সংকেতধ্বনি বজাবলৈ আৰম্ভৰ কৰে। লগে লগে সন্য সকলে দৌড়ি আহে। ৰজায় আদেশ দিয়ে সিহতক, "এতিয়াই যোৱা আলহী ভৱনত। তাত যি আগন্তুক গৰলভোগী আছে তাক ধৰি আনি অন্ধকূপৰ মাজত পেলাই দিয়া।"

বেতালে কাহিনী সমাপ্ত কৰি কলে, "ৰাজন, গৰলভোগী নামেৰে আগন্তুকক অন্ধকূপৰ মাজত পেলোৱাৰ নির্দেশ দিয়া কি ৰজাৰ পক্ষত অবিবেচনামূলক কাম নহল নে ? সেই পানীয়ৰ সহায়তাত ৰজায় জানিবলৈ পাৰিল হয় কোনে বন্ধু হিঁতৈষী আৰু কোন তেঁওৰ শত্ৰু। জানিবলৈ পাৰিল হয়, কোনে চোৰ, কোনে আততায়ী, ৰাজদ্ৰোহী, সিহঁতক ৰজায় শাস্তি দিব পাৰিল হ'য়, বন্দী কৰিব পাৰিল হয়। তেঁৱে তেওৰ ৰাজ্যক অপৰাধী আৰু বদমাশ মুক্তকৰিব পাৰিল হ'য়। ৰাজদ্ৰোহী আৰু সমাজবিৰোধী সকলক ধৰিবলৈ ইমান সহজপথ আৰু সুযোগ থকা সত্ত্বেও ৰানীৰ কথা শুনিবলৈ পাই মুহূৰ্তৰ মাজত সেয়া হেৰুৱাই পেলায়। এয়া কি ৰজাৰ মূৰ্খতা আৰু বিবেকহীনতা নহয় নে? মোৰ প্ৰশ্নৰ উত্তৰ জনা সত্ত্বেও যদি আপোনি নীৰব থাকে তেন্তে আপোনাৰ মূৰ ফাঁটি ছিৰাছিৰি হৈ যাব।"

ৰজা বিক্ৰমাদিত্যই প্ৰশ্নৰ উত্তৰত কলে, "বিচিত্ৰ আৰু অপৰিচিত বস্তু দেখা পাই ৰজাই ইমান মুগ্ধ হৈ গৈছিলে যে ইয়াৰ অপ্ৰত্যক্ষ আৰু সূক্ষ্ম দুষ্টভাৱ দেখিবলৈ পোৱা নাছিল। বস্তুখিনিৰ প্ৰতি আকৰ্ষনৰ ফলত অন্ধ হৈ গৈছিল ৰজাই। সেই কাৰনতেই, পানীয়েৰ বাহ্যিক প্ৰভাৱ দেখিৱলৈ পাই ইমান মোহিত হৈ যায়। ভূত সকলৰ গুৰুৰ শিষ্য গৰলভোগীৰ সম্বন্ধে অলপও চিন্তা কৰা নাছিল যে আগন্তুক গৰলভোগীও এটা ভূত আৰু তেওঁৰ ৰাজ্যক বদমাশ আৰু অপৰাধী সকলক পূৰ্ন কৰিবৰ বাবেই ই আহিছিল। পানীয়ৰ ওপৰত ৰানীৰ সন্দেহ জনাৰ পাছতেই এই মৰ্ম ৰজাই গ'ম পালে যে ভালমানুহক সেই পানীয় চয়তান বনাই দিয়ে। তাৰবাবেই আগন্তুকক কঠোৰ শাস্তি দিয়াৰ সিদ্ধান্ত বৰ বিবেচনাপূৰ্ন হৈছে আৰু সঠিক পদক্ষেপ হৈছে।"

ৰজাৰ মৌনতা ভংগত সফল হোৱাৰ পাছতেই বেতালে শবৰ লগত নাইকিয়া হৈ গৈ আকৌ আগৰ গছ জোপাত আশ্ৰয় লয়।

(কল্পিত)

এটকাত

কানাই গাঁওৰ এজন সৰুসৰা ব্যৱসায়ী। ব্যৱসায়ৰ প্ৰয়োজনত তেঁও এদিনাখন চহৰত গৈছে। সকলো কাম শেষ কৰি তাৰ পাছত এটা ভোজনালয়ত যায় খাবলৈ। তাত সিহতৰ গাঁওৰ শংকৰৰ লগত লগ হয়।

"ভালেই হ'ল আপোনাৰ লগত ল'গ হ'ল। একে লাগে গাঁওত উভতি যাম।" শংকৰৰ কান্ধত হাত ৰাখি কানাইয়ে কলে। কানাইক পাই শংকৰও বৰ খুচি হ'ল।

দুজনে ভালদৰে আহাৰ কৰাৰ পাছত টকা দি ওলাই আহে।

ভোজনালয়ৰ এজন কৰ্মচাৰী সেই সময়ত দৌড়ি সিহতৰ পিছফালে আহি কলে, "আপোনি আপোনাৰ বেগটো পাহৰি তাত থৈ আহিছিলে। এই লওক।" কানাইৰ ফালে বেগটো অগবঢ়াই দিয়ে।

বেগটো কানাইয়ে কান্ধৰ ওপৰ ৰাখি পকেটৰ পৰা এটকা উলিয়াই সেই কৰ্মচাৰী জনক দিয়ে। কৰ্মচাৰীজনে নমস্কাৰ জনাই তাৰপাছত উভতি যায়।

"বেগটো ঘুৰাই পাই কৰ্মচাৰীজনক এটকা তুমি কিয় দিলা? পঞ্চাচ পইচাই যথেষ্ট আছিল।" শংকৰে ক'লে।

বেগটো হাতত লৈ ভালদৰে চাই তাৰপাছত কলে, "এনেধৰনৰ এটা দামী বেগ এটকাত পাই গলো। এইটো কি ভাল সওদা নহ'লনে ?"

শংকৰে অচৰিত হৈ কানাইৰ ফালে চাই থাকে।



চতুৰক্ষ

কৃষ্ণপুৰৰ জমিদৰ এদিনাখন অশ্ব আৰোহন কৰি গাঁওৰ বাহিৰত কৰবাত ফুৰিবলৈ গৈ আছিল। পথত এটা ঝোপৰ কাষত এজনী মাইকী কুকুৰে, চাৰিটা পোৱালী কুকুৰক গাখীৰ খোৱাই আছে সেই দৃশ্য জমিদাৰক বৰ আনন্দ দিয়ে। এজন কৃষকে তেওৰ গৰু গাড়ীৰে সেই পথেৰে বিপৰীত ফালৰ আহি আছিল। আগত অশ্বাৰোহনত জমিদাৰক অহা দেখি কৃষকে ভয় খাই যায়। জমিদাৰক পথ দিয়াৰ বাবে ভয়ত গৰুৰ গাড়ীটোক তলত পথাৰও নমাবলৈ বিচাৰে। পথাৰৰ মাজত গৰ্তিত গাড়ীখন পৰাৰ পাছত ইয়াৰ ভাৰ ৰাখিব নোৱাৰি গাড়ীখন গৈ কুকুৰ আৰু কুকুৰৰ পোৱালীবোৰৰ ওপৰত পৰিলে। তিনিটা কুকুৰৰ পোৱালী তেতিয়াই মৰি গ'ল। অলপসময় মাইকী কুকুৰজনী ছটফটাই আৰু চীঞৰী স্তব্ধ হৈ পৰে। এটা মাত্ৰ জীৱিত পোৱালীক কোলাত তুলি লৈ জমিদাৰে উভতি আহে। ভায়েকে হাতত দি সিটোক সাবধানেৰে ডাঙৰ দীঘল কৰিবলৈ ক'লে।

জমিদাৰৰ ঘৰত সেই সময়ত পুৰোহিত উপস্থিত আছিল। তেঁও কুকুৰৰ পোৱালীটোক দেখি কয়, "চৰকাৰ, ইয়াৰ চকুৰ তলত আৰু ওপৰত দুটাকৈ চাৰিটা বিন্দু দেখিবলৈ পোৱা গৈ আছে। এনেধৰনৰ চাৰিটা বিন্ধু থকা কুকুৰক 'চতুৰক্ষ' কোৱা হয়। প্ৰাচীনকালত, এনেধৰনৰ কুকুৰক অশুভ বুলি ভৱা হৈছিল। আকৌ অশ্বমেধ যজ্ঞ উপলক্ষত দিগ্বিজয় যাত্ৰাৰ আগত টো মুষল দি মাৰি এনেধৰনৰ কুকুৰক মাৰিছিল। তাৰবাবে, মোৰ বিচাৰত ইটোক পালন কৰা শুভ নহব আপোনাৰ পক্ষত।"

জমিদাৰে তেতিয়া হাঁহি পুৰোহিতক কলে, "কোৱা হয়, প্ৰাচীন কালত চকু সূৰ্যক, মন চন্দ্ৰক, কান দিকগনক, জীবাত্মা পখিলাক আৰু দেহৰ পাঁচ প্ৰান বায়ুদেবৰ ওচৰত সমপৰ্ন কৰাৰ বাবে ছাগলী অথবা আন কোনো জন্তু সোমযক্ষত অথবা অশ্বমেধ যক্ষত বলি দিয়া হৈছিল। আপোনি যি এতিয়া ক'লে, সেয়া অনুসৰি চতুৰক্ষ পাপ আৰু অশুভৰ চিহ্ন বুলি

মান্য কৰা হয় আৰু কোনো শুভকামত যাত্ৰাৰ আগত মুষল দি মাৰি মাৰি তাক মাৰি পেলোৱা হ'ব। কিন্তু মই ইটোক কেনেকৈ হত্যা কৰো। ইটোৰ মাক আৰু আন তিনিটা পোৱালী মৰিছে আমাৰ বাবেই। এই অসহায় জীৱটো মোক কি কৰিছে? ইয়াৰ লগত মই নিষ্ঠুৰ ব্যৱহাৰ কৰিব নোৱাৰিম।

"আপোনি এজন পুৰোহিত। শাস্ত্ৰজ্ঞানী আপোনি। দুখীয়া দুষ্ট জীৱ সকলৰ প্ৰতি দয়া কৰা তো শাস্ত্ৰত বৰ মহান পুন্য কৰ্ম বুলি ভৱা হৈছিল। আৰু সকলোৱে জানে আৰু মান্য কৰে যে মানুহে মানুহৰ প্ৰতি বিশ্বাসঘাতকতা সদাই কৰে, কিন্তু পশু কেতিয়াও বিশ্বাসঘাতকা নহয়।"

পুৰোহিত একো কব নোৱাৰে। কুকুৰটোৰ নাম হৈ যায় চতুৰক্ষ। ইয়াক ভালদৰেই ডাঙৰ দীঘল কৰা হয়। এবছৰত দেখাত বৰ ধুনীয়া হৈ গৈছিল। জমিদাৰ ঘৰৰ য'ত তত কুকুৰটো যায়, ইয়াৰ বাবে সকলো দুয়াৰ মেল খোৱা। জমিদাৰৰ ঘৰ, দৰবাৰ, বাগিচা, সকলো ঠাইত ইটো নিজৰ ইচ্ছামতে নিৰ্ভয়ত ঘুৰি ফৰে। কেতিয়াবা জমিদাৰৰ দৰৱাৰত গৈ ঠিক তেখেতৰ কাযত গৈ বহে। সদায় সতৰ্ক, দৰবাৰত কিমান মানুহ অহাযোৱা কৰি আছে, সকলোকে লক্ষ্য কৰে। সন্দেহ হলে চীঞৰে। দৰবাৰৰ সকলো কৰ্মচাৰী চতুৰক্ষক ভালপায়, আনকি ওচৰচুবুৰীয়াৰ মানুহেও ইয়াক ভাল পায়। তাত যিমান কেচুৱা বা সৰু সৰু লৰাছোৱালী, সকলোৰে বন্ধু হৈ পৰে। আকৌ বৃদ্ধ সকলকো সাহায্য কৰে। অকল পুৰোহিতে ইয়াক সহ্য কৰিব নোৱাৰে। যিমান ইয়াক দেখে তিমানেই তেঁওৰ খং ওঠে, কিন্তু একো কৰিব নোৱাৰে। হতাশ হৈ অকল ক্ৰোধক দমাই ৰাখে। চতুৰক্ষৰ প্ৰতি তেওঁৰ ক্ৰোধ দেখি মানুহে হাঁহে।

এদিনাখন চতুৰক্ষয় চিধা পুৰোহিতৰ ঘৰত আহি সুমায়। জমিদাৰ ঘৰৰ কুকুৰ, জমিদাৰ নিজে কুকুৰটোক মৰম কৰে, সেই কাৰনতে

ইটোক ঘৰৰ পৰা উলাই দিব নোৱাৰে, মাৰা তো দূৰৰ কথা। তাৰপাছত পৰা কুকুৰটো পুৰোহিতৰ ঘৰৰ চোতালত আহি শুই থাকে, পুৰোহিত য'ত যায় চতুৰক্ষও তেঁওৰ পিছে পিছে যায়। পুৰোহিতে সহ্য কৰিব নোৱাৰে, বৰ দুখ হয় তেঁওৰ। "প্ৰাচীনকালত অশ্বমেধ যজ্ঞৰ ঘোড়া নিজৰ ইচ্ছানুসৰি চৰিওফালে ঘুৰি ফুৰিছিল। আৰু এতিয়া ইটো মোৰ পিছে পিছে ছায়াৰ দৰে নিজৰ ইচ্ছানুসৰি ঘুৰি ফুৰিছে। মইতো কোনো যাগযজ্ঞ কৰা নাই যে মোৰ পিছে পিছে আহি আছে।"

এদিনাখন ৰাতিপুৱা পুৰোহিতে তেঁওৰ পালংৰ ওপৰত শুই আছিল তেতিয়া তাত তেঁওৰ ওচৰত আহি জোৰে চীঞৰীবলৈ আৰম্ভ কৰে চতুৰক্ষই। 'ছি! ছি!' কৰি জপিয়াই ওঠে পুৰোহিতে, তেতিয়াই কুকুৰটোক লাখুটিৰে কোৱাবলৈ মন গ'ল। পালংৰ পৰা নামিবলৈ যাব। হঠাৎ তেঁও দেখিবলৈ পায়, চতুৰক্ষই

খিৰিকিৰে চাই জোৰে চিঞৰীবলৈ আৰম্ভ কৰিছে। আনফালে মুখটো লৰোৱা নাই। পুৰোহিতে খিৰিকিৰ ফালে দেখে। দেখিয়েই ভয়ত কঁপি ওঠে। খিৰিকিৰ ওপৰত এটা সাপ খনা তুলি হিসহিস কৰি আছে। সেই সাপটোক দেখি যেন পুৰোহিতৰ বুকুৰ ভিতৰত ধুকফুক বন্ধ হৈ আহে। অলপ সময় পাছত সাপ, সাপ কৰি চীঞৰীবলৈ আৰম্ভ কৰে। তেঁওৰ চিঞৰ বাখৰ শুনি মানুহ কেইজনমানে দৌড়ি আহে, সাপটোক মাৰে।

পুৰোহিতৰ মনত পৰে, এদিনাখন পুখুৰীৰ পৰা গাধুই ঘৰলৈ অহাৰ সময়ত ৰাতিপুৱাৰ এন্ধাৰত দেখিবলৈ পোৱা নাই, সাপৰ মূৰত ভৰি ৰাখিছিলে। সাপটোৰ মূৰত আঘাত লাগিলেও সেইসময়ত দংশন নকৰি গুচি যায়। দৰবাৰৰ সকলোৱে এইকথা শুনিবলৈ পাই তেঁওক সাবধান কৰি কলে যে, সেই আঘাতপোৱা সাপটো যিকোনো সময়তে আহি আঘাতৰ প্ৰতিশোধ লবই। কিন্তু মন্ত্ৰশক্তিৰ ওপৰত সম্পূৰ্ন ভৰসা থকাৰ ফলত সিহতৰ সাবধানৰ কোনো মূল্য নিদিয়ে, কথা বোৰ কানত নিদিয়ে।

পুৰোহিতৰ আৰু মনত পৰে যে, সেইদিনাখনৰ পৰাই চতুৰক্ষ তেঁওৰ ঘৰত আহে, ঘৰৰ চাৰিওফালে ঘুৰি ফুৰিবলৈ আৰম্ভ কৰে। আৰু সকলো সময়তে তেঁওৰ পিছে পিছে ঘুৰি ফুৰে ছায়াৰ দৰে। তেতিয়া তেওঁৰ বিশ্বাস হয় যে, অবশ্যই সাপৰ হাতৰ পৰা বঁচাবলৈ কে চতুৰক্ষই সদায় তেঁওৰ পিছে পিছে ঘুৰি ফুৰিছে। যদি ইটোৱে তেঁওক টোপনিৰ পৰা নুঠালে হয় তেন্তে নিশ্চিন্ত, সাপটোৱে তেঁওক দংশৰন কৰিলহেতেন। চতুৰক্ষই তেঁওক মৃতুৰ হাতৰ পৰা বঁচালে। কুকুৰটোৰ প্ৰতি কৃতজ্ঞতাত পুৰোহিতৰ অন্তৰ ভৰি ওঠে।

সাপটোক মৰাৰ পাছত সকলোৱে গুচি যায়। তেতিয়া পুৰোহিতে চতুৰক্ষক ধৰি মৰম কৰি ক'লে, "শাস্ত্ৰই কয়, সকলো জীৱৰ প্ৰতি প্ৰেম করুনা ভাৱ ৰাখিম। মই শাস্ত্ৰজ্ঞ পণ্ডিত হৈও এই সঁচাটো পাহৰি গৈছিলো। তুমি এটা মূক পশু, তোমাৰ প্ৰতি মই সদায় ঘৃনাভাৱ ৰক্ষা সত্বেও সংকটৰ সময়ত মোক তুমি ৰক্ষা কৰিছা। তোমাৰ এই শিক্ষা সদায় মই মনত ৰাখিম। ভাল শিক্ষা তুমিই মোক শিকালা।"

পুৰোহিতে নিজে ইয়াক সেইদিনাখন খোৱাই দিয়ে।

জমিদাৰ যেতিয়া এই ঘটনা জানিবলৈ পায় তেতিয়া পুৰোহিতক কলে, "আপোনাৰ অশুভ এই চতুৰক্ষই আজি থাকিলে আপোনাক কোনেও ৰক্ষা কৰিব নোৱাৰিলেহে তেন।"



স্বৰ্ন-সিংহাচন

৬

(আগত যি ঘটিছে : হৈহয় বংশৰ কৌণ্ডিন্য ৰজা পৌৰস্বত দক্ষিণৰ সকলো ৰাজ্য এটা বিশাল সাম্রাজ্যৰ স্থাপনা কৰে। তেখেতৰ মৃত্যুৰ পাছত সাম্রাজ্য ভাঙি যায়, সকলো ৰাজ্য স্বধীন হয়।কালিন্দীৰজা মাধব সেন আছিল কৌণ্ডিন্যৰ মিত্রৰ সমান। কিন্তু চম্পক-ৰজা মৰালভূপতি মাধবসেন আৰু কুন্দদেশৰ ৰজাক নিজৰ দলত আনি কৌণ্ডিন্য ৰাজ্য আক্রমনৰ ষড়যন্ত্র কৰে। মাধবসেনে তেখেতৰ কন্যা শ্রীলেখাৰ বিয়া মৰালভূপতিৰ পুত্রৰ লগত দিব বিচাৰে। কিন্তু শ্রীলেখা কৌণ্ডিন্যৰ ৰাজকুমাৰ বিজয়দত্তক বিয়া কৰিব বিচাৰে। তাই পলাই কৌণ্ডিন্য ৰাজ্যত গুচি আহে। বিজয়দত্তৰ লগত গন্ধৰ্বৰীতিত বিয়া হয়। ৰাজগুৰু শিবানন্দৰ আদেশত কৌণ্ডিন্য ৰজা শ্রীদত্ত ৰাজপ্রসাদৰ ওচৰত মাটি খাদি এটা স্বনসিংহাচন পায়। সেই স্বৰ্ন-সিংহাচনৰ ৰক্ষক আছিল এটা সৰ্প বা সাপ। বিজয়দত্ত সাপৰ প্রশ্নৰ সঠিক উত্তৰ দি তাক জয় কৰে। ৰাজ্যাভিষকৰ সময়ত সি স্বৰ্নসিংহাচনত বহিবঁলৈ যাব, তেতিয়া প্রথম ধাপৰ মূৰ্তি বাধা দি কলে তাৰ প্রশ্নৰ সঠিক উত্তৰ দিয়াৰ পাছতেই সি আগবাঢ়ি যাব পাৰিব। প্রথমতে মূৰ্তিটো বিজয়দত্তক এটা কাহিনী শুনাব, তাৰ পৰা কেইটামান প্রশ্ন কৰিব। সঠিক উত্তৰ হ'লে তেতিয়াই দ্বিতীয় ধাপত যাব পাৰিব। সঠিক উত্তৰ দিব নোৱাৰিলে স্বনসিংহাচন অদৃশ্য হৈ যাব। কাহিনী অনুসৰি এজন মূৰ্খ আৰু অত্যাচাৰী ৰজা কালকেতুৰ শাসনত প্রজসকলৰ অৱস্থা অসহনীয় হৈ উঠিলে এজন প্রাক্তন সেনাধক্ষ আৰু দেশহিতৈষী ওচৰচুবুৰীয়া ৰাজ্যৰ ৰজা চন্দনবৰ্মক সেই সংকটৰ পৰা উদ্ধাৰৰ বাবে এখন পত্র লিখে। তাৰ পাছত...)

প্রাক্তন সেনাধ্যক্ষ বুঢ়া শ্রী মল্লৰ চিঠি পাই চন্দনবৰ্মাই তেঁওৰ গুপ্তচৰসকলৰ মাধ্যমত জানিব বিচাৰে সেই ঠাইৰ পৰিস্থিতি কেনেকুৱা। যেতিয়া জানিবলৈ পাৰিলে যে, অৱস্থা। সঁচাকে বেয়া, তেতিয়া ত্রিপুৰান্তক ৰাজ্য আক্রমন কৰি সহজে জয় কৰে।

চন্দনবৰ্মাই সেইঠাইৰ সিংহাচন অধিকাৰ কৰি ৰাজপ্রসাদৰ পৰা ৰানী আৰু পৰাজিত ৰজাই কালকেতুক উলিয়াই দিয়ে, ৰাজ্যৰ সীমানাত এটা বাগিচা থকাৰ আদেশ দিয়ে। চিত্রৰথক গ্রেপ্তাৰ কৰিবলৈ তেঁওৰ সৈন্যসকলক নিৰ্দেশ দিয়ে। সৈন্যসকলে

সকলো নগৰ ৰাজ্য অনুসন্ধান কৰিও তেঁওক নেপায় । ৰাজ্যৰ প্ৰজাসকলক সুধে কিন্তু সকলোৱে উত্তৰ দিয়ে যে চিত্ৰৰথৰ বিষয়ে সিহঁতে একোৱেই নেজানে ।

চন্দনবৰ্মাই ৰজা হোৱাৰ পাছত ত্ৰিপুৰান্তক ৰাজ্যত আৰু কোনো ঘটনা ঘটা নাই, কোনেও ঘটিবলৈ দেখাও নাই।

"মই শুনিছো, আপোনি এই ৰাজ্য আক্ৰমন কৰিবৰ আগতেই তেঁওৰ বেমাৰ হৈছিল । প্ৰজাসকলৰ বাবেও তেঁও বৰ প্ৰিয় আছিল । তেঁওই আছিল প্ৰজাসকলৰ একমাত্ৰ হিতৈষী, ৰক্ষক আৰু সেই কাৰনেই প্ৰজাসকলে তেঁওৰ ওচৰত ঋনী হৈ আছে। হব পাৰে, কৃতজ্ঞতাৰ বশবৰ্তী হৈ অথবা আনকিবাৰ ভয়ত প্ৰজাসকলে তেওক কোনো ঠাইত লুকাই ৰাখিছে ।" চিত্ৰৰথৰ সম্পৰ্কে প্ৰাক্তন সেনাধ্যক্ষই তেঁওৰ মত জনায় চন্দনবৰ্মাৰ ওচৰত ।

চন্দনবৰ্মাই ভাবে চিত্ৰৰথৰ যদি বেমাৰ হৈ থাকে তেন্তে কোনোৱা বৈদ্যই তেঁওক চিকিৎসা কৰিছে। তাৰবাবে তেঁও আদেশ দিয়ে, ৰাজ্যৰ সকলো বৈদ্যৰ ওপৰত যেন নজৰ ৰখা হয় ভালদৰে।

এদিনাখন ৰজাৰৰ ওচৰত এটি সংবাদ আহে, অশ্বমুখ নামেৰে এজন প্ৰসিদ্ধ বৈদ্যই কোনোৱা এজনৰ চিকিৎসাৰ বাবে কোনো ৰহস্যময় ঠাইত যায়। সেই বৈদ্যক মাতি আনা হয়, ৰজাই তেঁওক কিবাকিবি সুধে। প্ৰথমতে বৈদ্যই বৰ ভয় খাই যায়। কিন্তু পাছত কয় যে, তেঁও চিত্ৰৰথৰ বিষয়ে একোৱেই নেজানে আৰু লুকাই লুকাই তেঁওৰ চিকিৎসাও কৰা নাই।

ৰজাই গ'ম পালে যে বৈদ্যই মিছা কৈ আছে, তথাপি তেঁওক যাবলৈ অনুমতি দিয়ে।

পাছদিনাখন চিত্ৰনেমি নামেৰে এজন উচ্চ পদস্থ অধিকাৰী য়ে ৰজাৰ লগত ৰাতি আহে লগ কৰি ক'লে, "মহাৰাজ, যোৱাকালি ৰাতি মই অশ্বমুখ বৈদ্যক অকলে কৰবাত যোৱা দেখা পাই মনে মনে তেঁওৰ অনুসৰন কৰো। এতিয়া মই জানিবলৈ পাৰিছো চিত্ৰৰথে ক'ত থাকে। বৈদ্যই তেঁওক চিকিৎসা কৰিবলৈ গৈ আছিল। এই কথাখিনি শুনাৰ পাছত চন্দনবৰ্মাই সৈন্যসকলক লগত লৈ তাত গৈ চিত্ৰৰথক বন্দী কৰি আনে।

ৰাজপ্ৰাসাদৰ এটাফালে চিত্ৰৰথক ৰখা হয়।

ৰাজবৈদ্যই তেওঁৰ চিকিৎসা কৰে আৰু তেঁও ভাল হৈ উঠাৰ পাচত তেঁওক ত্ৰিপুৰান্তক ৰাজ্যৰ এক সামন্ত ৰাজা হিচাপে ঘোষনা কৰা হয়।

এক সপ্তাহৰ পাছত চন্দনবৰ্মাই প্ৰজাসকলৰ আগত প্ৰাকাশ্যে উচ্চপদস্থ সেই অধিকাৰী চিত্ৰনেমিকক চাবুকেৰে মৰাৰ ব্যৱস্থা কৰি ঘোষনা কৰে, ভৱিষ্যতত যোনে অনৈতিক কাম কৰিব তাক তেনেধৰনৰ কঠোৰ দণ্ড দিয়া হব।

ৰজাই আৰো ক'লে, "চিত্ৰৰথ দুখীয়া প্ৰজাসকলক সহায়তা কৰিছিল। তাৰবাবে তেঁও প্ৰজাসকলক মৰম কৰিছিল আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ উঠিছিল। তাৰবাবেই মই তেঁওক ইয়াৰ সামন্ত ৰজাৰ আসনত বহুৱাও। তেঁওৰ উদ্দেশ্য লক্ষ্য আছিল মহান, আৰু সেই উদ্দেশ্য সাধনৰ বাবে তেঁওক অবশ্যে অলপ অনৈতিক পথ লব লগা হৈছে। তাৰবাবে এই অপৰাধৰ প্ৰায়শ্চিত্তৰ বাবে তেঁওক চিত্ৰৰথ দেবৰ মন্দিৰত সেৱকাৰ কাম কৰিব লাগিব আৰু একাদশীৰ দিনা মন্দিৰ জাডু মাৰি পৰিষ্কাৰ কৰিব লাগিব। এয়াই হ'ল তেঁওৰ অপৰাধৰ শাস্তি।"

প্ৰথম ধাপৰ মূৰ্তিটোৱে কাহিনী সমাপ্ত কৰি ক'লে, "হে ভাৱী মহাৰাজ বিজয়দত্ত। চিত্ৰৰথে ক'ত আত্মগোপন কৰিছিল, সেই ৰহস্য অকল চিত্ৰনেমিয়ে জানিব পাৰে, ৰজাৰ আগত প্ৰকাশ কৰে। সকলো প্ৰজা আৰু মহান বৈদ্য অশ্বমুখও সেই ৰহস্য জানিছিল, কিন্তু সঁচাটো জানিও সিহঁতে মিছাকে কৈছে। অকল চিত্ৰনেমিয়ে সচাকে কৈছে আৰু তাৰবাবেই চন্দনবৰ্মাই তেওঁক শাস্তি দিয়ে, অথচ মিছাকে

যোনে কৈছে সিহতক কোনো শাস্তি দিয়ানাই। অপৰাধী চিত্ৰৰথক দেশৰ সামন্ত ৰজা কৰি দিয়ে। চন্দনবৰ্মাৰ দৃষ্টিত সঁচা-মিছাৰ মানদণ্ড কি আছিল ? সঁচাকে যোনে কৈছে তেঁওক দণ্ড দিয়াৰ বাবে কি কোনো অন্তৰ্নিহিত সূক্ষ্মধৰ্ম লুকাই আছে। যদি থাকে, তেন্তে কি সেয়াই ধৰ্ম? এই প্ৰশ্নৰ উত্তৰ দিব পাৰিলে তেন্তে তুমি সোপানৰ প্ৰথম ধাপত ভৰি ৰখাৰ অধিকাৰী হবা। নহ'লে তোমাৰ চকুৰ আগতেই এই স্বৰ্নসিংহাচন অদৃশ্য হৈ যাব।"

বিজয়দত্তই ক'লে, "হে মূৰ্তি! আপোনাৰ কাহিনীৰ ধীৰোদাও নায়ক চন্দনবৰ্মাৰ সকলো আচৰতন আৰু নিৰ্নয় ৰাজ-ধৰ্মানুসাৰত হৈছে আৰু এটা সামৰ্থ্যবান আৰু আদৰ্শ শাসকৰ অনুৰূপ হৈছে। ৰাজ্যৰ যেতিয়া বৰ বেয়া

অৱস্থা তেতিয়া চিত্ৰৰথে অসহায় দুখীয়া প্ৰজাসকলক সাহায্য কৰিছে। ৰজাৰ অত্যাচাৰ আৰু অন্যায়ৰ পৰা ভয় পোৱা প্ৰজাসকলক শক্তিপ্ৰয়োগ কৰি ৰক্ষা কৰিছে। তেঁওৰ এই উচ্চ আদৰ্শৰ বাবে ভুল পথ লব গা হৈছিল, তথাপি তেঁওৰ কাম আছিল দেশপ্ৰেম আৰু দেশভক্তিৰ প্ৰেৰনাত পূৰ্ণ। তেঁওৰ চুৰি-ডকাইতি আৰু হিংসামূলক কামৰ পিছত মূল আছিল মানবিকতা, পৰোপকাৰ, দয়া আৰু করুনাৰ ভাৱ, এইটোই চিৰ সচা আৰু ইয়াৰ মূল্যও শাশ্বত। প্ৰকৃতপক্ষে চিত্ৰৰমে মানৱতাৰৰ বাবেই কাম কৰিছে, প্ৰকৃত অৰ্থত মূলসঁটাটোক পালন কৰিছে। চন্দনবৰ্মাই সত্যৰ এই সূক্ষ্ম অৰ্থ বৰ ভালদৰেই জানিছিল আৰু তেনেকে ইয়াৰ নিৰ্নয় আছিল সঁচা ন্যায়ৰ ওপৰত ভিত্তি কৰি। চিত্ৰৰথক দণ্ড নিদি তেঁও সঁচা আৰু ন্যায়ক ৰক্ষা কৰিছে।

"যি সকল অধিকাৰী অথবা উচ্চপদস্থ কৰ্মচাৰী ভ্ৰষ্টাচাৰী হয় সিহঁতে চিত্ৰৰথৰ নিচিনা চৰিত্ৰৰ মানুহ সকলক বেয়া পায়, হিংসা কৰে। কাৰন সিঁহতৰ আগত চিত্ৰৰথৰ নিচিনা মানুহে বাধা হৈ থিয়ে হয়। হিংসাৰ কাৰনেই চিত্ৰৰথক শান্তি দিবলৈ চিত্ৰনেমিয়ে তেঁওৰ বিষয়ে সঁচাকে কৈ দিয়ে। এই সঁচাকে কোৱাৰ পিছত আছিল তেঁওৰ কোনো দুৰভিসন্ধি। তাৰবাবেই সঁচাকে কোৱাৰ পাছত ও চন্দনবৰ্মাই চিত্ৰনেমিক দণ্ড দিছে। এই নিৰ্নয় আৰু সঁচা আৰু ন্যায়ৰ অনুকূলই হৈছে।

"মন, বাচন আৰু কৰ্ম - মানৱ আচৰনৰ এই তিনিটাৰ মাজত প্ৰধান হ'ল মন।



কেতিয়াৱা কেতিয়াৱা বচন আৰু কৰ্ম সঁচা হলেও যদি ভাল আৰু পৱিত্ৰ মনৰ পৰা কোৱা অথবা কৰা নহয় তেতিয়া সেয়া দূলকপটতাত পৰিনত হয়। সঁচা-মিছাৰ এই সূক্ষ্ম ব্যৱধানক বুজিব পাৰে যি ৰজাই, সেই ৰজাই প্ৰজাসকলৰ ওচৰত প্ৰিয় আৰু হিঁতৈষী হৈ ওঠে। চন্দনবৰ্মাই সেই স্তৰৰ ৰজা। সদভাৱনাত উদ্বুদ্ধ হোৱাৰ কাৰনেই চিত্ৰৰথৰ অনৈতিক কাৰ্যাবলীৰ বাবে চিত্ৰৰথদেৱৰ মন্দিৰত সেৱা কৰিবৰ পৱিত্ৰ দণ্ড দিয়ে। এই ব্যৱস্থাৰ মাধ্যমত তেঁও প্ৰজাসকলক জনাই দিয়ে যে, পৱিত্ৰ আৰু মহান লক্ষপূৰনৰ বাবে অনুৰূপ পৱিত্ৰতা আৰু মহানুভৱতা থকা আৱশ্যক হৈ পৰে। আৰু চিত্ৰৰথৰ শাসনকালত প্ৰজাসকলে কেতিয়াও যেন অনৈতিক পথটো অনুসৰন নকৰে। তাৰ বাদে, মন, বচন আৰু কৰ্ম-এই তিনিটা স্তৰতেই যেন সিঁহতে সঁচাটো নিৰ্নয় কৰে।

"চন্দনবৰ্মাৰ ঠাইত যদি মই হলো হয়, তেন্তে মইও তেনেধৰনৰ আচৰনই কৰিলো হয়।"

"বৰ সুন্দৰ বিজয়দত্ত। মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দি তুমি প্ৰথমধাপত ভৰি ৰখাৰ অধিকাৰ লাভ কৰিলা। তোমাৰ শুভ কামনা কৰো।" প্ৰথম মূৰ্তিৰ কথা শুনিৱলৈ পাই প্ৰজাসকলে চিঞৰী বিজয়দত্তৰ জয়-জয়কাৰ কৰিবলৈ আৰম্ভ কৰে। মহাৰাজ শ্ৰীদত্তই পুত্ৰক বুকুত টানি ধৰে। শ্ৰীলেকাৰ চকুদুটা খুচিৰ ভাৱত পানীৰে পূৰ্ন হৈ উঠে। মঙ্গল বাজনা বাজি উঠে। বিজয়দত্তই প্ৰথম ধাপৰ ওপৰত ভৰি ৰাখে।

প্ৰথম ধাপত ভৰি ৰখাৰ পাছতেই দ্বিতীয় মূৰ্তিটোৱে ক'লে, "মোৰ ভনি সঁচাৰ আত্মাই কৈছে, মই ধৰ্মৰ প্ৰতীক। এতিয়া মোৰ কাহিনী শুনা। কাহিনী সমাপ্তিৰ পাছত মইও তোমাক প্ৰশ্ন কৰিম।

কোনো এটা সময়ত সুবৰ্নগিৰি ৰাজ্যত কুশধ্বজ নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। মন্ত্ৰীসকলৰ পৰামৰ্শ আৰু সহায়তাত বৰ দক্ষতাৰ লগত ৰাজ্যশাসন কাৰ্য চলাইছিল। তেঁওৰ শাসনকালত প্ৰজাসকলে সকলোফালে সুখী আৰু প্ৰসন্ন আছিল।

মলয়ধবজ নামেৰে ৰজাৰ এজন লৰা আছিল। অসাধাৰন প্ৰতিভাসম্পন্ন লৰা। সি যে মহান হৈ উঠিব, সৰুকালতেই ইয়াৰ প্ৰকাশ ঘটিছিল। মন্ত্ৰীসকলে ৰজাক পৰমৰ্শ দিয়ে শিক্ষা

লাভৰ বাবে সেই সময়ত প্ৰসিদ্ধ আৰু সৰ্বশ্ৰেষ্ঠ আচাৰ্য কৃষ্ণচন্দ্ৰৰ ওচৰত তাক পঠাই দিয়া হওক । সিহঁতৰ লগত একমত হৈ ৰাজকুমাৰক ৰজাই নিজে গৈ কৃষ্ণচন্দ্ৰৰ আশ্ৰমত থৈ আহে।

অসাধাৰন প্ৰতিভা আৰু বুদ্ধিৰ বাবেই মলয়ধ্বজে সোনকালে গুৰুৰ কৃপাৰ পাত্ৰ হৈ উঠে। এজন সমৰ্থ শাসকৰ স্বাভাৱিক সকলো গুনবিলাক তেঁওৰ মাজত দেখিবলৈ পোৱা যায়। শিক্ষা সমাপ্তিৰ পাছত যেতিয়া নিজৰ ৰাজ্যত উভতি যাবলৈ সাজু হৈ আছিল সেইসময়ত এটা বেয়া সংবাদ তাৰ বাবে আহে। সুবৰ্নগিৰিৰ ওচৰচুবুৰীয়া ৰাজ্যৰ ৰজা ৰাজকীৰ্তিয়ে সিঁহতৰ ৰাজ্য আক্ৰমন কৰে, ৰজা আৰু ৰানীক হত্যা কৰি ৰাজপ্ৰাসাদ অধিকাৰ কৰি লৈছে।

এই সংবাদ যেন ৰাজকুমাৰ মলয়ধ্বজৰ অন্তৰত বজ্ৰাঘাত কৰিলে। গুৰু কৃষ্ণচন্দ্ৰই তেঁওক সান্ত্বনা দি ক'লে, "হঠাৎ অসময়ত যি বিপদ তোমাৰ ওপৰত আহি পৰিলে সেয়া মইও অনুভৱ কৰিছো। কিন্তু যিমান সোনকালে সম্ভৱ বৰ্তমান এই বিপদৰ পৰা তোমাক ওলাই আহিব লাগিব, সতৰ্ক সাবধান হৈ গভীৰভাৱে ভৱিষ্যতৰ চিন্তা কৰিব লাগিব। তোমাৰ প্ৰানৰ ওপৰত বিপদ আহিব পাৰে। তুমি আৰু কেইদিনমান ইয়াতেই থাকি যোৱা।"

দুখৰ কন্ঠত মলয়ধ্বজে ক'লে, "গুৰুদেব, মই জানো, যি বাঘে মানুহৰ তেজৰ সোৱাদ এবাৰ পাইছে তেতিয়া সি দ্বিতীয় শিকাৰ পোৱাৰ চেষ্টাত থাকিবই। কিন্তু ভীত সন্ত্ৰস্ত হৈ লুকাই থাকিলে বিপত্তি হয়তো পাৰ হৈ যাব পাৰে, কিন্তু ভয় নেযায়। যদি মইই বাঘক আক্ৰমন কৰি তাক শেষ কৰি দিব পাৰি তেন্তে বাকী জীৱন নিৰ্ভয়ত নিশ্চিন্ত হৈ থাকিব পাৰিম।"

প্ৰিয় শিষ্যৰ কথা শুনি কৃষ্ণচন্দ্ৰই ক'লে, "মই তোমাৰ দৃষ্টি, বুদ্ধি, অসাধাৰন আত্মবিশ্বাসৰ বিষয়ে জানো। যেনেকুৱা ভাল বুলি ভাৱা তেনেকুৱা কৰা। মোৰ আশীৰ্বাদ সদায় তুমি পাবা। বিজয়ী হোৱা।"

গুৰুৰ আশীৰ্বাদ লৈ মলয়ধ্বজে সাধাৰন প্ৰজাৰ বেশত চন্দ্ৰহাসৰ লগত ঘোড়াত উঠি উলাই পৰে।

সুবৰ্নগিৰি ৰাজ্যৰ সীমানাত ভীলসকলৰ

এটা সৰু স্বাধীন প্ৰদেশ আছিল। তাৰ শাসক সিংহগুপ্তই কুশধ্বজৰ ভাল বন্ধু আছিল। সন্ধিয়া হৈ আছিল, মলয়ধ্বজ সেইসময়ত ভীলপ্ৰদেশত আহি পায়, সিংহগুপ্তৰ লগত লগ কৰে। তেঁখেতক নিজৰ পৰিচয় দি তেঁওৰ পৰিকল্পনাৰ বিষয়ে জনায়।

মলয়ধ্বজৰ পৰিচয় পাই খুচি হ'লেও দুখত সিংহগুপ্তই ক'লে, "ভালেই হ'ল তুমি আহিছা। মই নিজে তোমাৰ লগত সংযোগ কৰিব বিচাৰিছিলো। মোৰ সন্যসকলোৱে সাজু হৈ আছে। তোমাৰ লগত মইও থাকিম। বজ্ৰকীৰ্তিক হত্যা কৰি সুবৰ্নগিৰিৰ লগত তেঁওৰ ৰাজ্যক তোমাৰ হাতত যেতিয়ালৈকে দিব নোৱাৰো তেতিয়ালৈকে মোৰ আত্মাই শান্তি নেপায়।"

"এই কামৰ বাবে আপোনাৰ সকলো সৈন্যবাহিনীক নহয়, বাহিনীৰ এজন শ্ৰেষ্ঠ যোদ্ধা আৰু অলপ অৰ্থ, অলংকাৰ, অল্প বিষাক্ত তীক্ষ্ন ফলাৰ আৱশ্যক।"

সিংহগুপ্তই মলয়ধ্বজৰ বুদ্ধি, আত্ম-বিশ্বাস দেখি খুচি হৈ ক'লে, "তোমাৰ কাৰ্যপদ্ধতি ঠিক যেন লাগিছে, কিন্তু তাতে কি তোমাৰ হৈ যাব।"

"হয়, যদি ভাগ্যই সহায় হয় তেন্তে এইবোৰেই যথেষ্ট," আত্মবিশ্বাসৰ লগত ৰাজকুমাৰে ক'লে।

পাছদিনাখন ৰাতিপুৱা সিংহগুপ্তই আৱশ্যক বস্তুৰ বেছিকে এজন যুৱকক লগত দি মলয়ধ্বজক বিদায় জনায়। যুৱকজন হ'ল এজন কুশলী যোদ্ধা পুৰুষৰ বেশত সিংহগুপ্তৰ বীৰঙ্গনা কন্যা শালিনী। দুয়ো ঘোৰাত উঠি সুবৰ্নগিৰি ৰাজ্যৰ ৰাজধানীৰ ফালে যাত্ৰা কৰে। এন্ধাৰ হোৱাৰ আগতেই সিঁহতে ৰাজধানীৰ ওচৰত আহি পায়। তাত সিঁহতে অলপ সময় বিশ্ৰম কৰে। যেতিয়া এন্ধাৰ হৈ আহে, ৰাতি হৈ আহে, তেতিয়া ঘোৰা দুটা তাত ৰাখি দুয়ো গছৰ ফালে আগবাঢ়ি গৈ থাকে।

এটা মহান সভ্যতাৰ অলপ নিদৰ্শন
যুগে যুগে সত্যৰ বাবে গৌৰবময় অনুসন্ধান

৫. ভগবানৰ দেহলাব ন্যৰ পৰা প্ৰবাহিত

"যেতিয়া আমি বৰোদা গৈছিলো, তেতিয়া মোৰ বয়স কিমান মা?" সন্দীপে জয়শ্ৰীক সুধে।

"তুমাৰ বয়স তেতিয়া তিনি বছৰ; কিন্তু আচৰিত, তেতিয়াৰ কথা তোমাৰ মনত আছে।" জয়শ্ৰীয়ে মন্তব্য কৰে।

"মোৰ সকলোকথা মনত নাই, কিন্তু এটা নাওত কৰা যাত্ৰাৰ ঘটনা মোৰ মনত আছে। কোনো এটা নদীৰ পাৰত এটা ভৱনত আমি ৰাতিটো কটাইছিলো, পাছদিনাখন ৰাতিপুৱা মোক কোলাত লৈ দেউতাই আৰু তুমি ফুৰিবলৈ ওলাইছিলা, তেতিয়া নাবাদিত সূৰ্যৰ পোহৰত নদী, এটা সোনালী প্ৰবাহত পৰিবৰ্তিত হৈ যায়। তোমালোকে দুয়োৰে সূৰ্য উঠাৰ দৃশ্য মনদি চাই আছিলা, আৰু মোকও দেখিবলৈ কৈ আছিলা। সেই শান্ত নিৰ্মল অপৰূপ দৃশ্য মোৰ স্বপ্নত যেন হেজাৰবাৰ দেখা দিছে।" সন্দীপে ক'লে।

চামেলী আৰু সন্দীপে ককাদেউতাৰ লগত ৰাতিপুৱাৰ আহাৰ কৰি আছিল। ককাদেউতা অধ্যাপক দেবনাথে তেঁওৰ বৌ আৰু নাতি-নাতিনীৰ আলোচনা শুনি আছিল।

"তেনেকুৱা ধুনীয়া সূৰ্য উঠাৰ দৃশ্য মোৰ জীৱনত মই কেতিয়াও দেখা নাই কিয়, ককাদেউ?" সন্দীপে ককাদেউতাক প্ৰশ্ন কৰে।

"সূৰ্যোদয় সদাই ধুনীয়া। সম্ভৱত, সেই সূৰ্যোদয়ই প্ৰথম তুমি সচেতন ভাবে দেখিছা - কাৰন তোমাৰ মা-দেউতাই সূৰ্যোদয় দেখিবলৈ মনস্থিৰ কৰিছিল, আৰু তোমাকও দেখাবলৈ বিচাৰিছিল। আৰু দ্বিতীয় কাৰন, সেই দৃশ্য তোমাৰ স্মৃতিপটত অংকিত হৈ গৈছে।"

"এইটো সূৰ্যোদয়ৰ ঘটনা। আমি নৰ্মদা নদীৰ পাৰত এটা আশ্ৰমত ৰাতিটো কটাইছিলো। ডাঙৰ প্ৰাচীন বৃক্ষৰ ছায়াত সচাঁকে এটা ধুনীয়া ঠাই।" জয়শ্ৰীয়ে কলে।

"ককাদেউতা দ্বিতীয় কাৰন কি, এতিয়াই যি ক'লে," সন্দীপে সুধে।

"ও! মই কব বিচৰা নাই, কাৰন সেয়া বুজাবলৈ হ'লে বহুতো ব্যাখ্যাৰ প্ৰয়োজন, হয়তো এই সৰু বয়সত তুমি নুবুজা।"

"তেতিয়াহ'লে সন্দীপ ককায়েকক ন'কবা, কিন্তু মোক কোৱা। ককায়েক সৰু, মই তো সৰু নহয়। দেউতাই মোক বুঢ়ী বুলি মাতে।" চামেলীয়ে ককাদেউতাৰ কথাৰ উপৰত কয়।

ককাদেউতাই হাঁহে। "তোমালোকৰ ওপৰত মোৰ সম্পূৰ্ন বিশ্বাস আছে। মোৰ ব্যাখ্যা বুজিব পৰা বুদ্ধি আছে তোমালোকৰ। মোৰ সংকোচ হৈ আছে কবলৈ, আকৌ মনও গৈছে কবলৈকে।" ককাদেউতাই ক'লে। তাৰপাছত কবলৈ আৰম্ভ কৰে।

"মানুহ অকল দেহ, প্ৰান আৰু মন লৈ সৃষ্টি হোৱা নাই। দেহত যদি প্ৰান নেথাকে তেতিয়াহ'লে সি নিৰ্জীব হৈ যাব। প্ৰান থকাৰ বাবেই মানুহৰ আশা, আকাঙ্ক্ষা, অনুভৱ, ভাৱ। মানুহৰ মাজত যদি মনৰ বিকাশ নেথাকিল হয় তেন্তে মানুহ পশুৰ সমান হ'ল হয়। ভাল-বেয়া বিচাৰ কৰিবলগা জ্ঞান মন আমাক দিয়ে, যাক বিবেক বুল কোৱা হয়। কিন্তু মানুহৰ মাজত সবোতকৈ ভাল যি সেইটো হ'ল তাৰ আত্মা। মানুহৰ মাজত ভগবানৰ অংশ এই আত্মা। ইয়াঁৰ মাজত ভগবানৰ সকলো দিব্য বৈশিষ্ট্য বিলাক আছে। আত্মাৰ উপস্থিতিৰ বাবেই মানুহৰ মাজত ভগবানৰ বিকাশ হয়, মানুহ ডাঙৰ হৈ ওঠে। এই দিব্য উপস্থিতিই মানুহক শ্ৰী ৰাম আৰু শ্ৰীকৃষ্ণত পৰিবৰ্তন কৰে, যীশুখ্ৰীষ্ট আৰু বুদ্ধাদেৱ ও পৰিনত কৰে।

"প্ৰকৃততে সেইটোই মানুহৰ আচল ৰূপ। দেহ, প্ৰান আৰু মন আত্মাৰ যন্ত্ৰ, তাৰ সেৱক মাত্ৰ। কিন্তু যেতিয়ালৈকে আত্মা বিকশিত হৈ ওঠে, তেতিয়ালৈকে প্ৰান আৰু মনৰ সহায়তে মানুহ নিয়ন্ত্ৰিত বা চালিত হয়। সৰু কালতে তাৰ আত্মা সত্তাৰ আগত থাকে। ধুনীয়া আৰু শুদ্ধ পৱিত্ৰ কিৱা চাই সি অভীভূত হৈ পৰে। স্নেহ আৰু ভালপোৱাৰ প্ৰত্যুত্তৰ তেনেকৈ দিয়ে। কিন্তু বয়োবৃদ্ধিৰ লগে লগে, নিজৰ স্বাৰ্থবুদ্ধি মন আৰু আবেগ কামনা প্ৰানসত্তাৰ আধিপত্য বিস্তাৰ কৰি পেলায়। আশা কৰো, মোৰ কথা তোমালোকে বুজিবলৈ পাইছা।"

"মই বুজিবলৈ পাইছো, ককাদেও। ককায়েকতকৈ মই আৰু, তাৰবাবে মোৰ আত্মা এতিয়াও মোৰ সত্তাৰ আগতই আছে। তাৰবাবে, কোনো আচৰিত বস্তু, যি তুমি এতিয়া ক'লা, মোক এতিয়াও স্পৰ্শ কৰে।" চামেলীয়ে খিলখিল কৰি হাঁহি কলে।

কিন্তু সেই সকলো বস্তুত সময় ক্ষতি কৰাৰ বিৰুদ্ধত সন্দীপে, তাৰ মনত তেতিয়া সাঁতুৰি ফুৰিছে। "ককাদেউ, গংগাৰ নিচিনা নদীৰও কি কোনো কাহিনী আছে?" সি সুধে।

"ভাৰতৰ প্ৰায় প্ৰতিটো মহান নদীৰ পিছফালে আচৰিত আখ্যান আছে। নৰ্মদা কেৱল ধুনীয়া নহয়, বৰ কাব্যময়ও।"

অধ্যাপকে তাৰপাছত কাহিনী আৰম্ভ কৰে :

"এবাৰ অমৰ কন্টক পৰ্বতৰ ওপৰত ভগবান শিৱে বহুবছৰ ধৰি সমাধিমগ্ন হৈ বহি আছিল। তেঁখেতৰ শান্ত, সুন্দৰ অৱস্থান আৰু সম্মোহিত আকৃতিৰ লাৱ ন্যৰ পৰা এজনী ধুনীয়া কন্যাৰ জন্ম হয়। নিজৰ জীৱনৰ সৃষ্টিকৰ্তা ভগৱান শিৱৰ সন্মুখত গৈ সেই কন্যাই যেতিয়া অৱনতমস্তকত তেঁখেতক প্ৰনাম কৰে তেতিয়া করুনাৰ অৱতাৰ শিৱে ক'লে, "কন্যা, তুমি মোৰ অন্তৰক নৰম আৰু নম্ৰ কৰি দিলা, তাৰবাবে তোমাৰ নাম নৰ্মদা।"

তেঁখেতে আৰু ক'লে, "কোৱা, তুমি মোৰ পৰা কি বৰ পাব বিচৰা?"

"মই সদায় স্বাধীন থাকিব পাৰো যেন, সেই বৰ দিয়ক।" কন্যাজনীয়ে ক'লে।

"তথাস্তু।" শিৱে আশীৰ্বাদ দিয়ে।

নৰ্মদাই তেতিয়া বন জংগলত, পাহাড় পৰ্বতত নাচি গাই ফুৰে, কাৰোবাৰ প্ৰতি কোনো ভীতি নাই, ভ্ৰূক্ষেপ নাই।

কিন্তু অতি সোনকালে, তাইৰ কৌন্দৰ্যৰ প্ৰতি আকৃষ্ট হৈ পাৰে দেৱতাসকলে। এদিনাখন এজন দেৱাতাই তাইৰ সমক্ষত প্ৰত্যক্ষ হৈ তাইক ধৰিব বিচাৰে। নৰ্মদাই সেই মুহূৰ্ততে পানীত পৰিবৰ্তিত হৈ দেৱতাৰ হাতৰ পৰা গুচি যায়। তেতিয়াৰ পৰাই নদীৰ ৰূপত প্ৰৱাহিত হৈ থাকে।

"এনেদৰে শিৱৰ লাৱন্যৰ পৰা নৰ্মদা প্ৰবাহিত হৈছে, যেনে বিষ্ণুৱ লাৱন্যৰ পৰা গংগাৰ সৃষ্টি হৈছে।" অধ্যাপক উপসংহাৰ টানে তেঁওৰ বৰ্ননাত।

"সঁচাকে আচৰিত।" সন্দীপে মন্তব্য কৰে। চামেলীয়ে দুই হাতত আনন্দত তালি মাৰে।

"ভাৰতৰ সকলো নদী, পৰ্বত আৰু বনৰ এটা এটা কাহিনী আছে। তাৰ মাজত বহুতো প্ৰতীকধৰ্মী কিন্তু সময়ৰ প্ৰৱাহত সেই প্ৰতীকক মানুহে পাহৰি গৈছে।" দুখ প্ৰকাশ কৰি ককাদেউতাই ক'লে।

"কিন্তু কাহিনীৰ ৰূপতও এইবিলাক

কিমান মোহময়।” সন্দীপে ব্যক্ত কৰে।

“আৰু, নাম বিলাকও কিমান মিঠা গংগা, নৰ্মদা...।” চামেলীয়ে কলে।

“ভাৰতৰ বিভিন্ন ঠাইৰ প্ৰাচীন নাম বিলাকও বৰ ধুনীয়া। তোমালোকে জানা, পাটনাৰ প্ৰাচীন নাম কি?”

“পাটলিপুত্ৰ।” সন্দীপে আৰু চামেলীয়ে একেলগে চিঞৰী ওঠে।

“সম্পূৰ্ন ঠিক। তাৰও আগত সেই চহৰৰ নাম আছিল পুষ্পপুৰ বা কুসুমপুৰ, ফুলৰ চহৰ। ত্ৰিবান্দম বা তিৰুবান্তিপুৰম আছিল অনন্তপুৰম। এতিয়া সকলোৱে অতীত নামতেই ঘুৰি যাব বিচাৰিছে। ইয়াৰ অৰ্থ অনন্ত ভগবানৰ পৱিত্ৰ নগৰ। দ্বাৰকাৰ নাম আছিল দ্বাৰাবটী। হিমালয়ৰ দিব্যকন্যা গৌৰীৰ নামত আছিল গৌৰীমাৰ্গ, বৰ্তমানৰ গুলমাৰ্গ। লক্ষ্ণৌ সম্ভৱত লক্ষ্মনৰ নামেৰে লক্ষ্মনবটী আছিল। গৌহাটী আছিল প্ৰাগজ্যোতিষপুৰ - আগৰ জ্যোতিৰ্ময় আভা। গোয়াৰ নাম আছিল গোমন্ত। পণ্ডিচেৰীৰ নাম আছিল বেদপুৰী, বেদ অধ্যয়ন কেন্দ্ৰ। মাদুৰাই মধুৰাপুৰা - মধুৰ চহৰ আছিল। আজমীৰ আছিল অজয় মেৰু। কুলু বা তাৰ প্ৰত্যন্ত অঞ্চল কুলন্তপীঠ আছিল মানৱ - নিৱাসভূমিৰ শিষ সীমানাৰ নাম। কিন্নোৰ আছিল কিন্নৰপুৰী, কলাশিল্পত দক্ষ অতিভৌতিক সত্তাসকলৰ এটা প্ৰজাতিৰ ঠাই। পৈথান আছিল প্ৰতিষ্ঠান আদি।”

অলপসময় ৰখি ককাদেউতাই আকৌ ক'লে, “ৰাজ্যবিলাকৰ নামও কিমান সাৰ্থকপূৰ্ন আছিল। কৰ্নাটকৰ নাম আছিল কুন্তলাদ্য। পাঞ্জাৱ পাঁচটা আব বা পাঁচটা নদীৰ পৰা আহিছে। বিহাৰক কোৱা হৈছিল বৌদ্ধ বিহাৰ।

কাশ্মীৰ কশ্যপ - মীৰৰ পৰা লোৱা - কশ্যপ ঋষিৰ লগত যুক্ত আছিল।”

“আৰু জম্মু?”

“জম্মু লোচনৰ পৰা, যোনে নৱম শতাব্দীৰ এজন ৰজা আছিল। হয়, আমাৰ বহুতো নগৰত মহান ঋষিসকলৰ আৰু ৰজাসকলৰ স্মৃতিৰ ছাপ আছে। গোয়ালিয়ৰ গোয়ালিপ্পা মুনিৰ নামৰ পৰা লোৱা হৈছে। নাগাৰ্জুন কুণ্ড বিখ্যাত বৌদ্ধ ভিক্ষু নাগাৰ্জুনৰ নামৰ পৰা হৈছে। জাবালি ঋষিৰ নামৰ পৰা জব্বলপুৰ। কবঁলে গলে বহু ডাঙৰ হৈ যাব।”

ককাদেউতাই থিয় হয়। স্কুলত যোৱাৰ সময় হৈ আহিছে, সিহঁতক সাজু হব লাগিব।

ব্যৱসায়ৰ ৰহস্য

দেবীপুৰত হনুমান বৈশ্যৰ এখন ডাঙৰ গেলামালৰ দোকান আছে। খাঁটি আৰু ঠিক দামেৰে বস্তু বেঁচে বুলি সেই ঠাইত তেঁওৰ বৰ নাম আছে। তেঁওৰ ব্যৱসা লাহে লাহে বাঢ়ি যায়।

সেই সময়ত সোমদত্ত নামেৰে এজন বৈশ্যই আন কোনো নগৰৰ পৰা আহি হনুমানৰ দোকানৰ বিপৰীত ফালে দোকান খোলে। একে বস্তুই তেঁও বেঁচে। কেইদিন মানৰ ভিতৰত তেঁওৰ দোকান বৰ চালু হৈ উঠে। হনুমানৰ দোকানৰ পৰা যি সকলে কিনিছিল সিহতে লাহে লাহে সোমদত্তৰ দোকানৰ পৰা কিনিবলৈ আৰম্ভ কৰে। ফলত হনুমানৰ ব্যৱসায় বেয়া হৈ যায়।

হনুমানৰ চিন্তা আৰম্ভ হয়। বহু চিন্তা কৰিও তেঁও বুজিবলৈ নোৱাৰে কিয় তেঁওৰ পৰা বস্তু লোৱা মানুহ সকলে সোমদত্তৰ দোকানত গুচি গৈ আছে। দুয়োটা দোকানৰ বস্তু একেই, সমান দাম, খাঁটি তথাপি কিয় তেঁওৰ দোকান এড়ি দি আছে। হনুমানে বহু চিন্তা কৰাৰ পাছত কোনো উত্তৰ বিচাৰি নাপাই সোমদত্তক সুধে।

সোমদত্তই হাঁহি মুখেৰে কলে, "হনুমান ভাই, এইটো ব্যৱসায়ৰ গোপন সূত্ৰ এটা। তথাপি আপোনাক খুলি কৈ আছো, ব্যৱসায়ী ব্যৱসায়ীত দ্বেষ থাকিব কিয় ?

"কথা হ'ল, আপোনি যেতিয়া ওজন কৰাৰ সময়ত পাল্লাত বস্তু দিয়ে তেতিয়া তাত বেছি বস্তু দিয়ে আগৰ পৰা। তাৰপাছত অলপ অলপকৈ কমাই থাকে। যেতিয়ালৈকে ওজন পাল্লা সমান নহা তেতিয়ালৈকে কমাই থাকে, সমান হোৱাৰ পাছত নমাই লয়, সঠিক ওজনত মাল পোৱা সাত্ত্বও সিহঁতে ভাবে সিহঁতে ওজনৰ পৰা কম মাল পাইছে অথবা আপোনি দিছে।

"কিন্তু মই তো তেনে নকৰো। মই জানিশুনি প্ৰথমে পাল্লাত কম মাল দিও ওজনৰ বাবে, তাৰপাছত অলপ অলপকে দি থাকো। দুয়ো পাল্লা সমান হ'লে তেতিয়া বস্তুখিনি সিহতক দিও। মোৰ দিয়াত অলপো বেছি নহয়, আপোনাৰ দৰে। তথাপি যি সকলে মাল কিনে সিহতে ভাবে, মই সিহতক বেছিকে দিও বা দি আছো। এইখিনিই অকল পাৰ্থক্য।

হনুমানও এই পদ্ধতি অভ্যাস কৰে। দুয়োখন তেতিয়া সমানে চলি থাকে। সকলো ভাবে দুয়ো দোকান যেন একেটা পৰিবাৰৰ দুজন ভায়েকৰ। এতিয়া হনুমান আৰু সোমদত্তই ব্যৱসাৰ প্ৰতিদ্বন্দী নহয়, সিঁহত দুয়ো সহযোগী।



ৰক্ষনাবেক্ষন কামটোও এটি শিল্প

ৰামনগৰৰ সবোতকৈ ধনী ব্যৱসায়ী ৰমাপতি। তেওঁৰ ইমান ধনসম্পত্তি আছিল যে তেঁওৰ পৰবতী কেই জনমান পুৰুষ কোনো কাম নকৰি আৰামত খাই বহি কটাব পাৰিব। তথাপি তেঁওৰ মনটো কেই দিন মান ধৰি শান্ত হৈ আছে। কোনো অজ্ঞাত চিন্তা তেওঁৰ মনত খচখচাই আছিল। বহুতে পৰামৰ্শ দিয়াৰ পিছত তেঁও বৈদ্যক মাতি পৰীক্ষা কৰায়। কিন্তু কোনো বেমাৰ ধৰা নপৰে।

ইফালে ৰমাপতি শেঠ আছিল এজন ধাৰ্মিক আৰু নিষ্ঠাবান মানুহ। আলহী আৰু সাধু সকলক সেৱা কৰা আছিল তেঁওৰ চাৰিত্ৰিক বৈশিষ্ট্য। ঘৰত যি আলহীই আহক, সিহঁতক খোৱাই বোৱাই বিদায় দিছিল।

এদিনাখন ঘৰত এজন মানুহ আহে। ৰমাপতিৰ আলহী সেৱাত খুচি হৈ তেখেতে কলে, "তুমি বৰ ভাল স্তৰৰ মানুহ। প্ৰতিটো কাম তুমি নিষ্ঠাৰে অন্তৰ দি কৰা। পৰমাত্মাই তোমাক সুখী কৰক।"

"মই এইবোৰ নাজানো, তথাপি মোৰ চেষ্টা থাকে সেৱা কৰাত যেন কোনো ত্ৰুটি নেথাকে। তথাপি মহাৰাজ, কেইদিনমানৰ পৰা মোৰ মনটো অশান্তি হৈ আছে। বহু বিচাৰ বিবেচনা কৰিও এই অশান্তিৰ কাৰন বিচাৰি পোৱা নাই।" ৰমাপতয়ে সাধুজন কলে।

এইকথা শুনি মানুহজনৰ বিস্ময় জাগে। অশান্তি ভাৱৰ কাৰন জানিবৰ বাবে ৰমাপতিক তেখেতে কেইটামান প্ৰশ্ন কৰে। প্ৰশ্নৰ উত্তৰৰ পৰা গ'ম পায় যে পৰিবাৰত চাৰিও ফালৰ পৰা আছে অনুকূল পৰিবেশ। তেতিয়াহলে ৰমাপতিৰ চিন্তাৰ কাৰন কি হ'ব পাৰে? সাধুজনে চিন্তা কৰে। তাৰপাছত আকৌ সুধে, সেই নগৰৰ সম্পত্তিৰ বাহিৰে আন কৰবাত তেঁওৰ সম্পত্তি আছে নেকি?

"হয় মহাৰাজ, পাঁচটা গাঁওত মোৰ ক্ষেতি পথাৰ আছে। তাৰ কৃষক সকলে সেইবোৰ দেখামেলা আৰু চাষ কৰে, আৰু নিৰ্দিষ্ট সময়ত জমিৰ পৰা অৰ্জিত অৰ্থ বা ধান দি যায়।"

"ভাৰি চোৱা, ভালদৰে ভাবা। কেতিয়াও এই জমি লৈ কোনো অসন্তোষৰ কাৰন হোৱা নাই তো?" মানুজনে আকৌ প্ৰশ্ন কৰিলে।

ৰমাপতিয়ে অলপসময় চিন্তা কৰি তাৰপাছত

অসীম কুমাৰ



ক'লে বিদুৰপুৰত মোৰ ককাদেউতাই এখন ৰামমন্দিৰৰ প্ৰতিষ্ঠা কৰে। মন্দিৰৰ ব্যয় নিৰ্বাহৰ বাবে প্ৰায় এশ একৰ জমিও দিছে। সেই মন্দিৰত প্ৰতিবছৰ বিশেষ উৎসৱ হয়। কিন্তু কেইবছৰ ধৰি তাত সেই উৎসৱ হোৱা নাই। এই খবৰত মই অবশ্যেই দুখিত। কিন্তু মোৰ দুখৰ কাৰন এইটো নহয়, কাৰন মই এই সকলোবোৰ ভগবান ৰামৰ চৰনত নিবেদন কৰি দিছো।

মানুজনে তেতিয়া হাঁহি কলে, "পুত্ৰ, এইটোই তুমি পাহৰি গৈছা। নিজৰ কাৰনে ভগবানৰ এবোৰ প্ৰয়োজন নহয়, এয়া সকলোৱে জানে। তোমাৰ পূৰ্বপুৰুষসকলে কি এইটো বাবে নাছিল যে ভগবান ৰামে বিচাৰিলে তেওঁৰ নিজৰ ব্যৱস্থা নিজেই কৰি ল'ব। তথাপি কিয় তেওঁৰ বাবে মন্দিৰৰ প্ৰতিষ্ঠা? এশা একৰ জমি কিয় দিছে? ভগবানৰ অযোগ্য অসমৰ্থ ভাবিহে এইবোৰ তেঁওক দিছে? প্ৰকৃতপক্ষে ভগবানৰ বাবে কিবা কৰি আমি নিজৰেই মঙ্গল কৰো, নিজৰ আত্মাক জাগ্ৰত কৰো, মনত শান্তি আহে। মন্দিৰৰ অব্যৱস্থাৰ ভাৰ তুমি তেঁওৰ হাতত অৰ্পন কৰিছা, এইটোই কি তেতিয়াহ'লে তোমাৰ অশান্তিৰ কাৰন।"

মানুহজনৰ কথা শুনি ৰমাপতিৰ অন্তৰ যেন চমকি ওঠে। তেঁও তেওঁৰ কথা স্পষ্ট কৰি ক'লে, "মহাৰাজ, সেইঠাইৰ পৰিস্থিতি দেখিবলৈ যোৱা বছৰত ঘনীয়েকক লৈ গৈছিলো, সকলো ভালদৰে চাই গুচি আহিছো। মই গ'ম পোৱা নাই ক'ত গণ্ডগোল। তাৰবাবেই সকলোবোৰ প্ৰভুৰ ওচৰত নিবেদন কৰি দিও।"

"তোমাৰ পূৰ্বপুৰুষসকলৰ ৰামৰ প্ৰতি ভক্তিশ্ৰদ্ধা যিমান আছিল সেয়া তোমাৰ নাই। তাৰবাবেই সত্যৰ অনুসন্ধানৰ কাৰনে গভীৰত নুসুমাই তুমি উভতি আহিছা। যিমানদিন সেই ৰামমন্দিৰত আগৰ দৰে ভক্তিশ্ৰদ্ধাৰে সমাৰোহ নহ'ব তিমানদিনলৈকে তোমাৰ মনটোও অশান্তি থাকিব।" সাধুয়ে ক'লে।

"কিন্তু মহাত্মা! তাত মোৰ মনৰ অশান্তি যাব কেনেকৈ? এইটো মই ভাবি পোৱা নাই। কৃপা কৰি মোক কওক।" ৰমাপতিয়ে সাধুৰ ওচৰত প্ৰাৰ্থনা জনায়।

মানুজন হাঁহি নিজৰ বগা দাড়িত হাত বুলাই ক'লে, "চোৱা বৎস! মন্দিৰ প্ৰতিষ্ঠা মহাযজ্ঞৰ সমান। মন্দিৰ ভগবানৰ শিবিৰ। ভগবানৰ উপস্থিতি তাত আছে বুলিই পাপীসকলৰ পাপ খণ্ডন হয় আৰু পুন্যাত্মাসকলৰ পুন্য বৃদ্ধি পায়। ইয়াৰ বাহিৰে, ইয়াত যিসকলে কাম কৰে সিহতৰ জীবিকা নিৰ্বাহ হয়। ইয়াৰ বাবে ভগবানৰ প্ৰতি ভক্তিআৰু নিষ্ঠা জাগ্ৰত হয়। ইয়াৰ ব্যৱস্থা যাতে ভালদৰে চলে, বিৰোধীশক্তি যে কোনো প্ৰতিবন্ধকতা যাতে সৃষ্টি কৰিব নোৱাৰে, সেয়া

চোৰা বা দেখা তোমাৰ কৰ্তব্য। এই কৰ্তব্যৰ প্ৰতি তোমাৰ আত্মা সদায় ঝুঁকি আছে - সেইটোই তুমি বুজিব পৰা নাই, তাৰবাবেই তোমাৰ মাজত অশান্তি চাপি আছে।"

ৰমাপতিয়ে গ'ম পায়, মানুহজনে সঁচাই কৈছে। আকৌ ক'লে, "মই কি কৰিম সেই পথ দেখুৱাক।"

"তাত আকৌ যোৱা, তাৰ পৰিস্থিতি বুজিবলৈ চেষ্টা কৰা। মন্দিৰ দেখামেলা কৰাৰ বাবে কোনো যোগ্য ব্যক্তিৰ হাতত অৰ্পন কৰা। নিশ্চয়ই মন্দিৰ দেখামেলাৰ কামটো ভালদৰে হোৱা নাই। দেখামেলা ঠিক হলে পৰিস্থিতিও পৰিবৰ্তন হব।" মানুজনে তেওঁৰ বক্তব্য ক'লে।



ৰামপতিৰ দৃঢ় বিশ্বাস, মন্দিৰ দেখামেলাৰ কামটো এজন বিশ্বাসী মানুহৰ হাতত আছে। তথাপি গণ্ডগোল কিয়। সেয়া জনাৰ বাবে সাধুৰ ওচৰত তেঁও মন্দিৰৰ বিষয়ে বিস্তাৰিত জনাই ক'লে, "সাধুবৰ! মন্দিৰত চাৰিজন পূজাৰী। তিনিজনমান পূজাৰী ভগৱান ৰাম, সীতাদেৱী আৰু হনুমানৰ পূজা কৰে, আন এজন পূজাৰী গোপুৰমত বেদমন্ত্ৰ পাঠ কৰে। শ্ৰীৰামবন্দনাৰ বাবে চাৰিজন সঙ্গীতজ্ঞ আছে। পুৰান আদি ব্যাখ্যা কৰাৰ বাৱে এজন আছে। মন্দিৰৰ ক্ষেতিপথাৰৰ দায়িত্ব দহজনমান কৃষকৰ ওপৰত আছে। ইঁহতৰ সকলোৰে কাম পৰিদৰ্শন কৰিবৰ বাবে দুবছৰ মান আগলৈকে ৰামশেখৰ নামেৰে এজন বৃদ্ধ আছিল। তেওঁৰ সংসাৰত আৰু কোনো নাছিল, তাৰবাবে দিনেৰাতি মন্দিৰত আছিল আৰু মন্দিৰটোই তেওঁৰ সকলো আছিল। তেওঁৰ মৃত্যুৰ পাছত এই দায়িত্ব উত্তম নামেৰে এজন ব্যক্তিৰ ওপৰত দিয়া হৈছে। সেই সময়ৰ পৰাই মন্দিৰ ৰক্ষনাবেক্ষন কামত গণ্ডগোল হবলৈ আৰম্ভ কৰে।

সাধুজনে এতিয়া কলে, "তেতিয়াহলে মোৰ কথাবোৰ সঁচা। তেতিয়াহলে এইটো স্পষ্ট হ'ল যে উত্তমৰ কামত কোনো গণ্ডগোল আছে। তাৰ পৰিবৰ্তে আন কাৰোবাক সেই কামৰ বাবে নিযুক্তকৰা।"

কিন্তু সাধুবৰ! উত্তমৰ ব্যক্তিত্ব সৰ্বমুখী। তেঁও নিজে ৰান্ধা, কৰিব পাৰে। ঝাড়ু দিবলৈ কেও তেওৰ কোনো সংকোচ নাই, মন্দিৰক সদাই পৰিষ্কাৰ ৰাখে। শাস্ত্ৰ আৰু সাহিত্য সম্বন্ধে জ্ঞান আছে যথেষ্ট। এজন সঙ্গীতজ্ঞ তেঁও। প্ৰতিটো পয়সাৰ হিচাব ৰাখে। সবোতকৈ ডাঙৰ, বৰ বিশ্বাসী। এনেকুৱা মানুহ সহজে পোৱা নেযায়। বিদুৰদুৰত সকলোৰে এনেকুৱা ধাৰনা তেওঁৰ সম্বন্ধে।"

"ইয়াৰ অৰ্থ তেঁও ৰামশেখৰতকৈও যোগ্য বেছি।"

"মহাৰাজ! ৰামশেখৰ ৰামভক্ত আছিল, ইয়াৰ বাহিৰে একোই জনা নাছিল।"

"সঁচাকে অদ্ভুত। কিয় গণ্ডগোল। মই সেয়া জানিবলৈকে তোমাৰ লগত বিদুৰপুৰত যাম।" মানুজন ক'লে।

বিদুৰপুৰত দুয়োৱে কেইদিনমান থাকে। তাত থকাৰ পিছত জানিবলৈ পোৱা যায়, উত্তমে সঁচাকে যোগ্য ব্যক্তিকিন্তু তেঁও তেঁওৰ ঘনীয়েকৰ কামৰ লগত বৰ ব্যস্ত থাকে, ঘনীয়েকই তেঁওৰ বাবে সৰ্বপ্ৰধান।

উত্তমৰ ঘনীয়েক সুশীলাই ৰামৰ ভক্ত, বৰ সুন্দৰ তাইৰ অন্তৰ। আনক সাহায্য কৰিবৰ বাবে সদায় সাজু! মন্দিৰৰ কাম সবোতকৈ আগত তেঁও কৰে, কিন্তু বৰ উচ্চাকাঙ্ক্ষী। ভক্ত সমাজত তেঁওৰ ভাল পৰিচিত হওক, সেইটোই বিচাৰি। তাৰবাবেই সমায় নামকীৰ্তন কৰে, বস্ত্ৰ আৰু অনুদান আদিত আগ্ৰহী। কিন্তু সেইবোৰ কাম অকলে সম্ভৱ নহয়, তাৰবাবে তেঁওৰ ঘনীয়েক উত্তমে তেঁওৰ হৈ বহুতো কাম কৰি দিয়ে। অকল এয়াই নহয়, মন্দিৰৰ আন কৰ্মচাৰীসকলকও নিজৰ কামত ব্যস্ত কৰি ৰাখে। ইয়াৰ পৰাই মন্দিৰৰ মূল কাত এ লাহ ভাবটো আছে।

এইবোৰ তথ্য জনাৰ পাছত সাধুজনে তেঁওৰ দীঘল দাড়িত হাত বুলাই ৰমাপতিক হাঁহি মুখেৰে ক'লে, "গাণ্ডগোলৰ মূল কাৰন গ'ম পালো। উত্তমক তেঁওৰ পদৰ পৰা আতৰাই সেইঠাইত তেঁওৰ ঘনীয়েক সুশীলাক লোৱা। সকলো গণ্ডগোল ঠিক হৈ যাব।"

"কিন্তু, তেঁওৰ ঘনীয়েকৰ তো এই সকলোবোৰ পৰিচালনা কৰিবৰ কোনো যোগ্যতাই নাই।"

"দেখামেলা কৰিবৰ সবোতকৈ ডাঙৰ যোগ্যতা সঠিক ব্যক্তিৰ পৰাই সঠিক কাম আদায় কৰি লোৱা। এইটো এটা শিল্প। ইয়াৰ উচ্চাকাঙ্ক্ষাও আছে। মন্দিৰ দেখামেলাৰ দায়িত্ব পালনত তেঁও গৰ্ব অনুভৱ কৰিব আৰু নিজে যোগ্য নহৈ সকলোবোৰ তাইৰ গিৰিয়েক উত্তমৰ পৰা আদায় কৰি ল'ব। পদৰ পৰা অপসাৰিত হলেও মন্দিৰ ৰক্ষাবেক্ষনৰ কাম উত্তমক কৰিব লাগিব প্ৰকৃতপক্ষত, ঘনীয়েকৰ কাম বুলি আৰু আগত উৎসাহেৰে কৰি দিব। কাৰন তুমি কৈছিলা, উত্তমৰ ঘনীয়েকই উত্তমৰ সবোতকৈ ডাঙৰ।"

সাধুজনে যেনেকৈ কলে তেনেকৈ কৰা হ'ল। অলপদিনৰ মাজত মন্দিৰত আগত দৰে সমাবোহৰ লগত অনুষ্ঠান হয়, আন্তৰিকতা ঘুৰি আহে। এইবোৰ কামৰ বাবে প্ৰশংসা সুশীলাই পায়। ৰমাপতিৰ অন্তৰও শান্ত হয়। তাৰ লগত, সকলো কামৰ মাজত যি এটা শিল্প আছে, অন্তৰ্নিহিত সচাটো আছে, সেই সম্বন্ধে জানিবলৈ পায়।



কাৱেৰী নদীৰ পাৰত - ৮

পুৰনি বাঁন্ধ

কাহিনী : জয়ন্তী মহালিংগম

চিত্ৰ : গৌতম সেন

সেন্ট জান গিৰ্জা

তিৰুচিৰাপল্লী চহৰ কেৱল মন্দিৰৰ বাবেই বিখ্যাত নহয়, চহৰটো ১৮ আৰু ১৯ শতিকাৰ মাজত ইংৰাজৰ দ্বাৰা স্থাপিত সুন্দৰ গিৰ্জা আৰু অট্টালিকাৰ বাবেও বিখ্যাত। ১৭৬৬ চনত পুখুৰী বা টেপ্পাকুলমৰ উত্তৰত খ্ৰাইষ্ট চাৰ্চ বনোৱা হয়। ইয়াৰ পাছত ১৮১৬ চনত দুৰ্গৰ দক্ষিনফালে ক্যান্টনমেন্ট অঞ্চলত বনোৱা হয় 'দ্য ক্যাথলিক ক্যাথেড্ৰোল অফ আওয়াৰ লেডী অফ লাৰ্উৰ্ডস গিৰ্জা। এই জিলাৰ বিখ্যাত চেন্ট জোসেপস কলেজটো যি ঘৰাটাত অৱস্থিত আগত সেইটোই আছিল ৰবাৰ্ট ক্লাইভৰ বাসস্থান।

শ্ৰী ৰংগম দ্বীপত তিৰুবানাইক্কাতত আছে জম্বুকেশ্বৰ শিৱ মন্দিৰ। ইয়াৰ অভিজাতপূৰ্ণ আকৃতি, বহু উখঁ অট্টালিকা আৰু বহুতো স্তম্ভবিশিষ্ট ঘৰবিলাক ধুনীয়া ভাস্কৰ্যত পৰিপূৰ্ন। বিশ্বাস যে, সেই পুৰনি মন্দিৰ খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাত সংগম যুগোৰে বনোৱা হয়। কোচেন গান্নন নামেৰে এজন চোল শাশকে এই মন্দিৰৰ প্ৰতিষ্ঠা কৰে।

অপুলিংগম মন্দিৰৰ অলপ নিম্নস্তৰত প্ৰতিষ্ঠিত হোৱাৰ বাবে ইয়াৰ চাৰি ও ফালে সদায় পানীৰে ভৰি থাকে। কোনো এটা সময়ত ডাঙৰ ডাঙৰ জামগছ আছিল তাত। এজোপা গছৰ তলত আছিল শিৱলিংগ। এটা হাতী আৰু এটা মকড়া আছিল শিৱৰ একমাত্ৰ ভক্ত। মকড়ায় শিৱলিংগৰ ওপৰত জাল বিছাইছিল এনেদৰে যাতে ধুলি আৰু গছৰ শুকান পাত নপৰে শিৱলিংগৰ ওপৰত এই আছিল মকড়াৰ পূজাৰ

জম্বুকেশ্বৰ মন্দিৰ

প্রতিদিন শুঁড়ে করে জল নিয়ে এসে হাতী শিবলিঙ্গের অভিষেক করে

পানী আনি শিৱলিংগক ধুৱাইছিল। মকড়াৰ জাল ছিঙি যায় এনেধৰনে কৰোতে। এয়াই আছিল হাতীৰ পূজাৰ ধৰন। এনেধৰনে চলি থাকে কিন্তু দুয়োৰ পূজাৰ ভিন্ন। পদ্ধতিৰ বাবে দুয়োৰ মাজত কাজিয়া হৈছিল। আৰু লাহে লাহে সেয়া বাঢ়ি যায়। এদিনাখন মকড়াটো বৰ খঙতগৈ হাতীৰ শুড় ডালৰ ভিতৰত সুমাই কামডি দিয়ে। হাতীটোৰ মৃত্যু হয় এই কাৰনে। সাধু অনুসৰি সেই মকড়াটোৰ পুনৰ্জন্ম হয় উৰাইয়ুৰ-ৰ চোল ৰাজবংশৰ কোচেন গান্নন ৰূপত।

এই ডাঙৰ মন্দিৰৰ পাঁটো পাঁটো পৰিক্ৰমা আছে পৰিক্ৰমাৰ প্ৰাচীৰ বিলাক বৰ ডাঙৰ আৰু উঁখ স্থম্ভ আছে। দ্বিতীয় আৰু তৃতীয় পৰিশ্ৰমা খ্ৰীষ্টাব্দ এয়োদশ শতিকাত বনোৱা হৈছে। চতুৰ্থ পৰিশ্ৰমাৰ আছে অখিলণ্ডেশ্বৰী দেৱীৰ মন্দিৰ, মন্দিৰৰ ভিতৰত দেবীৰ এটা ধুনীয়া মূৰ্তি আছে। দেৱী মূৰ্তিৰ চকু দুটা উজ্জ্বল এনেকুৱা যে দেখিলে যেন লাগে জাগ্ৰত। কিন্তু এটা সময়ত দেৱীৰ ৰূপ এনেকুৱা ৰুদ্ৰ আছিল যে কোনেও গৰ্ভগৃহত সেই মূৰ্তিৰ আগত বহু সময় থাকিব নোৱাৰিছিল। মানুহে কয় যে আদি শংকৰাচাৰ্য দেৱী দৰ্শনৰ সময়ত চক্ৰৰ প্ৰতীকসহ কানৰ দুল পিন্ধাই দি দেৱীক শ্ৰদ্ধা প্ৰনাম জনাইছিল। তেতিয়াৰ পৰা দেবীয়ে সৌম্য ৰূপ লয়। বিখ্যাত মুথুস্বামী দিক্ষিতাৰ কৰ্নাটক সংগীতৰ তিনি ৰত্নৰ এজন। তেখেতে দেৱীমূৰ্তি দৰ্শন কৰি ভাল পাই দেৱীবন্দনা ৰূপত এটি কাব্য ৰচনা কৰে।

তমিলনাডুত অৱস্থিত শিৱমন্দিৰ বিলাকৰ মাজত তিৰুবানাইক্কাক সৈৱ সকলৰ পৱিত্ৰ ঠাই বুলি মান্য কৰা হয়। কেৱল চোল ৰজা সকলেই নহয়, হয়সালা, পাণ্ড্য আৰু নায়ক ৰাজবংশৰ ৰজাসকলেও এই পুৰনি মন্দিৰৰ বাবে অকৃপন হস্তত দান কৰিছে। যোৱা কেই শতিকা ধৰি মূল মন্দিৰৰ লগত বিভিন্ন প্ৰকাৰে সংযোজিত হৈছে, আৰু সময়ে সময়ে পৰিবৰ্তন কৰা হৈছে। কৰ্নাটক যুদ্ধৰ সময়ত ইংৰাজসকলৰ হাতৰ পৰা ৰক্ষা পাবলৈ ফৰাচী বা এই জম্বুকেশৰ মন্দিৰত আশ্ৰয় লয়, ইয়াতেই সিঁহতে অস্ত্ৰসমৰ্পন কৰে।

শ্ৰী ৰংগম দ্বীপৰ পৰা ২ কি.মি. দূৰত কাবেৰীৰ পৰা কোলেৰুন বা কোলিভম নামেৰে এটি শাখা উলাইছে। ইয়াতেই বনোৱা হৈছে গ্ৰাণ্ড অ্যানিকট বা কালানাই (কালানাই ব অৰ্থ প্ৰসুৰ নিৰ্মিত বান্ধ)। অ্যানিকট শব্দটো তামিল 'আনাই কাট্টু' শব্দৰ পৰা লোৱা হৈছে, যাৰ অৰ্থ বান্ধ বনোৱা। মানুহে কয়, খ্ৰীষ্টাব্দ ২ শতিকাত কাৰিকালান নামেৰে এজন চোল ৰজাই এই বাঁন্ধটো বনাইছিল।

কাৱেৰীৰ পানীক নিয়ন্ত্ৰিত কৰি সেই পানীক ক্ষেতিৰ কামত লগোৱা আৰু তাৰ লগত বন্যা নিয়ন্ত্ৰনৰ প্ৰথম

প্ৰয়াস এই বাঁন্ধ নিৰ্মান। এই বাঁন্ধ ৩২৯ মি. দীঘল, ১২১৮ মি. পথালি আৰু ৪-৫ মিটাৰ দহ। অবশ্যে মূল বাঁন্ধটোৰ এতিয়া কোনো অস্তিত্ব নাই। ১৮০০ চনৰ কাৱেৰী বদ্বীপ পৰিকল্পনাৰ অন্তৰ্গত সেই বাঁন্ধটো সম্পূৰ্ণ নতুন কৰি বনায় স্যাৰ আৰথাৰ কটন-ৰ নেতৃত্বত ইংৰাজ বাস্তুকাৰ সকলে। ১৮০৬ চনত বান্ধাটাৰ উচ্চতা বৃদ্ধি কৰা হয় আৰু ১৮৩০ চনত 'স্লুইছ গেট' বা পানী নিয়ন্ত্ৰক দৰজা বহুৱা হয়। বান্ধঁটো বনোৱাৰ সময়ত ইংৰাজ বাস্তুকাৰ সকলে দেখি আচৰিত হয় যে মাটিৰ গাথুনিত জমাট বন্ধা পাথৰ ইমান শক্তহৈ আছে যে পানীৰ চঁউ তাত নিয়ন্ত্ৰিত হৈ আছে।

আপাৰ অ্যানিকট বা আপাৰ কেলেৰুন বান্ধটো ১৮৩৬ - ৩৮ চনত ছ্যাৰ কটন কতৃক বনোৱা হয় - গ্ৰাণ্ড অ্যানিকটৰ পৰা প্ৰায় ৩২ কিমি. ৰ দূৰত্ব। বান্ধটোৰ দীঘল ৭২০ মিটাৰ, ২ মি. উখ আৰু ২২ টা স্লুইছ গেট আছে। ১৮৯০ ৰ পৰা ১৯০৪ চনৰ মাজত সকলো আপাৰ অ্যানিকটক পুনৰ্নিৰ্মান কৰা হয়।

বদ্বীপৰ পৰা ৬ কি.মি. দূৰত গ্ৰাণ্ড - অ্যানিকটৰ তলত কাৱেৰী - ভেন্নাৰ নিযন্ত্ৰক বনোৱা হয় ১৮৫১ চনত - এই নিয়ন্ত্ৰকৰ মাধ্যমত প্ৰধান প্ৰধান শাখা বা পৰিবহন খালৰ পানী নিয়ন্ত্ৰন কৰিব পাৰি। ভেন্নাৰ ৰ বাহিৰেও কাৱেৰীৰ আন আন সহায়ক নদীবিলাক হ'ল বড়াবৰ, কান্নানাৰ, বামানি, কুজাৰামুট্টি আৰু আৰাসালাৰ। তাঞ্জোৰ জিলাত কাবেৰীৰ বদ্বীপ অঞ্চল এই নদীবিলাকৰ কল্যানত জমি বৰ উৰ্বৰ হৈ উঠিছে।

গ্ৰাণ্ড অ্যানিকটৰ উত্তৰত গংগাইকোণ্ডা-চোলাপুৰম অৱস্থিত। এইটো ৰাজৰজা চোলৰ পুত্ৰ ৰাজেন্দ্ৰনৰ প্ৰাচীন ৰাজধানী আছিল। তেখেতে ধুনীয়া বৃহদেশ্বৰ মন্দিৰ বনাই তাৰ গৰ্ভগৃহত ৩.৯ মি. উখ শিৱলিংগ প্ৰতিষ্ঠা কৰে, দক্ষিণ ভাৰতত বৃহতম শিঁৱলিংগ এটা। উত্তৰ ভাৰতত তাৰ সামৰিক অভিযানৰ বিজয়ৰ স্মাৰক হিচাবে এইটো নিৰ্মান কৰিব বিচাৰিছিল। তেখেতৰ

গ্ৰাণ্ড অ্যানিকাট

সৈন্যবাহিনীয়ে বাংলা লৈকে আহি পায় আৰু উভতি যোৱাৰ সময়ত লগত কৰি লই আহে পবিত্ৰ গংগাৰ পানী। সেই কাৰনে ৰাজেন্দ্ৰনৰ আন নাম 'গংগাই কোণ্ডচোলন' যি চোল ৰজাই গংগাক দক্ষিনত বহন কৰি লৈ আহে। তাঞ্জোৰত অৱস্থিত ৰাজৰজাৰ বিশাল মন্দিৰৰ তুলনাত এই মন্দিৰৰ ভাস্কৰ্যশিল্পও কম নহয়। ইয়াৰ প্ৰধান চুড়াটো বৰ উঁখ নহলেও বৃহত্তম এটা জেগা লৈ ইয়াৰ প্ৰতিষ্ঠা ভাস্কৰ্য শিল্পও বৰ উচ্চ স্তৰৰ। মহামণ্ডপৰ ফালে মুখ কৰি আছে যি ডাঙৰ নন্দী, সেইটো ঠিক তাঞ্জোৰৰ নন্দীৰ দৰে। কোনো অজ্ঞাত কাৰনত কেইবছৰ মানৰ পাছত নগৰটো পৰিত্যক্তহয়, জনবসতি হীন হৈ পৰে।



গঙ্গাই কোণ্ডাচোলাপুৰম মন্দিৰ

পৰবৰ্তী শতিকাৰ পাছত শতাব্দী মন্দিৰখন সম্পূনভাৱে অৱহেলিত হৈ পৰি থাকে। কোলেৰুনৰ ওপৰত বাঁন্ধ বনোৱাৰ সময়ত ইংৰাজ ইঞ্জিনিয়ৰ সকলে এই পৰিত্যক্তঅবহেলিত মন্দিৰৰ দেওয়ালৰ পৰা পাথৰ খুলি লৈ সেইবোৰ বাঁন্ধৰ কামত ব্যৱহাৰ কৰে।

এটা সময়ত তাঞ্জোৰৰ সকলো বদ্বীপ অঞ্চল 'চোলমণ্ডলম নামেৰে পৰিচিত আছিল - এই অঞ্চলত চোলসকলৰ যি প্ৰাধান্য আছিল তাৰ প্ৰমান। খ্ৰীষ্টাব্দ ৯ ম শতিকাত বিজয়ালয় চোল ৰজাই তাঞ্জোৰ অধিকাৰ কৰাৰ, পাছতই তাঞ্জোৰ নগৰ চোল সাম্ৰাজ্যৰ ৰাজধানীৰ পৰিনত হয়। সংগম যুগত কাবেৰীৰ বদ্বীপ অঞ্চলত চোল সাম্ৰাজ্য বিস্তাৰ কৰিছিল। পাছত বিজয়ালয় আৰু তাৰপাছত তেঁখেতৰ পুত্ৰ আদিত্যৰ ৰাজত্বকালত আকৌ চোল সাম্ৰাজ্য বৰ শক্তিশালী আৰু ঐশ্বৰ্যশালী হৈ ওঠে, দক্ষিন ভাৰতত শক্তিশালী এটা ৰাজ্য প্ৰতিষ্ঠা কৰিছিল সিঁহতে, যাৰ প্ৰভৱ আছিল এযোদশ শাতিকালৈকে।

ৰঙ্গিনীৰ বুদ্ধি

শ্যামৰ তেতিয়া বিশ বছৰ বয়স। এদিনাখন আইতাই তেঁওক মাতি কলে, "চোৱা, যেতিয়া তোমাৰ এবছৰ বয়স হোৱা নাই তেতিয়াই তোমাৰ মাক - দেউতাক দুয়োৰ মৃত্যু হয়। মইই তোমাক ডাঙৰ দীঘল কৰো। তোমাৰ হয়তো কেতিয়াও মনত নেথাকে, বৰ সৰু আছিলা তুমি। জোয়ান লৰা আৰু বৌ চকুৰ আগত গুচি যায়, বাঁচি থকাৰ কোনো ইচ্ছা নাছিল, কিন্তু তোমাৰ ফালে চাই মোক বাঁচিব লগা হ'ল। তোমাক ডাঙৰ দীঘল কৰিবৰ বাবে মই কি কৰা নাই। শ্ৰমিকৰ কাম কৰিছো, মানুহৰ কথা শুনিব লগা হৈছে। কিন্তু সেই একেটা আশা, এদিনাখন ডাঙৰ হৈ তুমি নিজৰ ভৰিত থিয় হবা। এতিয়া তুমি জোয়ান হৈছা। মোৰ ওপৰত কোনো ভৰসা নাই আৰু। সেইদিনাখনৰ অপেক্ষাত আছো, যিদিনাখন অলপ শান্তিত মৰিব পাৰিম।

"তুমি বয়সত ডাঙৰ হৈছা ঠিকেই কিন্তু এতিয়াও সৰুৰ নিচিনা স্বভাৱ তোমাৰ। আৰু ভয়ও কৰা। আজিকালিৰ জগতৰ বাবে তুমি অলপো উপযুক্তনহয়। গাঁওৰ মানুহে তোমাক বৰ ভালদৰে জানে। আজিকালিৰ মানুহ বৰ লোভী, অকল পাব বিচাৰে, সিহতে তোমাক স্থিৰ থাকিব নিদিয়ে।

"মই তোমাৰ বাবে কেনেবাকৈ দহ হেজাৰ টকা বচাঁই ৰাখিছো। তুমি এই টকা লৈ চহৰত গুচি যোৱা, তাত চাৰি পাচটমান মহঁ কিনি দুধৰ ব্যৱসা আৰম্ভ কৰা। সেই পশু বিলাকে তোমাক একো ক্ষতি নকৰে। ইয়াত থাকিলে গাঁওৰ মানুহে অলপ দিনৰ মাজত তোমাৰ সেই টকা লুঠ কৰি ল'ব।" কোৱা শেষ কৰি শ্যামৰ হাতত আইতাই এখন মুনা দিয়ে।

কি দুখজনক সংযোগ। যিদিনাখন শ্যামক তাৰ আইতাই বুজালে আৰু টকা হাতত তুলি দিয়ে, সেইদিন ৰাতিই বুঢ়ীজনীৰ মৃত্যু হয়। ৰাতি টোপনিৰ পাছত আৰু উঠা নাই। শ্যামে স্থিৰ কৰে, মৃত্যুৰ আগত আইতাই যেনেকে তাক কৈছে তেনেকে কৰিব।

আইতাৰ শ্ৰাদ্ধৰ কাম শেষ হোৱাৰ পাছত চহৰত যোৱাৰ বাবে সাজ হয়। ভাবে টকাৰ মুনাখন গাঁওত থকা ঘৰ খনত ৰাখি গলে চুৰি

সুজাতা ৰাবল

হৈ যাব পাৰে। গাঁওৰ সাহুকাৰৰ ওচৰত তাৰবাবে টকা ৰাখি যোৱাৰ উচিত বুলি ভাৱে। আইতাও তেঁওৰ ওচৰত অৰ্থ জমা ৰাখিছিল। চহৰত যোৱাৰ আগদিনাখন অৰ্থভৰ্তি থলিখনলৈ সাহুকাৰৰ ওচৰত যায়।

সেই সময়ত সাহুকাৰ আৰু তেঁওৰ ঘৈনীয়েকৰ মাজত কাজিয়া চলি আছিল। কেইদিনমানৰ পাছত সাহুকাৰৰ শাশুৱেক অহাৰ কথা সিহঁতৰ ঘৰত। তাৰবাবে ঘৈনীয়েকে তাইৰ মাকৰ বাবে এখন শাড়ী কিনিব বিচাৰে। কিন্তু কৃপন সাহুকাৰে শাশুৱেকৰ বাবে শাড়ী কিনিবলৈ ৰাজী নহয়। তাৰবাবেই কাজিয়া। কিন্তু শ্যাম আহিছে দেখিবলৈ পাই মনে মনে বান্ধা ঘৰত গুচি যায়।

শ্যামে টকাৰ মুনাখন দি কলে, "দুদিন ভিতৰত চহৰৰ পৰা উভতি আহি লৈ যাম। আপোনাৰ ওচৰত এইটো ৰাখক।"

সাহুকাৰে মোনাখন হাতত লৈ কলে, "কিয় নাৰাখিম। অসহায় সকলক সহায় কৰাই মোৰ ধৰ্ম।"

সেই সময়তেই সাহুকাৰৰ ঘৈনীয়েকৰ হাতৰ পৰা পানীৰ কলহটো মাটিত পৰি ভাঙি যায়। সেই শব্দ শুনি ভয়তে শ্যামে কৈ ওঠে, "সেইটো কিহৰ শব্দ?"

"ভূ-কম্প। তুমি এতিয়াই গুচি যোৱা।" সাহুকাৰে স্যামক এনেধৰনে কলে কাৰন যদি তেঁওৰ ঘৈনীয়েকে আহি শ্যামৰ আগত চিক্ৰীব আৰম্ভ কৰে।

চহৰত গৈ গোটেইদিন ঘৰৰ সন্দানত ঘুৰে শ্যামে। কতো ঘৰ বিচাৰি নেপায়। সি বৰ ভাগৰি গৈছে, বৰ পিয়াহ লাগিছে। তেতিয়া প্ৰায় চহৰৰ সীমান্তত আহি পাইছে। তাত এখন ঘৰ দেখা পাই তাত পানী খোৱাৰ বাবে দৰজাত বাহিৰৰ পৰা শব্দ কৰে।

"কোন? কি লাগে?" ও'ঠৰ বছৰৰ এজনী ছোৱালীয়ে দৰজা মেলি সুধে।

"অলপ পানী পাম নেকি?"

"দেউতা! কোনোৱা আহিছে।" চিঞৰী ছোৱালী জনীয়ে কৈ ছোৱালীজনী ভিতৰত যায় পানী অনাৰ বাবে। ছোৱালীজনীৰ দেউতা মুকুন্দই আহি শ্যামক চাই কলে, "একো বেয়া নেভাবিবা। ইমান ডাঙৰ ঘৰত মই আৰু মোৰ ছোৱালী ৰঙ্গিনী, অমি দুয়ো থাকো। নতুন কোনোবাই আহিলে তাই ভয় খায়। এনেই তো আমাৰ ঘৰখন ডাঙৰ, ঘৰখনৰ লগত কোনো ঘৰ নাই। চহৰৰ একেবাৰে সীমানত থকাৰ বাবে কোনেও ইয়াত ভাড়াত থাকিব

নিবিচাৰে।”

তেতিয়ালৈকে ৰঙ্গিনীয়ে পানী লৈ আহে। শ্যামে পানী খোৱাৰ পাছত মুকুন্দৰ ওচৰত তেঁওৰ চহৰত অহাৰ কাৰন জনাই কলে, “যদি ইয়াত গৰু মঁহ ৰাখিব বাধা নিদিয়ে তেন্তে আপোনাৰ ঘৰ ভাড়া লব পাৰো।”

মুকুন্দই বিচাৰিছিল তেওঁৰ ঘৰত কোনো ভাড়াটিয়া আহক। ভাড়াটিয়া সকলে যদি ভাল হয় তেন্তে নিজৰ পৰিবাৰৰ নিচিনা হৈ যায়। মুকুন্দে খুচি হৈ ক'লে, “তুমি যেতিয়াৰ পৰা থাকিব বিচৰা, গুচি আহিবা। ভাড়া তোমাৰ যিমান সুবিধা দিবা।”

“নহয়, ভাড়া এতিয়াই ঠিক কৰি লোৱা ভাল।” ... শ্যামক বাধা দি ৰঙ্গিনীয়ে কলে, “মাহত দুশ টকা ভাড়া। ঠিক আছে ?”

শ্যামে মেনেকেই হওক এখন ঘৰ বিচাৰিছিল, চহৰত নহলেও তাৰ সীমানাৰ ভিতৰত হৈছে তো। পানী খাবলৈ আহি ইমান সহজে ঘৰৰ সন্ধান পাই যাব, ইমান সি আশা কৰা নাছিল। তাৰবাবেই দুশ টকা ভাড়া দিবলৈ ৰাজী হ'লে আৰু কলে দুদিনৰ মাজত সি গুচি আহিব। তাৰপাছত নিজৰ গাঁওৰ ফালে গৈ থাকে।

গাঁওত উভতি চিধা সাহুকাৰৰ ঘৰত গৈ টকাৰ মোনাখন বিচাৰে। সেইসময়ত সাহুকাৰে কেইজনমান মানুহৰ লগত কথা কোৱা ব্যস্ত হৈ আছিল।

“কোন টকা? কোন মোনা? কেতিয়া দিছিলা ?” সাহুকাৰে আচৰিত হৈ প্ৰশ্ন কৰে তাৰপাছথ খংখাই উঠে।

“সেইদিনাখন ভূ-কম্প হৈ আছিল। মনত পেলাৱক।” ভয়ত শ্যামে কলে।



হো হো কৰি হাঁহি উঠে সাহুকাৰে ক'লে, “মোৰ জীৱনত তেতিয়াও ভূ-কম্প হোৱা নাই। কি, আপোনা লোকৰ কাৰোবাৰ মনত পৰিছে যে ভূ-কম্প হৈছে ?” তাত যিসকলে আছিল সিহঁতক সুধে।

তাৰপাছত শ্যামক ধমকি দি কলে, “আইতায় মৰি যোৱাৰ ফলত দেখিছো তুমিও উল্টা পুল্টা কৰি আছা। যোৱা, যোৱা! আহিছা দহ হেজাৰ টকাৰ মোনা নিবলৈ।”

সাহুকাৰৰ কথা শুনি শ্যামে আচৰিত হৈ যায়। কি কৰিব নকৰিব একোকে ভাবি পোৱা নাই। তাৰ সকলো লুট হৈ গ'ল এনেকে। কি কৰিব চিন্তা কৰিব নোৱাৰে।

পাছদিনাখন চহৰত গৈ মুকুন্দক জনায় যে সি ঘৰ ভাড়া লব নোৱাৰে। তেঁওক আৰু তেঁওৰ ছোৱালী ৰঙ্গিনীক সকলো কলে;



পাব পৰা।" ৰঙ্গিনীয়ে দুজনক বুজাই কলে।

দুয়ো এখন বাকচ হাতত লৈ সাবধানে ওলায়। মুকুন্দয় বাক্স লৈ সাহুকাৰৰ ঘৰৰ ভিতৰত চিধা আহি চিয়াৰত বহে। শ্যামে বাহিৰত গলিত থিয় হৈ থাকে। সাহুকাৰে মুকুন্দক সুধে, "কোন আপোনি, একেবাৰে ঘৰৰ ভীতৰত ?"

মুকুন্দয় তেতিয়া ক'লে, "মহাশয়, আপোনাৰ বিশ্বাসযোগ্যতাৰ কথা শুনি মই আহিছো। এই গাঁওত শ্যামৰ লগত মোৰ ছোৱালীৰ বিয়া হব।"

শ্যামৰ নাম শুনি সাহুকাৰে কি কৰিব নকৰিব বুলি ভাৱি থাকে আৰু সুধে, "কি কামৰ বাবে আহিছে।"

মুকুন্দই ক'লে, "শ্যামৰ আইতাৰ ইচ্ছা আছিল শ্যামৰ বিয়া ইয়াৰ ৰামমন্দিৰত হব। ষাঠি হেজাৰ টকা ইয়াত এই বাকচত ৰ'ল। বিয়াৰ খৰচৰ কাৰনে যেতিয়া যিমান লাগে প্ৰয়োজন হ'লে ল'ম। আপোনি বিশ্বাসী মানুহ। আপোনাৰ ওচৰত টকাবিলাক সুৰক্ষিত থাকিব। অলপ কষ্ট দি আছো। ক্ষমা কৰিব।"

"ইয়াত কষ্টৰ কি আছে। মোক বিশ্বাস কৰি আপোনালোকক সেৱাৰ সুযোগ দি আছে, এইটোই মোৰ আনন্দ, আপোনা-লোকৰ মহানুভৱতা।" সাহুকাৰে কলে।

"সেই সময়ত শ্যামে ঘৰৰ ভিতৰত আহি ক'লে, "অহা কালি যেতিয়া দুদিনমান আগত দি যোৱা মোৰ দহ হেজাৰ টকা ভৰ্তি মোনাখন ঘুৰাই দিবলৈ অনুৰোধ কৰিছিলো তেতিয়া আপোনি কলে, মই আকৌ কেতিয়া আপোনাক টকাৰ দিছো। আপোনি আপোনাৰ

চকুৰে পানী আহি থাকে। তেওঁৰ কান্দা চাই মুকুন্দই কলে, তেঁওৰ ভাগ্যত হয়তো এনেকুৱাই আছিল। আৰু ভাগ্যত থাকিলে কি কৰিব পৰা যাব। কিন্তু ৰঙ্গিনীয়ে ক'লে, "দেউতা, আপোনি কিয় এনেকে কৈছে? সাহুকাৰে এজন চিধা মানুহৰ দহ হেজাৰ টকা ঠগাই লৈ যাব ? সেই অবিশ্বাসী, বিশ্বাসঘাতকৰ পৰা টকা ঘুৰাই পাবলৈ চেষ্টা কৰা উচিত।"

"কিন্তু আমি কি কৰিব পাৰো? কোনো প্ৰমান তো নাই যে শ্যাম সাহুকাৰক দহ হেজাৰ টকা ৰাখিবৰ কাৰনে দিছে।" হতাশাত মুকুন্দয়ে কলে।

"টকা ঘুৰাই পোৱাৰ আশা এতিয়াও আছে। মই যেনেকে কম, তেনেকে তোমালোক দুয়ো যদি কৰা তেন্তে টকা হয়তো

ঘনীয়েকৰ লগত কাজিয়া কৰি আছিলে। আপোনাৰ ঘনীয়েকে বৰ খং খাই উঠিছিল। ৰান্ধা ঘৰৰ পৰা এটা জোৰে শব্দ শুনি কৈছিলে, ভূ-কম্প কি এতিয়া আপোনাৰ মনত পৰিছে?"

সাহুকাৰে শ্যামৰ কান্ধত হাত ৰাখি কলে, "মোৰ ভালদৰে মনত পৰিছে যে তুমি এখন মোনাত দহ হেজাৰ টকা মোক ৰাখিব দিছিলা। কিন্তু যোৱাকালি কৈছিলো যে পাহৰি গৈছিলো। যিসকলে মোক কৈছিলে যে কালি, সিহতে ঋন নিবলৈ আহিছিলে। কিন্তু মই দিয়া নাই। কিন্তু টকাৰ খুউব প্ৰয়োজন সিঁহতৰ। যদি তোমাৰ সেইসময়ত টকা দিলো হয় তেতিয়াহ'লে তোমাৰ পৰা যেনেকেই হউক দিলো হয়। এতিয়া তোমাৰ টকা বেৰে লৈ যোৱা।" বহুতো কৈ সাহুকাৰে ভিতৰত গৈ টকা ভৰ্তি মোনাখেন আনি দিয়ে।

শ্যামে টকাৰ মোনাখন তুলি বাহিৰত লৈ আহে।

মুকুন্দেও তেতিয়া বাকচটো হাতত লৈ কলে, "আপোনাৰ কথাত গ'ম পালো শ্যামে কিমান মূৰ্খ আৰু কিমান ভয় কৰে। মোৰ কন্যাৰ লগত তাৰ বিয়া হব নোৱাৰে।" সাহুকাৰক ধন্যবাদ দি মুকুন্দও উলাই আহে। সাহুকাৰে আচৰিত হৈ মূৰত হাত দি চিয়াৰত বহি পৰে।

পাছদিনাখন শ্যামে তাৰ সকলো বস্তুবাহিনী লৈ চহৰত মুকুন্দৰ ঘৰত গুচি আহে। সিহঁতৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি ক'লে, "আপোনালোকৰ বাবেই মোৰ টকা ঘুৰাই পাইছো। আৰু চহৰত থাকিবলৈ ঠাই পাইছো। আপোনালোকৰ এই উপকাৰ কেতিয়াও পাহৰিব নোৱাৰো।"

মুকুন্দই ক'লে, "তুমি আহিছা ভালেই হ'ল। তোমাৰ সৰলতা আৰু মোৰ ছোৱালীৰ বুদ্ধিৰ ধুনীয়া এটা মিল আছে।"

ইমান ডাঙৰ সৌভাগ্য বিশ্বাস কৰিব নোৱাৰে শ্যামে। তাৰ মুখেৰে ওলাই আছে অলপ পানী।"

"এতিয়াই আনি আছো," কৈ লাজত ঘৰৰ ভিতৰত সুমাই আহে ৰঙ্গিনীয়ে।

দূৰৰ পাহাড় সদাই ধুনীয়া

পাকুড় গাঁওৰ কুদৰৎ আলীয়ে কাঠৰ কাম ভাল জানে। ওচৰা ওচৰিৰ গাঁওৰ জমিদাৰসকলে সিহতৰ খাট পালং চিয়াৰ টেবুল তেঁওক দি বনোৱায়। তেঁওৰ কামৰ প্ৰশংসা সকলোৱে কৰে। তথাপি, তেঁওৰ খোৱাবোৱাৰ বাহিৰে অতিৰিক্ত অৰ্থ হাতত নাথাকে। দিনে-ৰাতি পৰিশ্ৰম কৰি ঘনীয়েক আৰু লৰাছোৱালী হতক লৈ তেঁওৰ দিন কেনেবাকৈ পাৰ কৰে। ডাঙৰ ছোৱালীৰ বিয়াৰ বাবে বৰ চিন্তিত হৈ আছে।

কেইজনমান মানুহৰ আগত শুনিবলৈ পাইছে যে আৰব দেশত কাঠৰ মিস্ত্ৰিৰ বৰ চাহিদা আৰু তাত দহগুন বেছি মজুৰী। বহুতো মানুহে তাত গৈ বহু অৰ্থ উপাৰ্জন কৰি আছে। কুদৰৎ আলীয়ে ভাবে, সিও যদি দুই বছৰৰ বাবে তাত গৈ বহু অৰ্থ উপাৰ্জন কৰি উভতি আহে, কেনে হ'ব। দেশত কাঠৰ কাম কৰি কেতিয়াও তেঁও তেঁওৰ ছোৱালী হতক বিয়া দিব নোৱাৰে।

এইবোৰ ভাবি এদিনাখন তেঁও ৰাজধানীত গৈ এজন ৰাজকৰ্মচাৰীৰ লগত লগ কৰে। অলপ অৰ্থৰ বিনিময়ত তেঁও ৰজাৰ অনুমতিৰ ব্যৱস্থা কৰি দিয়ে আৰব দেশত য়োৱাৰ বাবে। আলীয়ে তেওঁৰ ঘৰখন এজন সাহুকাৰৰ ওচৰত বন্ধক ৰাখি টকা ধাৰ লয়। আৰবদেশত যোৱাৰ বাবে ৰজাৰ অনুমতি পাই যায়।

তেঁও তেঁওৰ ঘনীয়েক আৰু লৰাছোৱালী হঁতক বুজায়, "তোমালোকে ভয় নকৰিবা। মই যিখন দেশত গৈ আছো সেইখন দেশত বৰযুনৰ লগত সোন পৰে। মই গৈ পাইই তোমালোকৰ বাবে টকা-পইচা পঠিয়াই দিম। এবছৰৰ মূৰত সোন আৰু অৰ্থ লৈ উভতি আহিম। উভতি আহি ডাঙৰ ছোৱালীৰ ধূমধাম কৰি বিয়া দিম।"

তাৰপাছত তেঁও আৰব দেশত গুচি যায়।

আৰবদেশত গৈ কুদৰৎ অলীয়ে থকা খোৱাৰ ব্যৱস্থা কৰিব নোৱাৰে। গোটেই দিনটো কামৰ সন্ধানত উলাই যায়, গোটেই দিনৰ শেষত শুকান সস্তা খোৱা খাই ৰাস্তাত কাষত শুই থাকে। এনেদৰে এমাহ পাৰ হৈ যায় কিন্তু কোনো কাম নাপায়। যত মানুহে নতুন ঘৰ বনাই থাকে তাত দোৗড়ী যায়, গৈ শুনিবলৈ পায় আগৰ পৰাই কামৰ মানুহ আগৰ পৰাই ঠিক হৈ গৈছে। সেই ঠাইখিনিৰ কাঠৰ কাম সকলো নতুন নজৰে। আলীৰ তাৰবাবে কামও নিমিলে।

যি সপোন লৈ আহিছিল, সেইবোৰ সকলো ভাঙি যায়। অকলে অকলে দিন পাৰ কৰে। ঘনীয়েক সন্তান সকলৰ কথায় তেওঁক কষ্ট দিয়ে, যন্ত্ৰনা দিয়ে, সিহঁতৰ খোৱা বোৱাৰ খৰচ কেনেকৈ চলি ছে কোনে জানে। কোনেও নাই সিহঁতৰ দেখিবলৈকে।

এদিনাখন হঠাৎ মোল্লা খানৰ লগত লগ হৈ যায়। তেঁওৰ কাষত গাঁওৰ মানুহ, তাত ৰাজমিস্ত্ৰিৰ কামৰ বাবে আহিছে। কিন্তু তেঁখেতে কোনো কাম নাপায়। তেঁও কুলিৰ কাম কৰি দিনবোৰ পাৰ কৰে। নগৰৰ বাহিৰত এখন ডাঙৰ ঘৰ হৈ আছে, তাত কুলিৰ কাম কৰি মোল্লা খানে। কুদৰৎ আলীও কামৰ সন্ধানত তাত যায়।

সেইদিনাখনৰ পৰা সিহঁত দুয়োৱে একেলগে থাকে, খায়, কাম কৰে। এদিনাখন কুদৰৎ আলী মোল্লা খানক কলে, "ভাই, মোৰ ঘনীয়েক সন্তানসকলৰ তো আল্লাৰ ভৰসাত এড়ি দি আহিছে। সিহঁতক কৈ আহিছিলো যে ইয়াত অহাৰ পাছত টকা পঠাই দিম। কিন্তু ইয়াত আহি যেনেকৈ ভাবিছিলো তেনেকৈ নহ'ল। নাজানো, সিহতৰ অৱস্থা কি। মই সোনকালত উভতি যাব বিচাৰো দেশত।" কৈ কৈ কুদৰৎ আলীৰ চকুদুটা পানীৰে ভৰি ওঠে।

মোল্লা খানৰ হৃদয় ভাৰী হৈ ওঠে। "তুমি যদি মনে কৰা মোৰ পৰা অলপ ধন লৈ ঘৰত পঠিয়াই দিয়া। তাৰপাছত দুই-চাৰি মাহ কামৰ পাছত হাতত কিবা জমিলে তেতিয়া ঘৰত উভতি যাবা।" মোল্লা খানে কলে।

কুদৰৎ আলীয়ে মোল্লা খানৰ পৰা অৰ্থ লৈ ঘৰত পঠিয়ায় আৰু সহায়তাত দিন চলায়। দু-মাহৰ মজুৰৰ কাম কৰাৰ পাছত সেই কামৰ বিনিময়ত প্ৰাপ্য অৰ্থ লৈ ঘৰত উভতি আহে।

ঘৰত আহি দেখিবলৈ পায় সন্তান সকলে অনাহাৰত বেমাৰত আক্ৰান্ত হৈছে। তেঁওক দেখিবলৈ পাই ঘনীয়েকে কিবাকিবি কবলৈ আৰম্ভ কৰে, সন্তান সকলে কান্দিবলৈ আৰম্ভ কৰে। ঘনীয়েক সন্তানসকলৰ দুৰ্ভোগৰ কথা শুনাৰ পাছত তেঁও আৰবদেশত তেঁওৰ দুখৰ অভিজ্ঞতাৰ কথা কলে। তেতিয়া ঘনীয়েকে কলে, "দুৰৰ পাহাড় সদাই ভাল লাগে। এতিয়া এই কথা তুমি নিশ্চয়ই বুজি পাইছা।"

৫২ - শিখণ্ডীৰ জীৱন বৃত্তান্ত

মহাভাৰত

দুৰ্যোধনে জানিবলৈ বিচাৰিলে পিতামহ দুয়ো পক্ষৰ যোদ্ধাসকলৰ বিষয়ে বৰ্ননা দিয়ে। শিখণ্ডীৰ সম্বন্ধে কোৱাৰ সময়ত কলে যে, শিখণ্ডীক তেঁখেতে বধ কৰিব নোৱাৰে। যদি তেঁৱে তেঁওৰ লগত যুদ্ধ কৰিবলৈ আহেও, তথাপি তেওঁৰ বিৰুদ্ধে অস্ত্ৰ নধৰে।

দুৰ্যোধনে তেতিয়া অকৌ প্ৰশ্ন কৰে, "আপোনি কৈছিলে যুদ্ধত সকলো শত্ৰুক বিনাশ কৰিব। কিন্তু এতিয়া কৈ আছে যে, শিখণ্ডীক বধ নকৰে।"

ইয়াৰ উত্তৰত পিতামহ ক'লে, "ইয়াৰ কাৰন বিস্তাৰিত কৈ আছো। ইয়াত উপস্থিত সকলে মনদি শুনক :

মোৰ দেউতা মহাৰাজ শান্তনুই বহুদিন ৰাজত্ব কৰে। তেঁওৰ মৃত্যুৰ পাছত মই চিত্ৰাংগদক সিংহাচনত বহুৱাও। কিন্তু তেঁওৰ মৃত্যু অসময়ত হোৱাৰ কাৰনে চিন্তাত পৰে, কাক সিংহাচনত বহাব। মোৰ নিৰ্দেশত নাবালক বিচিত্ৰবীৰ্যই ৰাজ্য শাসন কৰি গৈ থাকে। কিন্তু তাৰ যৌৱনপ্ৰাপ্তি হোৱাৰ পাছত তেতিয়া মোৰ আকৌ চিন্তা আৰম্ভ হয়। কাৰন এনেকুৱা শক্তিশালী সি নাছিল যে নিজে কোনো ৰাজকুমাৰীক হৰন কৰি আনিব পাৰে।

সেই সময়ত কাশীৰাজ তেঁওৰ তিনি কন্যাৰ বাবে সৱয়ম্বৰ আয়োজন কৰে। তিনিজন ৰাজকুমাৰীৰ নাম - অম্বা, অম্বিকা আৰু অম্বালিকা। সকলো ৰজাৰ লগত সেই স্বয়ম্বৰত বিচিত্ৰবীৰ্যও আমন্ত্ৰিত হয়। কিন্তু তেঁওৰ সিমানখিনি সামৰ্থ্য নথকাত মই অকলে মোৰ ৰথেৰে কাশীত গৈ পাও। তিনিজন ৰাজকন্যাৰ সৌন্দৰ্য অনুপম, অতুলনীয়। তাত উপস্থিত সকলো ৰজাক মই দেখি সিঁহতৰ শক্তিসম্বন্ধে



অনুমান কৰি লও। তাৰপাছত তিনিজন ৰাজকুমাৰীক নিজৰ ৰথত তুলি আনি বহুৱাই উপস্থিত ৰজাসকলৰ উদ্দেশত কও মই মহাৰাজ শান্তনুৰ পুত্ৰ ভীষ্ম। তিনি-ৰাজকুমাৰীক মই ৰথত লৈ যাত্ৰা কৰি আছো। যদি কাৰোবাৰ শক্তি আৰু সামৰ্থ্য থাকে তেতিয়াহলে ৰাজকুমাৰী সকলক মোৰ পৰা লৈ যাব পাৰে।

উপস্থিত ৰজাসকলে মোৰ ওপৰত একেলগে আক্ৰমন কৰে। নিজৰ নিজৰ ৰথ, অশ্ব, হস্তীৰ ওপৰত আৰোহন কৰি চাৰিওফালৰ পৰা মোক ঘেৰাও কৰে। কিন্তু মোৰ নিক্ষিপ্ত তীৰৰ আগত সিহঁতে থিয় হব নোৱাৰে, পলাই গুচি যায় প্ৰান লৈ।

মই সেই তিনিজন ৰাজকুমাৰীক মোৰ মাক সত্যৱতীৰ হাতত অৰ্পন কৰি জনাও যে কাশীৰাজৰ তিনিজন কন্যাক মই হৰন কৰি লৈ আহিছো। তাহাত সকলে বিচিত্ৰবীৰ্যৰ ৰানী হব। তাহাত সকলৰ বিয়াৰ সকলো আয়োজন যেন তেখেতে কৰে। মা সত্যবতীয়ে বৰ খুচি হয়।

বিয়াৰ প্ৰস্তুতি যেতিয়া চলি আছিল, তেতিয়া কাশীৰাজৰ ডাঙৰ কন্যা অম্বাই মোক কলে, "তাই শাল্বৰজাৰ প্ৰতি অনুৰক্ত আৰু শাল্বও তাইক বিচাৰে। দুয়ো দুয়োক প্ৰেম কৰে, দুয়োৱে বিয়াৰ বাবে একমন। কিন্তু তাইৰ তেউতাই এই বিষয়ে নাজানে। মই যেন তাইক শাল্বৰজাৰ ওচৰত পঠিয়াই দিও, তাৰবাবে প্ৰাৰ্থনা কৰে।

মোৰ মাতা সত্যবতী আৰু পুৰোহিত সকলৰ পৰামৰ্শ লৈ অম্বাক সসম্মানেৰে শাল্বৰজাৰ ওচৰত পাটিয়াই দিয়ে।

কিন্তু ৰজা শাল্বই বিয়া কৰাবলৈ অস্বীকাৰ কৰি কলে, 'যাক ভীষ্মই বলপূৰ্বক হৰন কৰি লৈ গৈছে তাইক মই গ্ৰহন কৰিব নোৱাৰো। তোমাৰ ওপৰত তেঁওৰ অধিকাৰ এতিয়া। তেওঁ যদি তোমাক বিয়া কৰাবলৈ নিবিচাৰে তেন্তে স্বাধীনভাবে তুমি হাত যাব বিচৰা তাকেই যাব পাৰা।"

তেঁওক বৰ অনুৰোধ কৰে, প্ৰাৰ্থনা জনায়, কিন্তু ৰজা শাল্বই মতৰ পৰিবৰ্তন নকৰে। অম্বাই তেতিয়া ভাৱে, মই তাইক হৰন কৰিছো বুলিয়েই শাল্বই প্ৰত্যাখ্যান কৰিছে। মোৰ ওপৰত তাইৰ বৰ খং ওঠে, ঘৃনা কৰিবলৈ আৰম্ভ কৰে; মোৰ বিৰুদ্ধে প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰে।

শাল্বই অসম্বীকাৰ কৰাৰ পাছত অম্বাই সৈখাবত্য ঋষিৰ আশ্ৰমত গৈ ঋষিৰ ওচৰত তাইৰ লগত হোৱা ঘটনাৰ বিষয়ে কয়। ঋষিয়ে কলে, তাত বহুতো তপস্বী থকা সত্বেও তাইক কোনো সহায়তা কৰিবলৈ অসমৰ্থ তেখেতে।

অম্বাই তেতিয়া কলে, জীৱনত হতাশাৰ ফলতেই তাই তপস্যা কৰিব বিচাৰে। তাইক যেন তপস্যাৰ বাবে সহায়তা কৰে।

ঋষি-মুনি সকলে তাইক পৰামৰ্শ দিয়ে তাইৰ দেউতা কাশীৰাজৰ ওচৰত যাবলৈ। কিন্তু অম্বাই যাবলৈ অস্বীকাৰ কৰে। সেই সময়ত সেই আশ্ৰমত হোত্ৰবাহন নামেৰে এজন ৰাজৰ্ষি আহি উপস্থিত হয়। তেখেতে সম্পৰ্কত অম্বাৰ ককাদেউতা আছিল। অম্বাৰ কাহিনী শুনাৰ পাছত তেখেতে কলে, "অম্বা, তপস্যা কৰাটো তোমাৰ সামৰ্থ্যৰ বাহিৰত। সংসাৰত আকৰ্ষন তপস্যা পথৰ বাধা। দি শাল্বৰজাই তোমাক অস্বীকাৰ কৰি থাকে তেন্তে ভীষ্মৰ ওচৰত গুচি য়োৱা। পৰশুৰামে তোমাক এই কামত সহায়তা কৰিব। তেঁও তোমাক ভীষ্মৰ ওচৰলৈ লৈ যাব। যদি ভীষ্মই তোমাক অস্বীকাৰ কৰে তেন্তে তেওক বাধ্য কৰিব পাৰে আৰু যদি প্ৰয়োজন হয় তেতিয়াহলে তেঁওৰ লগত যুদ্ধ কৰিব পাৰিব।"

অপূৰ্ব সংযোগ। পাছদিনাখানেই পৰশুৰামে মহেন্দ্ৰপৰ্বতৰ পৰা সেই আশ্ৰমত আহে। আশ্ৰমৰ সকলোৱে আৰু অম্বাই তাইৰ সখী সকলক লৈ তাক স্বাগত জনায়, সেৱা কৰে। হোত্ৰবাহনৰ লগত তেঁওৰ কথা পাতে। হোত্ৰবাহনক তেঁওৰ পোত্ৰী অম্বাৰ দুখৰ কাহিনী কৈ প্ৰাৰ্থনা জনায়, যদি ইয়াৰ সমস্যা সমাধানৰ কিবা কৰিব পাৰে।

পৰশুৰামে অম্বাক সুধে, তাই শাল্বৰজাৰ ওচৰত যাব বিচাৰে, নে মোৰ ওচৰত। যাৰ ওচৰত অম্বাই যাব বিচাৰিব তাৰ ওচৰত লৈ যাব।

অম্বাই কলে, ভীষ্মৰ বাবেই মোৰ ইমান কষ্ট, তেঁওৰ বাবেই মোৰ ইমান দুৰ্গতি। যদি তেঁৱে মোক বলপূৰ্বক হৰন নকৰিল হয় তেন্তে শাল্বৰজাই কেতিয়াও মোক অস্বীকাৰ নকৰিল হয়। তেঁও এতিয়াও মোক আগৰ দৰেই ভালপায়, কিন্তু সমাজৰ ভয়ত মোক স্বীকাৰ কৰিবলৈ তেঁওৰ ইমান সংকোচ। ভীষ্মক মই ঘৃনা কৰো, সেই ঘৃনাৰ জুইত মোৰ অন্তৰ জ্বলি আছে। ইয়াৰ প্ৰতিশোধ যেতিয়ালৈকে মই লব নোৱাৰো, তেতিয়ালৈকে মোৰ শান্তি নাই। ভীষ্মক বধ কৰিবৰ বাবে মই তপস্যা কৰিব বিচাৰো।"

ইয়াৰ উত্তৰত পৰশুৰামে কলে, "মই ভীষ্মক হত্যা কৰিব নোৱাৰো কিন্তু তেঁও যদি তোমাক স্বীকাৰ নকৰে তেন্তে যুদ্ধ কৰিম।" তাৰপাছত কেইজনমান ঋষিক লৈ তেখেতে সৰস্বতী নদীৰ পাৰত কুৰুক্ষেত্ৰত আহি মোক সংবাদ পঠিয়ায়। তাতেই অপেক্ষা কৰি থাকে।

মই এটা গাই গৰু আৰু কেইজনমান

ব্ৰাহ্মনকৈলে তাৰ লগত লগ কৰি সৎকাৰ কৰো। পৰশুৰামে কলে, "ভীষ্ম, গোটেই জীৱন কুমাৰ থাকিবা বুলি প্ৰতিজ্ঞা কৰিছা। তেতিয়াহলে কিয় তুমি অম্বাক হৰন কৰিছিলা? আৰু যদি কৰিছা, তেন্তে নিজৰ ওচৰত কিয় নেৰাখিলা? তোমাৰ বাবেই তাইৰ জীৱন নষ্ট ভ্ৰষ্ট হৈ গৈছে। এতিয়া তাইক আৰু কোনে বিয়া কৰাব? তোমাৰ হৰ নৰ বাবেই শাল্বৰজাই তাইক গ্ৰহন কৰিবলৈ অস্বীকাৰ কৰে। এতিয়া তাইক তুমিই বিয়া কৰাৰ লাগিব।

মই তেতিয়া তাক বুজাবলৈ চেষ্টা কৰো, তাক কওঁ, মোৰ গৈমাত্ৰয় ভায়েক বিচিত্ৰবীৰ্যৰ লগত বিয়া কৰোৱাৰ বাবেই কাশীৰাজৰ তিনিজন ৰাজকুমাৰীক হৰন কৰি লৈ আহো। মোৰ বাবে ৰাজকুমাৰী সকলক হৰন কৰা নাই, এই কথা সকলোকে জনায়। অবিৱাহিত থকাৰ প্ৰতিজ্ঞা কৰিছো মই। কোনো পৰিস্থিতিত মই বিয়া নকৰাও, যদি তাৰবাবে ইন্দ্ৰৰ লগত যুদ্ধ কৰিব লগা হয় তেতিয়াহলেও নকৰাও।

মোৰ কথা শুনি তেঁও ক্ষিপ্ত হৈ ওঠে। মোক সাৱধান কৰি তেঁও কলে, যদি অম্বাক বিয়া নকৰাও তেন্তে মোক বধ কৰিব।

তেঁও মোৰ গুৰু, তেঁওৰ লগত যুদ্ধ কৰিব মই নিবিচাৰো। সেই কথা মনত পেলাই দি কলো, তেখেতে মোক অস্ত্ৰবিদ্যা শিকাইছে লগতে যুদ্ধ বিদ্যাও শিকাইছে। তেতিয়া তেখেতে কলে, "যদি মই তোমাৰ গুৰু হও তেন্তে গুৰুৰ আদেশ পালন কৰা।"

তেতিয়া তেখেতক মই কলো, কোনো পৰিস্থিতিতেই প্ৰতিজ্ঞা ভংগ কৰি অধৰ্ম কৰি নোৱাৰো। যদি ইয়াৰ বাবে গুৰুৰ লগত যুদ্ধ কৰিবলগা হয় তাতও মই প্ৰস্তুত। যুদ্ধৰ বাবে তেখেতৰ জেদ দেখি শেষত মোক ৰাজী হ'ব লাগিল যুদ্ধৰ বাবে। কুৰুক্ষেত্ৰ প্ৰান্তৰত যুদ্ধ হব।

যুদ্ধ আৰম্ভ হোৱাৰ আগত হস্তিনাপুৰত আহি, মা সত্যবতীৰ ওচৰত সকলো বিবৰন দি তেঁওৰ আশীৰ্বাদ লৈ কুৰুক্ষেত্ৰত গৈ পায়। পৰশুৰাম তাত আহি মোৰ বাবে অপেক্ষা কৰে। আমাৰ দুয়োৰ যুদ্ধ চোৱাৰ বাবে বহুতো মুনি-ঋষি তাৰ উপস্থিত হৈছিল।

আমাৰ দুয়োৰ মাজত যুদ্ধ হয়। চব্বিশ ঘন্টা একে লগে যুদ্ধৰ পাছত তেখেতে পৰাজয় স্বীকাৰ কৰে। তাৰপাছত অম্বাক কলে, "দেখিলা তো, মই ভীষ্মক পৰাজিত কৰিব নোৱাৰিলো। তুমি নিজে তাৰ শৰন লোৱা।

সেয়া কৰিবলৈ অস্বীকাৰ কৰে অম্বায়, আৰু মোক বধ কৰাৰ বাবে যমুনাৰ পাৰত তপস্যাৰ বাবে যায়। তাই তাত বাৰ বছৰ তপস্যা কৰে। বিপদৰ পৰা বাঁচাবলৈ তাইৰ

ভায়েক তাইক ঘৰত উভতাই আনিবৰ বাবে যায়।

তাইৰ তপস্যা ভঙিবৰ বাবে বহুতো চেষ্টা কৰে। কিন্তু তাইৰ তপস্যা ভাঙিব নোৱাৰে। তাইৰ তপস্যাত খুচি হৈ শিৱে তাইক দেখা দি বৰ প্ৰাৰ্থনা কৰিবলৈ কলে। মোক যুদ্ধত হেৰুৱাই বধ কৰিবৰ বৰ প্ৰাৰ্থনা কৰে অম্বাই।

শিৱে বৰ প্ৰাৰ্থনা কৰি তাইক কলে, "অহা জন্মত তুমি নাৰী হৈ জন্ম লবা। কিন্তু নিৰ্দিষ্ট কালৰ পাছত পুৰুষত্ব লাভৰ পাছত যুদ্ধত ভীষ্মক বধ কৰিব পাৰিবা।

বৰ সোনকালত মোৰ বিৰুদ্ধে প্ৰতিশোধ লব বিচাৰে অম্বায়। তাৰবাবে, সেই সময়ত চিতা বনাই সেই চিতাৰ জুইত জপিয়াই পৰি কলে 'ভীষ্মক সোনকালে বধ কৰিবৰ বাবেই মই জুইত প্ৰবেশ কৰিছো।

সেই অম্বায় এইটো জন্মত দ্ৰুপদৰ ছোৱালী চিখণ্ডী নাম লৈ আহিছে।

ৰজা দ্ৰুপদ যুদ্ধত মোৰ ল'গত পৰাজিত আৰু অপমানিত হয়, তাৰবাবে সিহতেও ইয়াৰ প্ৰতিশোধ লব বিচাৰিছিলে। মোক বধ কৰিবলৈ এটি সন্তানৰ বাবে তপস্যা কৰিবলৈ আৰম্ভ কৰে। শিৱে খুচি হৈ তেঁওক বৰ দিয়ে, 'তোমাৰ ঘৰত প্ৰথমে কন্যা হিচাপে এটি সন্তানৰ জন্ম হ'ব। পাছত তাইই পুৰুষলৈ পৰিবৰ্তিত হ'ব। যুদ্ধত তাইৰ হাতত ভীষ্মৰ মৃত্যু হব।

এটা সময়ত দ্ৰুপদৰ পত্নীয়ে এটি কন্যাৰ জন্ম দিয়ে। কিন্তু দ্ৰুপদে ঘোষনা কৰে যে তেঁওৰ এটি পুত্ৰ সন্তান হৈছে। কন্যাৰ জন্মক সম্পূৰ্ন লুকুৱাই সেই কন্যাক পুত্ৰৰ দৰে ডাঙৰ দীঘল কৰে, কাৰন দ্ৰুপদৰ শিৱৰ বৰদানৰ ওপৰত আছিল পূৰ্ন বিশ্বাস আৰু নিৰ্ভৰতা। কন্যাৰ নাম ৰাখে শিখণ্ডী।

জন্মৰ পৰাই শিল্প আৰু যুদ্ধ কলাত চিখণ্ডীৰ প্ৰতিভা আৰু দক্ষতা দেখিবলৈ পোৱা যায়। পুৰুষৰ বেশত দ্ৰোনাচাৰ্যৰ ওচৰত গৈ ধনুবিদ্যা অভ্যাস কৰে।

লাহে লাহে বিয়াৰ যোগ্যা পূৰ্ন বিকশিত এজনী যুবতীত পৰিনত হয় তাই। দ্ৰুপদে ভাৱে, তাইৰ বিয়া কাৰ লগত দিব, এজনী নৰৰ লগত অথবা এজনী নাৰীৰ লগত। কাৰন, শিৱৰ বৰদানৰ ফলত এটা সময়ত তাই পুৰুষ ৰূপ পাবই। কিন্তু তেতিয়ালৈকে তাইৰ স্ত্ৰী-ৰূপ। ঘনীয়েকৰ পৰামৰ্শত এজনী নাৰীৰ লগত বিয়া দিয়াৰ সিদ্ধান্ত লয়। তেতিয়ালৈকে সকলো গোপন আছিল, কোনেও নাজানে।

দশাৰ্নৰজা হিৰন্যবৰ্মাৰ এজনী কন্যা আছিল, তাইৰ নাম চিখণ্ডী। বৰ অনন্দেৰে দেখেতে তেখেতৰ কন্যা চিখণ্ডীৰ লগত দ্ৰুপদৰ কন্যাক পুত্ৰ হিচাপে বিয়া দিয়ে। দুয়ো

চিখণ্ডীৰ বিয়া সম্পন্ন হয়।

কিন্তু দশার্ন ৰজাৰ কন্যাই বৰ সোনকালতে জানিবলৈ পালে যে তাইৰ গিৰিয়েক এজনী ৰমনী। এই কথাষাৰ যেতিয়া দশার্নৰজাই জানিবলৈ পায়, তেখেতে বৰ ক্ষিপ্ত হৈ ওঠে। দ্রুপদৰ ওচৰত সংবাদ পঠিয়ায় যে, কন্যাক পুত্ৰৰূপত দশার্নৰজাৰ কন্যাৰ লগত বিয়া দি তেখেতক বৰ অপমান কৰিছে দ্রুপদে। ইয়াৰ প্রতিশোধ লোৱা হ'ব দ্রুপদ ৰাজ আৰু ৰাজ্যক সৰ্বনাশ কৰি। দশার্নৰাজ যুদ্ধৰ বাবে প্রস্তুত হয়।

ৰজা দ্রুপদ আৰু তেখেতৰ ৰানীয়ে এই সংবাদ শুনিবলৈ পাই বৰ আতংকিত হৈ পৰে। সিহতৰ সৈন্যশক্তিও তেনেকুৱা নহয় যে দশার্নৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিব পাৰিব। ইয়াৰ ওপৰি, চিখণ্ডী সম্বন্ধে যি গোপনীয়তা ৰক্ষা কৰি আহিছে সেয়া প্রকাশ হৈ গলে আন আন ৰজা সকলে তেখেতক লৈ হাঁহি ধেমালি কৰিব। চিখণ্ডীয়ে তাইৰ মা-দেউতাকৰ এই অৱস্থা সহ্য কৰিব নোৱাৰে। তাইই এইটো বিষৰ বাবে দায়ী। এই বুলি ভাৱি চিখণ্ডীয়ে অৰন্যত গৈ মৰিব বুলি স্থিৰ কৰে। যি অৰন্যত আছে সেই অৰন্যত স্থুনাকর্ন নামেৰে কুবেৰৰ এজন যক্ষ অনুচৰ তাত বাস কৰিছিল, তেওৰ প্রদেশ সেই অৰন্য।

চিখণ্ডীয়ে সেই অৰন্যত খেৰোবোৱা এড়ি নিজৰ প্রানটোক আহুতি দিয়াৰ সিদ্ধান্ত লয়। তাইৰ অৱস্থা দেখি যক্ষই সুধে, 'দেবী, কোন তুমি তোমাৰ এই নির্জন যক্ষ প্রদেশাত অহাৰ কাৰন নো কি?''

নিৰাশ হৈ চিখণ্ডীয়ে তেওঁক কলে, তাইৰ অসহ্য কষ্ট যন্ত্রনা আৰু সেয়া দূৰ কৰা সম্ভৱ নহয়। তেতিয়া যক্ষই নিজৰ পৰিচয় দি কলে, তেঁও এজন যক্ষ, কুবেৰৰ এজন অনুচৰ, তেঁও বৰপ্রদান কৰি তেওঁৰ দুখ যন্ত্রনা বিপদক সমাধান কৰিব পাৰিব।

চিখণ্ডীয়ে তেতিয়া তাইৰ নিজৰ আৰু তাইৰ দেউতা মাকৰ বিষয়ে জনায়, বিপদৰ কথা সকলো কলে। তাইৰ অসহনীয় অৱস্থাৰ বর্ননা শুনি যক্ষৰ দয়া হয়। কিন্তু তেঁওৰ ইমান শক্তিনাই যে, সেই মুহূর্তত গোটেই জীৱনৰ বাবে চিখণ্ডীক পুৰুষ ৰূপ দিব পাৰে। অলপ কেইদিনৰ বাবে নিজৰ পুৰুষত্বক দিয়াৰ শক্তি তেঁওৰ আছিল।

'কেইদিনমানৰ বাবে মই তোমাক মোৰ পুৰুষত্ব দি আছো, তোমাৰ স্ত্রী-ৰূপ মই গ্রহন কৰিছো। তোমাৰ দেউতাকৰ বিপদ পাৰ হলে এই অৰন্য প্রদেশত আহি মোৰ পুৰুষত্ব ঘুৰাই দি তোমাৰ স্ত্রীত্ব ঘুৰাই লবা। এনেদৰে মই তোমাক সাহায্য কৰিব পাৰো। চিখণ্ডীৰ ওপৰত দয়া প্রকাশ কৰি স্থুনাকর্নয় কলে।

তেতিয়া চিখণ্ডীয়ে মানি লয় যক্ষৰ কথা।

পুৰুষৰূপত চিখণ্ডীয়ে অৱন্যৰ পৰা ওলাই বৰ খুচি হয় আৰু মাক দেউতাকৰ লগত লগ কৰে।

দ্ৰুপদে বৰ খুচি হয়। তেখেতে দশাৰ্ন ৰজাক সংবাদ পঠিয়ায়, 'মোৰ পুত্ৰ সম্বন্ধে আপোনা কিয় সন্দেহ নাজানে। সি এজন পুৰুষ। তথাপি আপোনাৰ সন্দেহ নগলে আপোনি নিজে আহি তাৰ পৰীক্ষা লওক।

সংবাদ পাই দশাৰ্নৰজায় কেইজনমান দাসীক পঠিয়ায়। যেতিয়া তেখেতৰ বিশ্বাস হয় যে দ্ৰুপদৰ পুত্ৰ চিখণ্ডী সচাঁকৈ পুৰুষ, তেতিয়া কন্যাক তাত পঠাই দিয়ে আৰু তেখেতৰ আগৰ মিছা ধাৰনাৰ বাবে অনুতপ্ত হৈ দ্ৰুপদৰ ওচৰত ক্ষমা ভিক্ষা কৰে।

কেইবছৰমান পিছত কুবেৰে এদিনাখন তেঁওৰ বিমানেৰে স্থুনাকৰ্নৰ অৰন্যত আহে। স্ত্ৰীৰূপ ধাৰন কৰাৰ বাবে স্থুনাকৰ্নয় কুবেৰৰ লগত লগ কৰিব নহাৰ বাবে তেঁও বৰ আচৰিত হয়। কুবেৰৰ দূত সকলে তাক স্ত্ৰী ৰূপত তেঁওৰ আগত আনি উপস্থিত কৰিলে স্ত্ৰী ৰূপ পোৱাৰ কাৰনটো সুধে। স্থুনাকৰ্নই সকলো ঘটনা কলে কুবেৰে ক্ৰুদ্ধ হৈ তেঁওক শাপ দিয়ে, তেঁও যেন গোটেই জীৱন স্ত্ৰী হৈ থাকিব আৰু চিখণ্ডীয়ে পুৰুষ হৈ জীৱন কটাব। স্থুনাকৰ্ন বৰ অনুনয় কৰে। তেতিয়া কুবেৰে কলে, চিখণ্ডীৰ মৃত্যুৰ পাছত তেঁও তেঁওৰ পূৰ্ব-পুৰুষ-ৰূপ লাভ কৰিব।

আনফালে চিখণ্ডীয়ে পুৰুষ-ৰূপত আনন্দেৰে বিয়াৰ জীৱন কটাই থাকে। ৰজা দ্ৰুপদ আৰু ৰানীয়ে ভগবান শিৱৰ বৰদান সত্যত পৰিনত হোৱাৰ বৰ খুচি হয়। কিন্তু কেইদিনমানৰ পাছত চিখণ্ডীৰ মনত পৰিল, সি যক্ষক কি কথা দিছিলে। পাহৰি গৈছিলে।

কেইদিনমানৰ পাছত চিখণ্ডীয়ে অৰন্য প্ৰদেশত যায় স্থুনাকৰ্নক তাৰ পুৰুষত্ব ঘুৰাই দিবলৈ। কিন্তু কুবেৰৰ অভিশাপৰ ফলত স্থুনাকৰ্নই তেঁওৰ পুৰুষত্ব ঘুৰাই লব নোৱাৰে চিখণ্ডীৰ পৰা। তাৰবাবে চিখণ্ডীয়ে আজীৱন পুৰুষৰূপ লৈ থাকে।"

পিতামহ ভীষ্ম দুৰ্যোধন আৰু আন সকলোকে চিখণ্ডীৰ বৃত্তান্ত শুনাই তাৰপাছত ক'লে, "পূৰ্ব জন্মৰ অম্বাই মোক বধ কৰিবৰ পন কৰি চিখণ্ডী ৰূপত আহিছে, মই যেনেকে তোমাক কৈ আছো। মোৰ প্ৰতিজ্ঞা যে, কোনো স্ত্ৰীক, ক্লীব বা যি স্ত্ৰীয়ে পুৰুষ হৈছে বা অস্ত্ৰহীনৰ বিৰুদ্ধে কেতিয়াও মই অস্ত্ৰ উঠাব নোৱাৰো। তাৰবাবে, মই চিখণ্ডীৰ লগত যুদ্ধ কৰিব নোৱাৰো, তাক বধ কৰিব ও নোৱাৰো।"

সচাঁকে জয়

এদিনাখন আবেলি চাৰিজন বন্ধুয়ে উভতি আহিছিল। অলপ বিশ্রামৰ বাবে বহে এজোপা গছৰ তলত। বিশ্রাম কি আৰু হয়। আৰম্ভ হয় সাধু, সাধু কৈ কৈ আলোচনাত আহে।

ভূষনে কৈ ওঠে, "মানুহৰ বাবে কোনো কামেই অসম্ভৱ নহয়। যদি সচাঁকে কোনোৱায় কৰিব বিচাৰে আৰু চেষ্টা কৰে তেতিয়াহলে যি কোনোৱায় বৰ টান কামও তাৰ পক্ষত সহজ হৈ উঠিব।"

"যি-কাম মোটেই সম্ভৱ নহয়, সেই কামত মানহে যিমান চেষ্টা নকৰক কিয়, কেতিয়াও সফল নহব বা সম্পূৰ্ন কৰিব নোৱাৰে।" প্ৰসন্নয় ভূষনৰ কথাত অসম্পত্তি জনাই কলে।

আলোচনা বৰ গভীৰ হৈ ওঠে। দুয়োজনৰ অকল যুক্তিৰ চেষ্টা। শেষত প্ৰসন্নয় কলে ভূষনক "ঠিক আছে। তোমাৰ দেউতায় বৰবেয়া ভাবে চুৰুট খায়, সদায় তেখেঁতৰ মুখত আছে। অলপ সময়ও সেইটো বাদদি তেঁখেতে থাকিব নোৱাৰে। তেঁখেতৰ এই অভ্যাস এড়া অসম্ভৱ। যদি তুমি ইটোক সম্ভৱ কৰিব পাৰা তেন্তে আমাৰ এদিনাখন মহাভোজ হব, আৰু তাৰ সকলো খৰচ মোৰ।" আন দুজন বন্ধুয়ে হাতেতালি দি ওঠে ভোজৰ আনন্দত। অবশ্যে আলোচনাৰ শেষ ফলটো দেখিবলৈ বিচাৰে সকলোৱে।

ভূষনে অলপসময় মনে মনে থাকে। কাৰন দেউতাকক কিমানখিনি কি কৰিব পাৰিব সেইটোই চেষ্টা। তাৰপাছত কলে, "মই স্বীকাৰ কৰিলৈছে। তেতিয়াহলে তোমাৰ ভোজ-দিয়াৰ বাবে নহয়, কিন্তু অসাধ্যক সম্ভৱ কৰিবৰ বাবেই কৰা। মই যিমানখিনি পাৰো চেষ্টা কৰিম, কাৰন এয়া আমি বিচাৰো হওক। চাও।"

পাছদিনাখন। ভূষনৰ দেউতাক বহি আছে চুৰুট মুখত লৈ। ভূষন তেঁখেতৰ ওচৰত আহি ধূমপানৰ অপকাৰিতা লৈ আলোচনা কৰে, "ধূমপান কৰিলে আয়ু কমি যায়, আপোনি জানে দেউতা। বেলেগ বেলেগ বেমাৰ হয়, অসহনীয় যন্ত্ৰনাত পড়িব লগা হয়, আৰু অসময়ত মৃত্যু হয়।"

মলয় সেন

ভূষনৰ দেউতাক মাধব প্ৰকৃততে ভাল মানুহ। বেচি কথা কৰলৈ পছন্দ নকৰে। শিক্ষিত, তাৰবাবে ভালদৰে সজাই কথা কয়। এটাৰ পিছত এটাকে চুৰুটত জুই দি টানি থাকে।

লবাৰ কথা মনদি শুনে। নিজেও ভালদৰে জানে যিকোনো প্ৰকাৰ ধূমপান কিমানখিনি ক্ষতি কৰে। অলপ সময় মনে মনে থাকি তাৰপাছত স্বভাৱ অনুসৰি কলে, "চোৱা ভূষন, জীৱন আৰু মৃত্যু আমাৰ হাতত নাই। মৃত্যুৰ সময় হলে তেতিয়া যাব লাগিবই। ভাগ্যত যি আছে সেয়া ঘটিবই। যোনে ধূমপান নকৰে। সিহতে কি কোনোৱে অসময়ত নমৰে ? বেমাৰ নহয়?

"হয়, ধূমপান অবশ্যেই স্বাস্থ্যৰ পক্ষত ক্ষতিকাৰক, এই কথাখিনি মানিছো। কিন্তু চুৰুট খাই আমি যি আনন্দ পাও, তেনেকুৱা আন কোনো আনন্দৰ তুলনাতকৈ অধিক। সুতৰাং, যি-জীৱন নীৰস নিৰানন্দ সি-জীৱন কিয় বাছি লম। এয়াতো সম্পূৰ্ন মূৰ্খামি। ইয়াৰ বাহিৰে, ধূমপানৰ সময়ত গভীৰ চিন্তাৰ মাজত সোমাই যাব পাৰি, সাধাৰনতে যি একাগ্ৰতা আনিব নোৱাৰে। এয়া নিঃসঙ্গতাক কটাই দিয়ে। তাৰবাবে, মোৰ ব্যাপাৰটো মোৰ উপৰত এড়ি দিয়া।" কথাখিনি কৈ এটা চুৰুট ধৰাই আকৌ কলে, "এতিয়া এইটো মোৰ শ্বাস প্ৰশ্বাস লোৱাৰ দৰে। এইটো বন্ধ হলে হয়তো শ্বাসও বন্ধ হৈ যাব।"

ভূষনৰ যেন লাগে, অসম্ভব কাম। তেনেকুৱা, চুৰুট এড়ি জীৱন নাথাকে, এই ধাৰনাটোই তাৰ দেউতাকৰ মনত গাঁথি আছে, এইটো ভাঙিৱ লাগে। সি কলে, "দেউতা, এইটো মোৰ ধাৰনা মাত্ৰ। অৱস্থানুসৰি ধাৰনা গঢ়ি আকৌ ভাঙে। এনেকুৱা কোনো অভ্যাস নাই যি পৰিবৰ্তন কৰিব নোৱাৰি। তাৰবাবে

সংকল্প বিচাৰো। সহজতে আপোনি ইয়াৰ পৰা মুক্তি পাব পাৰে!"

"মই বিচাৰিলেও এড়িৰ নোৱাৰিম।" চুৰুটত টান দি মাধৱে কলে।

ভূষনে লাগি থাকে। সি কলে, "আচ্ছা দেউতা, আপোনি চুৰুট খোৱা এড়ি দিলে কোনোৱাৰ য় যদি লাখ টকা দিয়ে তেতিয়াহলে কি কৰিম ?"

"এড়ি দিম তেতিয়াহলে। কিন্তু এনেকুৱা মূৰ্খ কোন আছে যোনে লাখ টকা দিব ?

"তেতিয়াহলে আপোনি ভাৱিলে এড়ি দিব পাৰে।" উৎসাহ প্ৰকাশ কৰি কলে ভূষনে। "আচ্ছা, যদি আপোনাৰ বুকুত চাকু বা ছুড়ি ধৰি কয় চুৰুট এড়িব, তেতিয়াহলে?"

"কম তাক যে এড়ি দিম। কিন্তু কিমান সময় সি ধৰি ৰাখিব। সি গলেই আকৌ খাম।" মাধৱে হাঁহি ক'লে।

ভূষনে বৰ ভাগৰি পৰে। দুখ আৰু খং প্ৰকাশ কৰি ভূষনে কলে, "আপোনি মোৰ কথাৰ কোনো গুৰুত্বই দিয়া নাই। ইশ্বাৰে দিয়া এই জীৱনক লৈ খেলিব নোৱাৰে। আপোনি যদি চুৰুট খোৱা বন্ধ কৰে তেতিয়াহলে মোক অবশ্যেই কিবা কৰিব লাগিব।" কথাখিনি কৈ তাৰপৰা গুচি যায়।

ভূষনে সেইদিনাখন একো খোৱা নাই। তাৰ মাকে তাক অনুৰোধ কৰাৰ পাছতেও খোৱা নাই। এই কথাখিনি ভূষনৰ দেউতাকক জনালে তেঁখেতে কলে, "ভোখ লাগিলে ঠিকেই খাব। কিমান সময় নোখোৱাকে থাকিব। চিন্তা কৰিব নালাগে।"

পাছদিনাখন ভূষনে একো খোৱা নাই। অনাহাৰত থাকি ঘৰৰ আৰু নিজৰ সকলো কাম কৰে। তাৰ দুদিনমান পাছত আন গাঁওত সি খেলিবলৈ যাব। কিন্তু ভূষনৰ ভ্ৰূক্ষেপ নাই। খেলিবলৈ যোৱাৰ বাবে সাজু হয়। কিন্তু চেহেৰাত অসুস্থ তাৰ চিহ্ন দেখিবলৈ পোৱা যায়। চকু ভিতৰত সোমাই যায়। ভূষনৰ অৱস্থা দেখিবলৈ পাই তাৰ মাকেও খোৱা বন্ধ কৰি দিয়ে তিনিদিনমান ধৰি। এদিনাখন নোখোৱাৰ বাবে সন্ধিয়াৰ সময়ত তাৰ মাকে অসুস্থ হৈ বিছনাত পড়ে।

ঘৰৰ মানুহ, ওচৰচুবুৰীয়াৰ মানুহ, গাঁওৰ মানুহ সকলোৱে মাধবক দোষ দিবলৈ আৰম্ভ কৰে। লৰায় ধূমপান কৰিলে দেউতাকে খং কৰে, কিন্তু দেউতাকে ধূমপান কৰে বুলি লৰায় খং কৰিছ, এইটো প্ৰথম শুনিছো। মানুহে কিবাকিবি কোৱাৰ বাবে মাধৱে তাত কান নিদিয়ে, কিন্তু লৰা আৰু পত্নীৰ অৱস্থা তাক চিন্তাত পেলাই দিয়ে। ধূমপানৰ বাবে লৰা আৰু ঘনীয়েকক হেৰুৱাব নিবিচাৰে। যদি লৰাটোৰ কিবা হৈ যায় ... এই চিন্তা কৰি তাৰ বুকু কঁপি ওঠে।

তামাকৰ আৰু চুৰুটৰ সকলোবোৰ সি আনি ঘৰৰ বাহিৰত থকা নৰ্দমাত তেতিয়াই পেলাই ভূষনক ধৰি কলে, "তুমিই জয়ী, মই আৰু ধূমপান নকৰো। যোৱা, তুমি তোমাৰ মাক লৈ খাই লোৱা।"

"সঁচাকে দেউতা! তেন্তে আপোনি আচলে জয়ী হ'লে। ধূমপান - ৰূপী নৰখাদকক আপোনি ইমানদিনে পৰাজিত কৰিলে। এতিয়া আপোনি মুক্ত, সকলোৰ পৰা আনন্দ পাব, কিন্তু ধূমপানৰ পৰা নহয়।" ভূষনে দুৰ্বল দেহ লৈ খুচিত কলে।

কঠিন আৰু অসম্ভৱক সম্ভৱ কৰিবৰ বাবে পিতা-পুত্ৰ দুয়োৰ বৰ আনন্দ।

ভেঁবা

ব্ৰাহ্মনী নদীৰ পাৰত এটি গাঁও। গাঁওৰ সকলো ঘৰত ব্ৰাহ্মনসকলে বাস কৰে। সেই গাঁওৰ এজন ব্ৰাহ্মন গোবৰ্ধন। বিয়াৰ বহু বছৰৰ পাছত তেঁওৰ এজন পুত্ৰ হয়। মা-দেউতাকে তাৰ নাম ৰাখে শ্ৰীবৰ্ধন। সৰুৰ পৰাই আছিল ভেবা। য'ত বহাই থোৱা হৈছিল, তাতেই বহি থাকে। যিমান সময় ধৰি কোনোৱায় আহি নোধায়, তিমান সময় ধৰি নুঠে। মাতিলে আহে, আৰু 'যোৱা' বুলি কলে গুচি যায় লগে লগে। টোপনিৰ সময় কব লাগে, 'যোৱা, শুই যোৱা।'

দেউতা গোবৰ্ধনে চিন্তা কৰে, যদি পুত্ৰক লিখা পঢ়া শিকোৱা হয়, তেন্তে নিশ্চয়ই তাৰ ভেবা ভাবটো গুচি যাব। তাৰবাবে শ্ৰীবৰ্ধনক গুৰুৰ আশ্ৰমত পঠাই দিয়ে। বাৰ বছৰ গুৰুৰ ওচৰত গুৰুগৃহত থাকে, কিন্তু অলপো পৰিবৰ্তন নহয়। যেনেকুৱা ভেবা বা ভোঁদা আছিল তেনেকুৱাই থাকি যায়, কিন্তু এলেহুৱা নহয়।

বাৰ বছৰ শিক্ষাৰ পাছতও শ্ৰীবৰ্ধনৰ ভেবা ভাবটোৰ কোনো পৰিবৰ্তন নেদেখি ঘৰত আনি ঘৰৰ কাম কৰাত লগাই দিয়ে গোবৰ্ধনে। শ্ৰীবৰ্ধনৰ মাকৰ চকুৰ দৃষ্টি গুচি যায়। তাৰবাবে তাৰ পিতাক ঘৰৰ সকলো কাম, আনকি ৰান্ধাৰ কামও কৰিব লাগে। শ্ৰীবৰ্ধনক কোনো কামৰ কথা নকলে নিজে একো নকৰে। আকৌ কাম বেচি হৈ গলে তাৰ খং ওঠে। কিবাকিবি মুখেৰে কৈ থাকে।

"উপযুক্তলৰাক যদি বিয়া কৰোৱা হয় তেন্তে তাৰ ঘনীয়েকে তাক দি সকলো কাম কৰাই লব আৰু ইয়াত অন্তত মোক সদায় কামৰ বাবে আঙুলিৰে দেখুৱাই দিব নালাগে" - এই বোৰ চিন্তা কৰি গোবৰ্ধনে এগৰাকী বুদ্ধিমতী ছোৱালীৰ সন্ধান কৰি তাৰ লগত বিয়া কৰায়।

ঘনীয়েকে ঘৰত অহাৰ পাছত শ্ৰীবৰ্ধনক এটা কামও কৰিব লগা নহয়। সদায় এঠাইত মনমাৰি বহি থাকে। তেতিয়া শ্ৰীবৰ্ধনৰ দেউতাকে বৌত্তক কয়, "তুমি তোমাৰ গিৰিয়েকক দি কাম কৰাই নোলোৱা কিয়?" শ্বশুৰেকে কয়, কিন্তু ঘনীয়েকে গিৰিয়েকক

জয়দেৱ দত্ত

একো নকয়, সকলো কাম নিজে কৰি লয়।

লৰাক তেনেধৰনে মাটিৰ পুতলাৰ দৰে বহি থকা দেখি গোবৰ্ধনৰ যেন গা জ্বলি ওঠে। তেঁও পুত্ৰক কয়, "পত্নীক সুধা, কি কাম তোমাক কৰিব লাগিব। ঘৰৰ একো কাম নকৰা নেকি?"

শ্ৰীবৰ্ধনে ঘনীয়েকৰ ওচৰত গৈ কয়, "যদি কোনো কাম থাকে তেন্তে কোৱা, মই কৰি দি আছো."

"ডাঙৰ হতে কামৰ কথা কয় আৰু সৰু সকলে সেয়া কৰি দিয়ে। মাকক সুধি চোৱা, কৰবাত কিবা কাম কৰিবৰ আছে নেকি?" পত্নীয়ে উত্তৰত কলে।

শ্ৰীবৰ্ধনে মাকৰ ওচৰত গৈ সুধে, "মা, কিবা কাম যদি কৰিব লগা আছে কোৱা, কৰি দি আছো।"

"মই চকুৰে নেঁদেখো, মই কেনেকৈ জানিম? তোমাৰ দেউতাকক গৈ সুধা।" শ্ৰীবৰ্ধনৰ মাকে কলে।

"মোৰ ঘনীয়েকে আৰু মোৰ মাকে কোনো কামৰ কথা মোক কব পৰা নাই। কি কৰিম, আপোনিয়ে কিবা কামৰ কথা কওক।" শ্ৰবৰ্ধনে দেউতাকক কলে।

"মোৰ যেতিয়া টকা-পইচা একেবাৰে নাছিল তেতিয়া তুমি জন্ম লৈছা। তুমি নিজে চিন্তা কৰিব নোৱাৰা তোমাক কি কাম কৰিব লাগিব। ঘৰত যদি একো কাম নাথাকে তেন্তে অৰ্থ উপাৰ্জনৰ বাবে অন্তত কিবা কাম লোৱা। বাৰ বছৰ গুৰুকুলত শিক্ষালাভ কৰিছা। অন্তত ঘৰত কেইটামান লৰা ছোৱালীক মাতি আনি পঢ়োৱা, তাতে হয়তো অলপ অৰ্থ আহিব। সেয়া নহলে যোৱা মন্দিৰত, তাত কোনো পূজা-পাঠ আৰম্ভ কৰি দিয়া। যদি তাঁৰ কোনো দয়া হয় তেতিয়াহলে বৰ পাবা।" দেউতাকে খঙত কলে।

শ্ৰীবৰ্ধনে বনত গৈ তপস্যা আৰম্ভ কৰে। অলপসময়ৰ পাছত দেৱতায় তাৰ আগত প্ৰত্যক্ষ হৈ কলে, "তোমাৰ তপস্যাত মই সন্তুষ্ট হৈছো শ্ৰবৰ্ধন। কোৱা, কি বৰ বিচৰা তুমি।"

"কি বৰ বিচাৰিম, সেয়া তো মই নাজানো ঘৰত গৈ ঘৰৰ মানুহ সকলক সুধি আহিবৰ বাবে মোক সময় দিয়ক। তিমানসময় আপোনি অলপ অপেক্ষা কৰক। ... " এই বুলি কৈ শ্ৰীবৰ্ধনে ঘৰত উভতি আহে খুচি মনেৰে। দেউতাকক কলে, "আপোনি যেনেকুৱা কৈছিলে তেনেকুৱাকে মই তপস্যা কৰিছো। ভগবান প্ৰত্যক্ষ হৈ মোক বৰ প্ৰাৰ্থনা কৰিবলৈ কলে। মই কি বৰ বিচাৰিম আপোনি কৈ দিয়ক।"

লৰাৰ এনেধৰনৰ ভেবা বা ভোঁদামি চাই গোবৰ্ধনৰ বৰ খং উঠে। লৰাটোক কৈ দিয়ে, "কিয় নিবিচাৰিলা যে বহুতো ঐশ্বৰ্য দিয়া। সৰুকালৰ পৰা আমি দৰিদ্ৰ অভা হৈ আছো।"

ঘৰত গিৰিয়েক আৰু লৰাৰ কথা শুনি মাকে লৰাটোক মাতি কলে, "তুমি ভগবানৰ ওচৰত কোৱা তেখেতে যেন মোৰ দৃষ্টি উভতাই দিয়ে।"

ঘনীয়েকেও, গ'ম পালে যে তাইৰ গিৰিয়েক শ্ৰী বৰ্ধনে দেৱতাৰ দৰ্শন পাইছে। তেওক বেলেগে মাতি নি কলে, "বৰ বিচাৰিব, আমাৰ যেন সুসন্তান হয়।"

সকলোকে 'ঠিক আছে, ঠিক আছে' কৈ শ্ৰীবৰ্ধনে দৌড়ি গৈ থাকে যি ঠাইখিনিত দেৱতাৰ দৰ্শন পাইছিলে সেই ঠাইখিনিৰ ফালে। কিন্তু তাত গৈ দেৱতাক দেখিবলৈ নাপায়। ইফালে-সিফালে বিচাৰি থাকে। অলপ দূৰত দেখিবলৈ পায় এজন মুনিৰ আশ্ৰম, ধ্যানত বহি আছে মুনিয়ে।

"যি দেৱতা মোক অলপ সময় আগত দেখা দিছিলে, এই - পথেৰে গৈছে?" মুনিক সুধে শ্ৰীবৰ্ধনে।

এই কথাখিনি শুনি মুনিয়ে আচৰিত হৈ যায়। শ্ৰীবৰ্ধনৰ পৰা কথাখিনি শুনাৰ পিছত মুনিয়ে কলে, "যেতিয়া দেৱতাৰ দৰ্শন পাইছিলা তেতিয়া কিয় বৰ নিবিচাৰিলা? তেঁখেতৰ ওচৰত বৰ প্ৰাৰ্থনা নকৰি তুমি ঘৰত গুচি যোৱা। ক'ত মৰিবলৈ গৈছিলা, অভাগা এটা। মই কিমান বছৰ ধৰি ভগৱানৰ দৰ্শনৰ ভাবে তপস্যা কৰি আছো, তথাপি মই দৰ্শন পোৱা নাই। আৰু তুমি দৰ্শন পাইও কোনো বৰ প্ৰাৰ্থনা নকৰিলা?" বৰ ক্ষুদ্ধ মুনিয়ে।

মুনিৰ কথা শুনি শ্ৰীবৰ্ধনে মৰিবলৈ এখন ঠাই বিচাৰে। অলপদূৰত এটা পাহাড় দেখিবলৈ পাই তাৰ ওপৰৰ পৰা জপিয়াই মৰাৰ কথা ভাবে। সেই পাহাড়ত উঠিবলৈ আৰম্ভ কৰে।

মাজপথত এজন চিকাৰীৰ লগত লগ হয়। তেঁও শ্ৰীবৰ্ধনক কলে, "সেই পাহাড় খনত একোৱেই নাই, তেতিয়াহলে কিয় তাত গৈ আছা?"

"তাৰ পৰা জপিয়াই মৰিবলৈ," এই বুলি কৈ শ্ৰীবৰ্ধনে তাৰ সকলো কাহিনী শুনায় চিকাৰীক। চিকাৰীয়ে সকলো কাহিনী শুনি পেলাই হাঁহি মাৰি কলে, "তুমি কেনেধৰণৰ মানুহ? ভগবানে বৰ প্ৰাৰ্থনা কৰিবলৈ কৈছিলে তোমাক, তেতিয়াই তেঁখেতক কিবা কব লাগিছিল। কিন্তু তুমি কব নোৱাৰিলা। তুমি কব নোৱাৰিলা বুলি কি তেঁখেতে নাজানিছিল যে তুমি কি বিচৰা। তেঁখেতে সকলো জানে। যোৱা, ঘৰত উভতি যোৱা। তোমালোকৰ সকলোৰে ইচ্ছা তেঁখেতে পূৰন কৰি দিব।"

শ্ৰীবৰ্ধনে ঘৰত উভতি আহে। দেখিবলৈ পায়, সিহতৰ ঘৰ ঐশ্বৰ্যত পূৰ্ন হৈ উঠিছে। তাৰ মাকৰ চকুৰ দৃষ্টি ঘুৰাই পালে, দেখিবলৈ পাই আছে। শ্ৰীবৰ্ধনেৰ বৰ খুচি হয়। এক বছৰ যোৱাৰ লগে লগেই সিহতৰ এটি ধুনীয়া সন্তানৰ জন্ম হ'ল।

ভগবানৰ দৰ্শন লাভৰ পাছত গাঁওৰ মানুহে শ্ৰীবৰ্ধনক মহাত্মা ভেঁবা বুলি মাতিবলৈ আৰম্ভ কৰে।

সহজ উত্তৰ

বহুবছৰ আগৰ এজন ধনী ব্যৱসায়ী, যেনেকুৱা স্বাৰ্থপৰ তেনেকুৱা কৃপন। এদিনাখন ৰাতিপুৱা ব্যৱসাৰ প্ৰয়োজনত দূৰৰ চহৰত যোৱাৰ বাবে যাত্ৰা আৰম্ভ কৰে। ইয়ুসুফ নামেৰে এজন যুৱকক ঠিক কৰে, তেঁওৰ লগত যাব।

"কিন্তু মালিক, দীঘলীয়া পথ চলিবৰ বাবে কষ্ট আৰু পৰিশ্ৰম কৰিব পৰা সামৰ্থ্য মোৰ নাই।" ইয়ুসুফে কলে।

"ঠিক আছে, আমি ভাগ কৰি ল'ম," ব্যৱসায়ীয়ে কলে।

ব্যৱসায়ীয়ে ঘোড়াত উঠি গৈ আছে, লগত ঘোড়ায় টনা গাড়ীত ব্যৱসাৰ বস্তুবাহিনী ভৰ্তি। ইয়ুসুফে ঘোড়াৰ লগত দৌড়ী আছিল। অলপ সময়ৰ বাবেও তাক ঘোড়াত বহিবৰ সুযোগ দিয়া নাই ব্যৱসায়ীয়ে।

মাজে মাজে বিশ্ৰাম লয়। এনেকৈ গোটেই দিনটো সিহঁতে চলে। সন্ধিয়াৰ সময়ত এঠাইত ৰাতিটো কটোৱাৰ বাবে ভাৱি ৰখে। তাৰপাছত ব্যৱসায়ীয়ে ভৃত্যক কলে ঘোড়াৰ জিন খুলি লৈ তেওক অলপ পহৰা দিয়ক, তেতিয়ালৈকে তেঁও নিজে তাঁবুৰ ভিতৰত নিশ্চিন্ত মনত শুব।

"মালিক, কৈছিলে কষ্ট তাৰ পৰিশ্ৰম ভাগ বতৰা কৰি ল'ব। অন্তত আধা ৰতি মোক শুব দি আপোনি ঘোড়াটো অলপ পহড়া দিয়ক।" ইয়ুসুফে কলে।

"মই এই ভাগবতৰা বেলেগকৈ কৰিব পাৰো। তোমাৰ বাবে ঘোড়া আৰু গাড়ীভৰ্তি বস্তুবোৰ পহৰা দিবলৈ বৰ কষ্ট হব। তুমি তাঁবুৰ বাহিৰত ঘোড়াটো পহৰা দিয়া, মই তাঁবুৰ ভিতৰত বস্তু বাহিনী বোৰ পহৰা দি আছো।"

তাঁবুৰ বাহিৰত এজোপা গছৰ তলত বহি পহৰা দি থাকে। গোটেইদিনটো পৰিশ্ৰম কৰাৰ পিছত যেতিয়া ৰাতি গছৰ তলত বহি পহৰা দি আছিল তেতিয়া অতি সোনকালে টোপনি যায়।

হঠাৎ মাজৰাতি তাঁবুৰ ভিতৰৰ পৰা ব্যৱসায়ীয়ে টোপনি ভঙা কন্ঠত ক'লে, "ইয়ুসুফ, কি কৰি আছা তুমি?"

"মই ভাৱি আছো, "লগে লগে উত্তৰ দিলে।

"কি ভাৱি আছা?" ব্যৱসায়ীয়ে সুধে।

"গোলাপ ফুল লবলৈ গৈ যদি

কাইটবিলাক অকল দেখিবলৈ পাও, তেন্তে মই কি কৰিম ?"

"কাইট বিলাক নুছুঁই চিধা গুচি আহিবা। সচাঁকে, তুমি এজন সতৰ্ক প্ৰহৰী, ছাবাছ!" মালিকে মন্তব্য জনাই শুই পৰে। দু-ঘন্টা পাছত টোপনি ভঙিলে ব্যৱসায়ীয়ে আকৌ সুধিলে, "হে মোৰ বিশ্বাসী ভৃত্য, এতিয়া কি কৰি আছা?"

ইয়ুসুফে অলস সময় টোপনিত গৈছিলে, মালিক শব্দত টোপনি ভাঙি যায়। তেতিয়া কলে, "মই এতিয়াও ভাৱি আছো।"

"এতিয়া তুমি কি লৈ ভাৱি আছা ?"

"যদি সূৰ্যই স্থিৰ কৰে যে অহা কালি ৰাতিপুৱা নুঠে অৰ্থাৎ উদিত নহয়, তেন্তে কি হব?"

"মোৰ কি আহে যায় তাতে। ৰাতিপুৱা হোৱাৰ লগে লগে মই যাত্ৰা কৰিম, সূৰ্য উঠা বা বেলি উঠাৰ বাবে কোনে অপেক্ষা কৰিব।" ব্যৱসায়ীয়ে সন্তুষ্ঠ মনেৰে উত্তৰ দি আকৌ টোপনিত যায়।

ৰাতিপুৱা হবলৈ তেতিয়া বহু দেৰী। ব্যৱসায়ীৰ টোপনি ভাঙে, চিঞৰী কলে, "ইয়ুসুফ, শুনিবলৈ পাইছা? এতিয়া কি কৰি আছা?"

"মই এতিয়া ভাৱি আছো," সহজ উত্তৰ।

"বৰ ভাল, তুমি এতিয়াও ভাবি আছা আৰু আচৰিত হৈ আছা?" ব্যৱসায়ীয়ে বৰ খুচি এইটো কাৰনে যে তেওঁৰ ঘোড়াটো বৰ সতৰ্ক হৈ ঘোড়াটোক পহৰা দি আছে।

"সঁচাকে, মই ভাৱি আছো যে যোৱাকালি মালিক আপোনি অশ্বাৰোহনত আহিছে আৰু গোটেই পথ মই দৌড়ী আহিছো। কিন্তু আজি ঘোড়াত কোনে উঠিব আৰু আগে আগে কোনে দৌড়ী যাব যদি ঘোড়াটো নাথাকে।" ইয়াসুফে বৰ নৰম সুৰে লাহে লাহে কলে।

"উত্তৰ বৰ সহজ। আমি দুযোৱে একেলগে খোজাঁকাঢ়ি যাম।" ব্যৱসায়ীয়ে লগে লগে উত্তৰ দিয়ে। ইয়ুসুফৰ প্ৰশ্নটো তাৰ মগজত সুমাবলৈ অলপ সময় লয়। যেতিয়া তেঁও গ'ম পালে, তেতিয়া দৌড়ী তাঁবুৰ বাহিৰত আহে। দেখিবলৈ পায় জিন ৰেকাব মাটিত পৰি আছে, কিন্তু তেঁওৰ ধুনীয়া ঘোড়াটো ক'তও নাই। মূৰত হাত দি বহি পৰে অসহায়ৰৰ দৰে।

সেইদিনাখনৰ পৰা স্বাৰ্থপৰ ব্যৱসায়ীৰ মাজত এটা পৰিবৰ্তন দেখিবলৈ পাই সকলোৱে অচৰিত হৈ যায়। তেঁও ভাবে, যদি ৰাতি ইয়ুসুফ লগত পহৰাৰ কামটো ভাগ বতৰা কৰি ললে হয়, আধা ৰাতি সি পহৰা দিলে হয় তেন্তে ঘোড়াটো লৈ পলাই যোৱা চোৰৰ পক্ষত সহজ নহলহয়।

চন্দমামা

আপোন - অতীত
ঐতিহ্যৰ অনুসন্ধান কৰক

এই সংখ্যাত প্ৰকাশিত প্ৰশ্নাবিলাকৰ উত্তৰ আগামী সংখ্যাত দিয়া হব। এই সময়ৰ ভিতৰত তুমি নিজে উত্তৰ বিলাকৰ খোঁজ কৰি আৰু ইয়াৰ লগত ভাৰতৰ প্ৰাচীন ঐতিহ্যৰ জ্ঞানৰ মাঝৰে নিজকে সমৃদ্ধ কৰি তোলা।

1

"প্ৰতিদিন অসংখ্য মানুষৰ মৃত্যু আমি নিজে দেখিয়াছো। তেতিয়াও আমালোকৰ ব্যবহাৰ ও ভাবনা এনে ধৰনৰ যে আমি অমৰ। এটোই হছাকৈ বড় আশ্চৰ্য।" .... কেতিয়া, কিয় আৰু কোনে কৈছিল।

2

নিম্নলিখিত পৌৰানিত যুগল চৰিত্ৰ ও স্থানৰ মাজাত কি সম্পৰ্ক আছে।

ক. শকুনি - গান্ধাৰ
খ. কেশৰী - মহামেৰু
গ. সহদেৱ - মহিস্মতি
ঘ. ভৰত - কৈকয়
ঙ. বাল্মীকি - তমসা

চান্দমামা : নানা ভাষায়
জ্ঞান এবং আনন্দময় ভাবনা এক

স্বভাব

এদিনাখন শিবকুমাৰে গাজীপুৰ বজাৰত এটা গৰু বিক্ৰ কৰাৰ উদ্দেশ্য গিছে যিসকলে গৰু কিনিব আহিছে তেওঁ লোকৰ গৰুৰ প্ৰশংসা কৰি কৈজে গৰুটো খুব ভাল যাতাৰ গৰুৰ দেখিই এই কথাৰ বোজ লব পাৰি এই প্ৰশংসা কৰাৰ প্ৰয়োজন নাই, তথাপিও শিবকোমাৰে কৈছে।

বিষ্ণুপদ বা অন্য এখন গাওৰ বাসিন্ধা তেওঁ বজাৰলৈ আহিজে, যদিও একো কিনাৰ উদ্দেশ্য নাই। কেবল বজাৰ চাবলৈ আহিছে, গৰুটোক দেখি দাম জানিবৰ মন হয় 'এশটকা' শিবকোমাৰে উত্তৰ দিয়ে। গৰুটোৰ দাম এশটকাটক অধিক হওয়া ওচিত, বিষ্ণুপদৰ গৰু কিনিবৰ কোন প্ৰয়োজন নাই আৰু ইচ্ছাও নাই কেবল ধেমালি কৰিবৰ বাবে ইমান কম দাম মাতিজে যে গৰুটো বিক্ৰ নকৰে ভাবিচিন্তি বিষ্ণুপদে দাম মাতিলে পচিছ টকা। শিবকুমাৰে বিষ্ণুপদৰ মুৰৰ পৰা ভৰিলৈ লগ্য কৰি কলে থিক আজে পচিছ টকা দিয়ক আৰু গৰু টো লক বিষ্ণপদে তৎক্ষনতে পচিছ টক দিদিয়ে, খুব আনন্দ গৰুটোৰ দাম এশটকাৰ অধিক বেশী হওয়াৰ ওচিত কিন্তু ইমান কম দামাত বিক্ৰ কৰাৰ কাৰন কি মন গৰু বিক্ষেতাক কলে মই হচাই খুব কম দাম কৈছে এই গৰুটোৰ দাম এশটকাৰ অধিক হওয়াৰ ওচিত। কিন্তু তুমি ইমান কম দামত বিক্ৰ কৰিলা কিয়।

শিবকুমাৰে ইফাল হিফাল চাই টকা পকেটত ভৰাই কলে গৰুটো মুৰ নিজৰ নহয় কাৰনে বিক্ৰ দামৰ বিষয়ে বেশী ভাৱানাই মোৰ সভাব এনে কোৱাই, কথা শেষ কৰি বজাৰৰ ভিৰত মিলি যায়।

এই কথা শোনি বিষ্ণু পদৰ হাত ভৰি কপিবলৈ আৰম্ভ কৰে কাৰ গৰু কিনিলো। গৰুটোক এৰিদি নিজেও বজাৰত ভিৰত মিলি গল।

ভাৰত

তেতিয়া আৰু বৰ্তমান

দ্বাৰকা

অতীতৰ প্ৰশান্তি লৈ

ভাৰতৰ পুৰনি যুগৰ ঠাইবিলাকৰ মাজত এটা গুজৰাটত অৱস্থিত দ্বাৰকা। বিশ্বাস যে, এই দ্বাৰকা নগৰীৰ প্ৰতিষ্ঠা কৰিছিল শ্ৰী কৃষ্ণই নিজে। দ্বাৰাবটী নামেৰে নগৰটো পৰিচিত ইয়াৰ প্ৰাচীনতম নাম আছিল কুশস্থলী। পুৰনি আখ্যান অনুসৰি নিজ ৰাজ্যৰ ৰাজধানীৰ বাবে শ্ৰীকৃষ্ণৰ বহু বেছি পৰিমান ঠাইৰ আৱশ্যক হ'লে সমুদ্ৰ উপকূলৰ পৰা বহু দূৰত আতৰি যায়, ফলত প্ৰয়োজনীয় জমি তেখেতে পাই যায়। শ্ৰীকৃষ্ণৰ মৃত্যুৰ পাছত সমুদ্ৰই আকৌ সেই জমি গ্ৰাস কৰি লৈ যায়। বিশেষ তাৎপৰ্যপূৰ্ন যে, দ্বাৰকাৰ এটা অংশ সমুদ্ৰত ডুবি যায়। কিন্তু যি-ভূখণ্ড শ্ৰী কৃষ্ণৰ দুৰ্গৰ অন্তৰ্গত আছিল সেই জমি সমুদ্ৰই গ্ৰাস নকৰে। সেই অংশ আজিও ভেট দ্বাৰকা নামেৰে এটা দ্বীপ ৰূপত তাত আছে।

ভেট দ্বাৰকাৰ ওচৰত গাত খন্দা কামত আবিষ্কৃত তথ্যবিলাক প্ৰমান কৰে যে বহু শতাব্দীৰ আগত ইয়াত এটা সমৃদ্ধশালী নগৰ আছিল। বৰ্তমান দ্বাৰকাৰ আগত আৰো পাঁচটা নগৰৰ অৱস্থান আছিল। শেষত এইটো ষষ্ঠ নগৰ। পুৰান অনুসৰি এই ঠাইৰ মূল ভিত্তি শ্ৰীকৃষ্ণৰও আগত স্থাপিত হয়। ভাৰতৰ পৰম্পৰাগত আতটা পৱিত্ৰ ঠাইৰ মাজত দ্বাৰকা এটা - আন ছ'খন ঠাই অযোধ্যা, মথুৰা, উজ্জয়িনী, বাৰানাসী, হৰিদ্বাৰ আৰু কাঞ্চিপুৰম।

শ্ৰীকৃষ্ণৰ প্ৰাসাদ ৰৈবাতক নামেৰে এটা পাহাড়ৰ পাদদেশত বা মধ্যাঞ্চলত আছিল। ভেট দ্বাৰকা প্ৰকৃতপক্ষে পাহাড় কেইটামান। ইয়াৰ অধিকাংশ ঝোপঝাড়ত পূৰ্ন এটা ভূমিক্ষেত্ৰ। তাত ঠাইয়ে ঠাইয়ে বেলেগ বেলেগ সময়ৰ স্মাৰক আৰু মূৰ্তিৰ ভগ্নাবশেষ পোৱা গৈছে। ইয়াৰ ফলত স্পষ্ট হৈ উঠিছে যে, ইতিহাসৰ বেলেগ বেলেগ সময়ত সেই ঠাইখন বিশেষ মহত্ব লাভ কৰি আহিছে।

শংকৰাচাৰ্যই ভাৰতৰ চাৰিখন পবিত্ৰ ঠাইত চাৰি মঠৰ প্ৰতিষ্ঠা কৰে - সুদূৰ উত্তৰত বদ্ৰিকাশ্ৰম, দক্ষিনত শৃঙ্গেৰী, পুৱফালে পুৰী আৰু পশ্চিমত দ্বাৰকা। দ্বাৰকা শংকৰাচাৰ্য মঠ নগৰৰ সবোতকৈ বেছি আকৰ্ষনীয় ঠাই দ্বাৰকাধীশ মন্দিৰৰ ওচৰত অৱস্থিত। এই মন্দিৰত দ্বাৰকাধীশ ৰূপত শ্ৰীকৃষ্ণৰ মূৰ্তি প্ৰতিষ্ঠিত হৈছে।

গোমতী নদীৰ পাৰত স্থাপিত এই মন্দিৰৰ মূল কাঠামৰ ৰূপ শ্ৰীকৃষ্ণৰ প্ৰপৌত্ৰ বজ্ৰনামৰ দ্বাৰা বনোৱা হয়। ৰজা জগৎ সিংহ ৰাটোৰে এইটোৰ সংস্কাৰ কৰে, তাত সদায় হেজাৰ হেজাৰ ভক্ত আহে। শ্ৰীকৃষ্ণৰ প্ৰাসাদ ভেট দ্বাৰকাত হলেও ৰাজদৰবাৰৰ স্থানতেই এই মন্দিৰৰ প্ৰতিষ্ঠা।

ইয়াৰ মূৰ্তিটো বৰ ধুনীয়া। মানুহে কয় যে, মেবাৰৰ ৰানী মীৰাবাইয়ে (চিতোৰগড়, ১৫৪৬ চন) এই মূৰ্তিতেই বিলীন হৈ যায়।

মন্দিৰৰ দক্ষিনত ৫৬ টো ধাপ তলেৰে শান্ত গোমতী নদী প্ৰবাহিত হৈ গৈছে। ধাৰনা, মনে মনে অৰ্থাৎ লুকাই এই নদীখন পৱিত্ৰ গংগাৰ লগত লগ হৈছে।

এই প্ৰসিদ্ধ মন্দিৰৰ পৰা দুই কিলোমিটাৰ দূৰত শ্ৰীকৃষ্ণৰ ঘনীয়েক, ৰুক্মিনীদেৱীৰ মন্দিৰ। তাতনাগেশ্বৰ মহাদেব তীৰ্থ নামেৰে এটা পুৱনি শিৱমন্দিৰ আছে। ওচৰতেই আছে পৱিত্ৰ এটা ঠাই যত শ্ৰীকৃষ্ণৰ সৰুকালৰ বন্ধু আৰু গোপ-গোপনী-সকলে তেঁওৰ লগত লগ পোৱাৰ বাবে আহিছিল। সিহঁতৰ বাবেই শিবিৰ বনোৱা হৈছিল তাত।

দ্বাৰকা নগৰী শ্ৰীকৃষ্ণ, শংকৰাচাৰ্য আৰু মীৰাবাইয়ে ইয়াৰ লগত ইতিহাসত প্ৰসিদ্ধ হৈ আছে।

নগৰৰ ওচৰত আধুনিক উদ্যোগত শিল্প প্ৰতিষ্ঠিত হলেও এতিয়া লৈকে দ্বাৰকা এটা প্ৰশান্তিময় ঠাই। আধুনিক জীৱন কটোৱাৰ বাবে সকলো সুবিধা আৰু উপযোগৰ ব্যবস্থা থকা সত্ত্বেও ইয়াৰ পৰিবেশ অতীতৰ গৌৰবৰ প্ৰভাৱ বিয়পি আছে।

আধুনিক দ্বাৰকাত বহুতো সংস্কৃতি আৰু শিক্ষা কেন্দ্ৰ আছে। বৰ্তমান ভাৰতৰ আন আন নগৰৰ লগত অদৃশ্য আছে, কিন্তু ইয়াৰ প্ৰাচীন পৰিবেশ এতিয়ালৈকে আছে। অধিকাংশ প্ৰতিষ্ঠান শ্ৰীকৃষ্ণ বেলেগ বেলেগ নামেৰে নামকৰন কৰা হৈছে। যদি দ্বাৰকাৰ মানুহে এই বিষয়ত গৰ্ব অনুভব কৰে যে ভগবান নিজে তাৰ ৰজা আছিল, তাত বিস্মিত হোৱাৰ কি আছে।



শ্ৰীলংকাৰ

বিশ্বের বাতায়নে

শ্ৰী লংকাৰ অতি পুৰনি ঘটনাপঞ্জি মহাভামচাৰ মতে সুদুৰ অতীতৰ পূব ভাৰতৰ বিজয়সিং নামৰ এজন যুবৰাজে এই দ্বীপ পাইছিলগৈ, তেও সেই দ্বীপত বাস কৰি থকা-সৰু সৰু জনজাতীয় গোষ্ঠীৰ লোক সকলক হাত কৰি সেই দ্বীপ অধিকাৰ কৰিছিল। তেওৰ লগত পাঁচশ সেনাপতি গৈছিল। তেও সেনাপতি সকলৰ বিবাহৰ বাবে মাদুৰাইৰ পৰা ছোৱালী বন্দবস্তু কৰি দিছিল। বৰ্ত্তমানৰ সিংহলী সকল তাৰেই বংশধৰ, বিজয় সিংহৰ নাম অনুযায়ী সেই দ্বীপটোক সিংহল বা চিলন বুলি জনা যায়। সম্ৰাট অশোকৰ পুত্ৰ যুবৰাজ মহেন্দ্ৰ আৰু কন্যা ৰাজকুমাৰী সংঘমিত্ৰাই সেই ৰাজ পৰিয়াল আৰু তেওলোকৰ প্ৰজাসাধাৰনক বুদ্ধ ধৰ্মলৈ দীক্ষিত কৰিছিল।

সিক তাৰ পিচতেই দক্ষিন ভাৰতৰ বিশেষকৈ তামিল ৰাজ্যৰ যুবৰাজ আৰু সদাগৰ সকল এই দ্বীপলৈ গৈছিল আৰু তাত বসতি কৰিবলৈ গৈছিল। তেওলোকে ভাৰতবৰ্ষৰ অতি ওচৰতে থকা জাফনা অঞ্চলত ঘনবসতি কৰিবলৈ লয়।

শ্ৰী লংকাৰ সিংহলৈ আৰু তামিল সকল উডয়েই ভাৰতবৰ্ষৰ আদিম অবিধাসা। বহুদিন ধৰি সংখ্যালঘু তামিল লোক সকলৰ ওপৰত সংখ্যাগৰিষ্ঠ সিংহলী সকলে চলোৱা অন্যায়ৰ প্ৰতিবাদ কৰি আহিছিল। তেওলোকে সংযুক্ত মুক্তিবাহিনী চমুকৈ Tulf নামৰ এটা সংগঠন গঠন কৰি আন্দোলন আৰম্ভ কৰিছিল। লগে লগে আৰু বহুতো তামিল সংগঠন গঠিত হ'ল। এই বিলাকৰ ভিতৰত Liberation Tiger's of Tamil Elen বা LTTE নামৰ সংগঠনটো চৰম উগ্ৰপন্থি। এই সংগঠন টোৱে এখন পৃথক স্বাধীন তামিল ৰাজ্য দাবী কৰে।

আন্দোলন

LTTE সংগঠনৰ কাম আৰম্ভ হোৱাৰ লগে লগে তামিল আন্দোলনৰ এক সুকীয়া ৰূপ লয়। LTTE সংগঠনে নিজকে তামিল সকলৰ হৈ মাত

মতা একমাত্র সংগঠন বুলি দাবী কৰে। কোনো নেতাই তেওলোকৰ মতৰ সামান্য বিৰোধিতা কৰিলে তেওঁলোকক মৃত্যুদণ্ড দিয়া হৈছিল। LTTE সংগঠনে ভালসংখ্যক উপযুক্ত তামিল নেতাক হত্যা কৰিছিল, শেষতীয়াকৈ ভাৰতৰ প্ৰধানমন্ত্রী ৰাজৱ গান্ধীও সেই একে অপৰাধতেই প্ৰান হেৰুৱাব লগীয়া হ'ল।

LTTE আৰু শ্ৰী-লংকাৰ সৈন্যৰ মাজত বহু বছৰ ধৰি অবিৰত ভাবে যুদ্ধ চলি আছে। জাফনাৰ সাধাৰন মানুহে দূভোগ ভূগিবলগীয়া হৈছে। দেশৰ অৰ্থ নীতিও এক সংঘাট তাই পৰিছে। বহু তামিল লোক ভগলীয়া হৈ ভাৰতলৈ আহিব লগীয়া হৈছে। এই যুদ্ধখন শেষতীয়াকৈ ভয়ানক ৰূপ ধাৰন কৰিছে। শ্ৰী-লংকাৰ তামিল সকলৰ প্ৰতি ভাৰতৰ সহানুভূতি সদায়েই আছে। কিন্তু দেশখন বিভাজন হোৱাটো কেতিয়াও নিবিচাৰে। নিজৰ অভিজ্ঞতাৰ পৰা ভাৰতবৰ্ষই বুজি পাইছে যে বিভাজন কেতিয়াও সমস্যা সমাধান নকৰে।

ভাৰতৰ বিভাজনে ভাৰত নাইবা পাকিস্তান কাকো সহায় কৰা নাই। বৰঞ্চ দুয়োখন দেশেই অশান্তিত ভূগিব লগীয়া হৈছে।

দ্বিতীয়তে গনতন্ত্রত বিশ্বাসী কোনো দেশে LTTE ৰ এই পথ সমৰ্থন কৰিব নোৱাৰে। অন্যান্য নেতা সকলৰ লগতে কিছু সংখ্যক উচ্চ সন্মানিত তামিল নেতাক হত্যা কৰা ঘটনাক কেতিয়াও সভ্য কাম বুলি কব নোৱাৰি সন্ত্ৰসেবাদক সকলোৱে ঘৃনা কৰে।

আলোচনা আৰু বুজা বুজিৰ মাধ্যমেৰে বহু সমস্যা সমাধান কৰিব, পাৰি। ভাৰতবৰ্ষৰ লগতে পৃথিবীৰ অন্যান্য দেশ সমুহে উভয় পক্ষৰ মাজত বুজাবুজি হিংসামুক্তআৰু শুভেচ্ছামূলক পৰিবেশ আশা কৰে।

ফোটো
নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰন দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব
লাগিব। ২০০০ চনৰ মাৰ্চ মাহৰ।

ফোটো
নামকৰন
প্ৰতিযোগিতা
চন্দমামা
বড়পলনী
চেন্নাই - ৬০০ ০২৬

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'ষ্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাৰ লাগিব।

ছবিৰ শিৰোনামৰ পাতা

বিজয়ী প্ৰতিযোগী :
অৰ্পিতা দেবনাথ
ডাঃ নুপুৰ চন্দ্ৰ দেবনাথ
বিদ্যাময়ী ফাৰমেছী
খিং টাউন নগাওঁ, আসাম - ৭৮২ ১২৩

বিজয়ী নামকৰন :
প্ৰকৃতিৰ সন্দয্য। বহুৰূপীৰ সন্দয্য।

চন্দমামাৰ বছৰেকীয়া বৰঙণি :
ভাৰতত ১২০.০০ টকা মাথোন

Payment by M.O./DD in favour of CHANDAMAMA INDIA LIMITED. For details address you enquiries to : Publication Division, Chandamama Buildings, Vadapalani, Chennai - 600 026.

SUBSCRIPTION AGENTS INVITED.

Contact Circulation Manager, CHANDAMAMA INDIA LTD, Chandamama Bldgs., Vadapalani, Chennai - 600 026.

Invest in a happy future



and

reap a rich dividend of heritage

The ideal growth scheme for the Indian child

Gift a lifetime subscription of Chandamama, India's oldest and best-loved children's magazine.

Chandamama is available in 12 languages.

More details in the next issue

CHANDAMAMA (Assamese) JULY 2000 Registrar of Newspapers, India RN30278/76

nutrine

Maha Cruise

Nutrine Maha Lacto. The Best Lacto in Town.